# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ৪/১০/২০১৮ বৃহস্পতিবাৰ

---

**ৰাতিপুৱা ৯.৩০ বজাৰ লগে লগে মাননীয় অধ্যক্ষৰ সদনত প্ৰবেশ ঃ**

**মাননীয় অধ্যক্ষ ঃ** নমস্কাৰ ..... কোৱেশ্যন নং- ১৪১ , ৰেকিবুদ্দিন আহমেদ । মিনিষ্টাৰ প্লিছ..।

**শ্ৰীপৰিমল শুক্ল বৈদ্য, মন্ত্ৰী , বন ও পৰিবেশ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয় , উত্তৰ সদনত দিয়া হৈছে।

**শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়। এইটো খুউব গুৰুত্বপূৰ্ণ কথা হয়। দীপৰ বিল সম্পৰ্কত কৈছো। যোৱা বিধান সভাতো এই বিষয়টোৰ ওপৰত ২ বাৰ মোৰ প্ৰশ্নৰ ওপৰত আলোচনা হৈছিল। বন আৰু পৰিবেশ বিভাগৰ ওপৰত। এইটো বিষয়ৰ ওপৰত তেখেত সকলে উত্তৰ দিছে। এই সম্পৰ্কত উত্তৰ (খ)ত কৈছে যে দীপৰ বিলত কোনো বেদখল হোৱা নাই। অধ্যক্ষ মহোদয়, এই উত্তৰটো মই ভাবো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে এই বিষয়টো বিশেষ গুৰুত্ব পূৰ্ণভাবে ল'ব লাগে। যিখন দীপৰ বিল ২০ বছৰ আগতে আছিল আৰু আজিৰ দীপৰ বিল কি অৱস্থাপ্ৰাপ্ত হৈছে অধ্যক্ষ মহোদয়। এই দীপৰ বিল গুৱাহাটী মহানগৰীৰ কিমান গুৰুত্বপূৰ্ণ ঠাই হয়। দীপৰ বিলৰ কাষেৰে আমি যেতিয়া বিমান ঘাটিলৈ যাও তেতিয়া দীপৰ বিলৰ প্ৰাকৃতিক সৌন্দৰ্য্য দেখি মনটো কিমান ভাল হৈ যায়। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম। তাত এশ শতাংশই বেদখল আছে। যোৱা ২০ বছৰ সাঙুৰি তাত এটা কঠোৰভাৱে এটা তদন্ত দিব লাগে। তাত যিটো এলিফেন্ট কৰিড'ৰ আছে অধ্যক্ষ মহোদয়, আজিও বাতৰি কাকতত ওলাইছে যে, হাতী ওলাই আহে- শষ্য নষ্ট কৰে- মানুহক অত্যাচাৰ কৰে। অধ্যক্ষ মহোদয় আগতে এইটো হোৱা নাছিল। এলিফেন্ট কৰিড'ৰবিলাক ভালকৈ চিহ্নিত কৰিব লাগে। অধ্যক্ষ মহোদয়, নেশ্যনেল গ্ৰীণ ট্ৰিবুনেলে এটা অৰ্ডাৰ দিছিল এইটো মই আপোনাক দিম। ইয়াত নেশ্যনেল গ্ৰীন ট্ৰিবুনেলে দুটা কথা কৈছিলে - ১ নং কথা কৈছিলে যে, ইয়াত নামি অহা হাতীসমূহৰ কৰিড'ৰসমূহ ভালভাবে চিহ্নিত কৰিব লাগে। ২ নং টো হৈছে ৰবিন চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিলে ইয়াতে যিটো ৰেলৰে ডাবল লাইনৰ কাম চলি আছে সেইটো ভালৰ কাৰনে হৈছে কিন্তু অধ্যক্ষ মহোদয় এইটোৰে দীপৰ বিলৰ ক্ষতি হৈছেনেকি , কিমান মাটি engrossment কৰিছে নেকি তাৰ বাবে চীফ চেক্ৰেটেৰীক নিশ্চয় গ্ৰীণ ট্ৰিবুনেলে এটা অৰ্ডাৰ দিছে এখন কমিটি বনাবলৈ । নিশ্চয় কমিটিখন হোৱা নাই। এই বিষয়ে অধ্যক্ষ মহোদয় আৰু এটা কথা কও , আজি স্থানীয় বিধায়ক ডাঙৰীয়াও ইয়াত আছে। তেখেতকো ইয়াত জড়িত কৰিব লাগে। অধ্যক্ষ মহোদয় দীপৰ বিলত পানী খাবলৈ আহি হাতীৰ মৃত্যু হয়। কিমান প্ৰকৃতিপ্ৰেমী তালৈ যায়। কিমান পৰিভ্ৰমী চৰাই তালৈ আহে। গোটেইকেইটা উত্তৰ ধুনীয়াকৈ দি থৈ গৈছে। অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে মন্ত্ৰী মহোদয়ে সকলো ক্ষেত্ৰতে স্পষ্ট হয়। এই ক্ষেত্ৰত যাতে কঠোৰভাবে এটা এনকোৱাৰী দিয়ে ।তাত কোনোবাই বেদখল কৰিছেনেকি, কোনোবাই গুদামঘৰ বনাইছেনেকি, তাতে কোনোবাই গৰু ৰাখে নেকি ? তাতে গৰু ৰাখি কোনোবাই গাখীৰ বিক্ৰী কৰে নেকি ? তাত

তেওঁলোকে ডাঙৰ ডাঙৰ বিল্ডিং বনাইছেনেকি? কোনোবা বিষয়াই এইবিলাক আওতাৰ বাহিৰত ৰাখি বেদখল হোৱা নাই বুলি কৈছে নেকি? এই কথাটো গুৰুত্বসহকাৰে ল'বলৈ মই সদনত দৃষ্টি আকৰ্ষণ কৰিলো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ .... মিনিষ্টাৰ প্লিজ ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, বন ও পৰিবেশ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই এটা ধুনীয়া প্ৰশ্ন উত্থাপন কৰিছে। দীপৰ বিল আমাৰ সঁচাকৈ ক'বলৈ হ'লে - আমি দীপৰ বিলখন যদি ভালকৈ সুৰক্ষিত কৰিবলৈ পাৰিলোহেঁতেন তেনেহ'লে আমাৰ গুৱাহাটীত বা এই অঞ্চলত- এইটো একেবাৰে সঁচা আৰু এই প্ৰশ্নটোৰ গুৰুত্ব মই উপলব্ধি কৰিছো। মই এইটো বিভাগৰ দায়িত্ব লোৱাৰ লগে লগে দুদিন মই দীপৰ বিল পৰিভ্ৰমণ কৰিলো। ইয়াৰ স্থানীয় বিধায়কৰ লগতে এই সম্পৰ্কত আমি বিভিন্নধৰনে আলোচনা বিলোচনা কৰিছো। এতিয়া কথা হ'ল ছাৰ মাননীয় বিধায়ক ডাঙৰীয়া এই প্ৰশ্নটো উত্থাপন কৰিছিল 'ক' আৰু 'খ'ত । (খ) ত কৰিছিল দখল হোৱা মাটি বেদখলমুক্ত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? ছাৰ কথাটো এনেকুৱা যে দীপৰ বিলৰ মাটি কালি কিমান আৰু ? আৰু কিমান বেদখলমুক্ত হৈ আছে। এতিয়া কথাটো হৈছে ছাৰ- আমাৰ ফৰেষ্টৰ ভিতৰত থকা মাটিখিনিৰ আমি জবাব দিব লাগিব। Revenue Department'ৰ অধীনত আৰু মাটি আছে। আমাৰ অধীনত আছে ৪.১০ বৰ্গ কি.মি কিন্তু দীপৰ বিলৰ area টো বহু ডাঙৰ, আমাৰ ফৰেষ্টৰ লগত থকা ঠাই আমাৰ বেদখল হোৱা নাই। এই ৪.১০ কি.মি যিখিনি আমাৰ বিভাগৰ অন্তৰ্গত দীপৰ বিলৰ মাটি আছে, অভয়াৰণ্যত কোনো বেদখল হোৱা নাই। আৰু যিটো ৰেলৰে ট্ৰেকৰ কথা কৈছে- মই আজিৰ দিনত মই ক'ব পাৰো যে, এই Railway Track আহি ট্ৰেইনৰ আগত পৰি আমাৰ পশুধন- হাতী আদিৰ মৃত্যু হৈছে। আমাৰ বিভাগৰ ফালৰ পৰা ৰেলৱেৰ লগতে ক্ৰমাগত সম্পৰ্ক ৰাখি ২৪ ঘন্টা ডিউটিত থাকে । যাতে কোনোধৰণৰ বন্যপ্ৰাণী ইয়াতে ৰেলৱেৰ কাৰণে নিধন নহয়। মই ক'বলৈ সুখ পাইছো যে এবাৰ তালৈ যাওঁতে মই দেখিছো এটা হাতী নামি আহিছে আৰু দুয়োফালে বহু গাড়ী জাম হৈ আছে। প্ৰায় ১ ঘন্টা ডেৰ ঘন্টামান আমি ৰৈ আছিলো। তেতিয়া দেখিছো আমাৰ বিভাগ বহুত কনচাৰ্ণ। ৰেলৱেৰ লগত প্ৰতিটো মুহুৰ্ত্তত সম্পৰ্ক ৰক্ষা কৰি কাম কৰি আছে।

**শ্ৰীৰেকিবুদ্দিন আহমেদে ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে বেৰিয়াৰৰ ভিতৰত যিখিনি সেইখিনি ফৰেষ্ট ডিপাৰ্টমেণ্টে চায়। তাত কোনো বেদখল হোৱা নাই। তাৰ বাহিৰত যিখিনি আছে সেইখিনি ৰেভিনিউ ডিপাৰ্টমেণ্টে চাব। অধ্যক্ষ মহোদয়, ৰেভিনিউৰ জৰিয়তে এইটো কথা ৰেভিনিউৰ দৃষ্টিগোচৰ কৰিব লাগে। মই ক'ব বিচাৰিছো যোৱা ২০ বছৰ আগৰ দীপৰ বিলৰ মেপখন চাওঁক । আৰু এটা কথা হ'ল তাৰ ওচৰতে যিটো ডাম্পিং গ্ৰাউণ্ড ওচৰতে আছে সেইটো মোডিফাই কৰি থকা হৈছে বুলি উত্তৰত লিখিছে। যিহেতু স্মাৰ্ট চিটিৰ বহুত অভিলাষী আঁচনি লোৱা হৈছে। এই ডাম্পিং গ্ৰাউণ্ডৰ পৰা দীপৰ বিলৰ ক্ষতি হৈছেনে নাই ছাৰ। এই ডাম্পিং গ্ৰাউণ্ডৰ আবৰ্জ্জনাৰ পৰা যথেষ্ট ক্ষতি হৈ আছে। Dumping Ground ৰ আবৰ্জনাৰ গোন্ধৰ কাৰনে চৰাইবিলাক অহাটো কমিছে । এইটো মেটাৰ চাব লাগে ছাৰ । এই কথাটো গুৰুত্বসহকাৰে ফৰেষ্ট ডিপাৰ্টমেণ্টে ল'ব লাগে। ফৰেষ্ট ডিপাৰ্টমেণ্টে ছাৰ এইটো কথা কয় মোৰ এৰিয়াটো ঠিক আছে বাকীখিনি নাজানো । এইটো এটা ভাল কথা অধ্যক্ষ মহোদয়, মই দৃষ্টি আকৰ্ষণ কৰিছো। এই ক্ষেত্ৰত Forest Department' Revenue Department'ৰ লগত connect কৰক। ২০ বছৰ আগৰ মেপখন চেক কৰক। আৰু ডাম্পিং গ্ৰাউণ্ডৰ পৰা দীপৰ বিলৰ কিবা ক্ষতি হৈছেনেকি এই কথাখিনি চাওঁক।

এই কথাখিনিৰ ওপৰত অধ্যক্ষ মহোদয়, মই আশা কৰো ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়া ইয়াৰে স্থানীয় বিধায়ক। তেখেতেও ইয়াৰে সকলোখিনি কথা জানে। দীপৰ বিলখন সৰ্ব্ব সুন্দৰ কৰি তুলিব লাগে কেৱল অধ্যক্ষ মহোদয় এই কাগজখন দি নহয়। আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয় অনুৰোধ জনাইছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , ধন্যবাদ- ৰমেন্দ্ৰ নাৰায়ন কলিতা ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে বেছি দিন হোৱা নাই বন আৰু পৰিবেশ বিভাগৰ দায়িত্ব লোৱা। কিন্তু দেখা গৈছে ছাৰ। আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৎ ইচ্ছা আছে আৰু তেওঁৰ যথেষ্টভাবে সহায় কৰাৰ ক্ষেত্ৰত ইতিমধ্যে তেখেতে বিভিন্ন সময়ত তেওঁ আলোচনাও কৰিছে বিষয়াবৰ্গৰ লগত। কিন্তু একাংশ বিষয়াৰ আন্তৰিকতাহীনতাৰ কাৰনে আজি দীপৰ বিলৰ যিভাবে উন্নয়ণ হ'ব লাগিছিল হোৱা নাই। প্ৰথম কথা হৈছে যে, দীপৰ বিলত এটা দীপৰ বিল অথ'ৰিটি কৰিব লাগে। এইটো আজি ৬ মাহ হৈ গ'ল। কেবিনেটত সিদ্ধান্ত লৈছে । মই বহুবাৰ চি.এম ছাৰৰ কমিশ্যনাৰক লগ কৰিলো, বিভিন্ন বিভাগৰবিভিন্ন বিষয়াক লগ কৰিলো। আজি ৬ মাহ অতিবাহিত হোৱাৰ পিচতো আজিলৈকে কিন্তু অথোৰিটিটো গঠন নকৰিলে। ঠিক তেনেকৈ এই দীপৰ বিল সুৰক্ষিত কৈনেকৈ, প্ৰদুষণমুক্ত হ'ব কেনেকৈ আজি দীপৰ বিলৰ নিচেই কাষতে dumping Ground এটা কৰা হৈছে। আৰু গুৱাহাটীৰ যিখিনি লেতেৰা পানী আজি দীপৰ বিলটো এটা ৰিজাৰ্ভাৰ হিচাপে ব্যৱহাৰ কৰি থকা হৈছে। গোটেই গুৱাহাটীৰ লেতেৰা পানীখিনি আজি দীপৰ বিলত পেলাই দিয়া হৈছে। আজি দীপৰ বিলখন wild life sanctuary। মাইগ্ৰেটেড বাৰ্ড ইয়াত আহে । আজি দীপৰ বিলখন প্ৰদুষিত হোৱাৰ কাৰণে আজি যিবিলাক চৰাই বহিঃ ৰাষ্ট্ৰৰ পৰা আহে সেই চৰাই চিৰিকতি লাহে লাহে হ্ৰাস পাব ধৰিছে। দীপৰ বিলৰ মাছক বিভিন্ন ৰোগে আক্ৰান্ত কৰিছে। গতিকে মই বিশেষভাবে অনুৰোধ জনাইছো যে immediate affective ব্যৱস্থা ল'ব লাগে। চিল্কা হ্ৰদত যেনেকৈ অথোৰিটি কৰিছে বিভিন্ন উন্নয়নমূলক কাম কৰিছে। পৰ্য্যটনৰ ভাৰতবৰ্ষৰ ভিতৰত অন্যাতম চিল্কা হ্ৰদ, ঠিক তেনেকৈ যদি Athourity য়ে কথাটো সোনকালে কৰে তাৰ বাবে আপোনাৰ জৰিয়তে মই অনুৰোধ জনাইছো আৰু প্ৰদূষণৰ ক্ষেত্ৰতো এই যিখিনি সমস্যা, এই সমস্যাখিনি আতৰ কৰাৰ ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীয়ে কি ব্যৱস্থা ল'ব, সেই সম্পৰ্কত মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শ্ৰীৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই তেওঁৰ supplementary ত এই কথাটো কৈছে, খুব সচা কথা যে গুৱাহাটীৰ সম্পূৰ্ণ আৱৰ্জনাই dumping ground ত গৈ পায়। এই কথাখিনি আমাৰ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে। এতিয়া কথা হৈছে চাৰ, dumping groundটো আমি আমাৰ বিভাগৰ ফালৰ পৰা কৰা নাছিলো। সেই কাৰণে NGBT ৰ আদৰ্শ মৰ্মে গুৱাহাটীৰ নিগমৰ পৰা বৰ্জিত আৱৰ্জনা যিটো solid নাই, waste যিটো আছে, সেইটো ভালকৈ চোৱাৰ কাৰণে IIT ক অধ্যয়ন কৰাৰ কাৰণে দিয়া হৈছিল আৰু এই অধ্যয়ন কৰি তেওঁলোকে এটা ৰিপোৰ্ট এতিয়া গুৱাহাটী পৌৰনিগমৰ ওচৰত দাখিল কৰিছে। মই ভাৱো যে এই পৌৰনিগমৰ ফালৰ পৰা কেনেকৈ আমি dumping ground ৰ অসুবিধাটো সমধান কৰি, ইয়াতে যাতে আমাৰ solid wasteটো যাব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা ইতিমধ্যে লোৱা হ'ব মই ভাৱো। আপুনি আৰু এটা কথা কৈছে আমাৰ দীপৰ বিল Athourity ৰ কাৰণে, হয় আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দীপৰ বিললৈ গৈছিল আৰু দীপৰ বিলত যোৱাৰ

পিছতে আপুনিও আছিল, তেতিয়াও এই কথাটো কোৱা হৈছিল যে আমি এটা দীপৰ বিল Athourity কেনেকৈ বনাব পাৰো। এইটোৰ পাছতে, ঠিক সময় মই ক'ব নোৱাৰো ৬ মাহ হ'ব পাৰে, কিন্তু আগৰ দিনত এই কথাটো সচা যে wild lifeৰ কাৰণে এটা State Level Athourity আছে আৰু মোৰ সময়ৰ পৰা, মই দায়িত্ব লোৱাৰ পিছতো আমি বিভাগৰ লগত, আপোনাৰ লগত সম্পৰ্ক ৰাখি মই কথাবিলাক কৈছো যে আমি কেনেকুৰা এই Athourity টো বনাব পাৰো তাৰ কাৰণে এটা আমি অধ্যয়ন কৰি আমি যথাযথ ঠাইত এইটো forward কৰিছো। মই ভাৰো যে সোনকালে দীপৰ বিলৰ কাৰণে যি Athourity বনাব লাগে এই Athourity আমি বনাম। এই Athourity ৰ যোগেদি কেনেকুৰা দীপৰ বিলখন, আগৰ দিনত যি প্ৰদূষিত হৈ আছে, মই নিজে দীপৰ বিলত নাওঁৰে পৰিভ্ৰমণ কৰিছো, আমি দেখিছো হয় পানী গোন্ধায়। কিন্তু কথাটো হৈছে যে সেইটো এফেক্ট কৰি আছে আৰু দীপৰ বিলখন আজিৰ নিচিনা যেনেকৈ চলি আছে, ঠিক তেনেকৈ যদি চলি থাকে দিন গোটেই গুৱাহাটীৰ কাৰণে এইটো threating হ'ব, poison আছে। ইয়াৰ পৰা এই ব্যৱস্থাৰ পৰা মুক্ত কৰিব লাগে, মুক্ত কৰাৰ কাৰণে আমাৰ বিভাগৰ যিমানখিনি কৰনীয়া আছে আমি কৰি গৈ আছো, মই ভাৰো এইটোত আমি successfull হম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই এটা কথা কব খুজিছো মই নিজেও দেখিছো দীপৰ বিল। ইয়াত এটা ৰিপোৰ্ট দিছে 40 square kilometer আছিল ঠাইটো। এতিয়া গৈ 4 square kilometer আমাৰ এইটো মই চাইছো, তেখেত সকলে ইয়াটো দিছে যে আপোনালোকে এইটো notify কৰিছে দীপৰ বিল bird sanctuary, নহয়নেকি মন্ত্ৰী ডাঙৰীয়া, এইটোৰে। গতিকে আচল কথা এইটো ঠিক যে আমাৰ এইটো এটা পৰ্য্যাটনৰ কেন্দ্ৰ হ'ব, আপুনি signature projectত দিছে মই শ্ৰী ৰমেন্দ্ৰ নাৰয়ণ কলিতা দেখিছো। সেই কাৰণে সেইটোত আমি মানুহে গৈ বহিব পৰা, ফুৰিব পৰা ঠাই এখন হয়, কিন্তু আমাৰ ৰেল লাইন হৈ গ'ল, highway হৈ গ'ল। এইবিলাকে বহুত ক্ষতিও কৰিলে, কিন্তু উপায় নাই।

**শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ** চাৰ, বেদখলো হৈছে।

**মাননীয় অধ্যক্ষ ঃ** বেদখলটো আছেই, কিন্তু কথা হৈছে বেদখল শব্দ ক'ব নে এইটো legalised কৰি পেলালে, সেইটোও চাব লগীয়া হয়। সেইকাৰণে আমি এইটো কথাৰ কিন্তু এটা সত্য, বাকী বিলাক নাপাটো কাৰণ প্ৰশ্ন আৰু আছে। মই এইটো বিচাৰো যে দীপৰ বিলটো আমি সকলোৰে স্বাৰ্থত যিটো তেখেতে শেষত কৈছে গুৱাহাটীখন যদি ৰক্ষা কৰিব লাগে, দীপৰ বিল এতিয়াই যদি ৰক্ষা কৰাৰ ব্যৱস্থা নলয় অসুবিধা হ'ব আৰু মই ভাৰো যে যিবিলাকক মাটি allot ও কৰিলে যদি ফৰেষ্ট লেণ্ডৰ পৰা, সেইটো ৰেভিনিউ বিভাগে কিয় পৰীক্ষা কৰিব নোৱাৰে? আমাকো অভিযোগ দিয়ক আৰু যি সকল প্ৰভাৱশালী মানুহ তেওঁলোকেহে মাটি পাইছে, সাধৰণ মানুহেটো মাটি পোৱা নাই তাত, তেনেকৈ কয় বহুতে। গতিকে সেইবিলাক হৈ গ'ল, হোৱাটোতো মই নোহোৱা কৰিব নোৱাৰো। কিন্তু এই ধৰণৰ আমাৰ বস্তুটো এইটো আজিয়ে হোৱা বস্তু নহয়, ২০ বছৰৰ পৰা এইটো চলি আছে। গতিকে তাত প্ৰভাৱশালী মানুহক যদি মাটি দি দিয়া যায় বাকী সকলৰো encourage হয়। সেইকাৰণে মই ভাবিছো যে This is a very important issue, you have raised. মই আপোনাকো ধন্যবাদ দিছো signature projectত আপুনি পইচা দিয়াৰ বাবে আৰু সেই কাৰণে মই মন্ত্ৰী ডাঙৰীয়া আৰু Revenue Minister আজি আছেনে নাই নাজানো, এই মুহূৰ্তত বোধকৰো নাই, তেওঁলোক দুয়োজনে মিলি এই বিষয়টো যদি কৰে ভাল হব। Athourity টো সোনকালে হৈ গ'লে আপুনি যে কৈছে মন্ত্ৰীয়ে আশ্বাস দিছে, মুখ্যমন্ত্ৰীয়েও নিশ্চয় ইয়াত মনযোগ

দিছে, সেইকাৰণে সোনকালে হ'ব আৰু তেতিয়া গোটেই কথাবিলাক এবাৰ পৰীক্ষা কৰি সিদ্ধান্ত লোৱা ভাল হ'ব। মই সেইকাৰণে পৰৱৰ্তী প্ৰশ্নলৈ যাব খুজিছো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, আপোনাৰ নেতৃত্বত এটা আমাৰ কমিটি গঠন কৰি দিব, আমি চাই গোটেইটো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপোনাৰ suggestion টো লৈছো। এইটো যিহেতু এটা Athourity লৈ গৈছে, নহ'লে মই চাম। মই কমেন্ট কি কাৰণে দিছো মইও সেই ফালেদি অহা যোৱা কৰো, দেখি বেয়া লাগে। Loktak হ্ৰদত Manipur attraction নপৰে Deepor Beel could have been attraction place of Guwahati. সচা, মই আগতে ইমান নাজানিছিলো, কাৰণ আমি গুৱাহাটীৰ মানুহ নহয়। কিন্তু ৰেইল লাইনৰ কাষেৰে যে ৰাস্তাটো হ'ল, তাৰপিছত মই দেখি বিচ্যুতি খাইছো, ইমান ধুনীয় এটা।

**শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ** চাৰ, NGP ৰ ৰিপোৰ্টো পঢ়ি চাব আপুনি।

**মাননীয় অধ্যক্ষ ঃ** মই পঢ়িছো।

**শ্ৰীপ্ৰশান্ত ফুকন ঃ** অধ্যক্ষ মহোদয়, এটা সৰু কথা।

**মাননীয় অধ্যক্ষ ঃ** We are all concerned. Concernedটো মই এইকাৰণে কলো, নহলে মই কথা নকও সাধৰণতে।

**শ্ৰীপ্ৰশান্ত ফুকন ঃ** অধ্যক্ষ মহোদয়, আমাৰ পৰ্য্যটন বিভাগৰ মন্ত্ৰীও আছে, মই ভাৰিছো তাত নৌকা বিহাৰৰ ব্যৱস্থা কৰিব পাৰিব নেকি ? নৌকা বিহাৰৰ ব্যৱস্থা কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই আপোনাৰ লগত একমত, পৰ্য্যটন, ৰেভিনিউ, ফৰেষ্ট বিভাগ কেইটা মিলি Athourity য়ে গোটেই কথাখিনি চালে ভাল হ'ব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, পৰ্য্যটনক ন'ডেল এজেঞ্চি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো আপোনালোকে আলোচনা কৰিব। আজি আৰু একো নালাগে। মই এইখিনি পৰমাৰ্শ ভাল বুলি ধৰি লৈছো। এতিয়া প্ৰশ্ন নং ১৪২, আব্দুল খালেক।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে গছ কাতিবলৈ নাইকিয়া বুলি কলে আৰু গছ থকা ছবিও দেখুৱালো আৰু এই কথা কলে যে ম্যাদি মাটি কটাত বাধা নাই আৰু গছ কটাৰ কাৰণে joint verification নাই হোৱা বুলি কলে। এতিয়া মন্ত্ৰী মহোদয়ৰ মই প্ৰথমে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে মাটি কটাৰ কাৰণে যদি joint verification নাই, তেনেহলে প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনালে Assam Minor Mineral concession Rule, 2013 ৰ অধীনত অসম চৰকাৰৰ বন আৰু পৰ্য্যাটন বিভাগৰ সচিবে অধিসূচনা যোগে বন সংমণ্ডল সকলক মাটি কটাৰ অনুমতি দিয়াৰ বাবে কৰ্তৃত্ব প্ৰদান কৰে। উক্ত অধিসূচনাৰ আধাৰত মাটি কাটিবৰ বাবে joint verificationৰ ক্ষেত্ৰত মুখ্য বন সংৰক্ষকৰ অনুমতিৰ প্ৰয়োজন নাই। এতিয়া আকৌ joint verification ও কৰিলে অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ স্বাক্ষৰ নাই, অৱশ্যে মন্ত্ৰী মহোদয়ে বেলেগ এখন কাগজ পৰিশিষ্টত মোক দিছে। এতিয়া যিটো কলে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে গছৰ যিটো ছৱি দিছে তাত ছবিৰ manipulate হ'ব পাৰে। তাত GPS cordination, মোক আজি আশ্বাস নিদিলেও কথা নাই, তাত মূল্যবান গছবিলাক আমি ৰক্ষা কৰিব লাগিব। সেইবাবে GPS cordination ৰ যাতে ব্যৱস্থা কৰে। দ্বিতীয় কথাটো হৈছে, যে যি ম্যাদী মাটি বুলি কৈছে, কিন্তু মোৰ হাতত থকা তথ্য মতে শ্যামল বৰবৰা, দেৱজ্যোতি

নাথৰ মাটি বুলি কৈছে। সেই মাটিখিনিৰ মোৰ হাতত তথ্য আছে, মন্ত্ৰী মহোদয়ক লাগিলে দিব পাৰো। সেইটো NK পট্টা, ম্যাদি পট্টা আৰু NK পট্টাৰ মাজত তফাত আছে, সেইটো আমি সকলোৱে জানো। তৃতীয়তে, কথাটো হৈছে, যে ৰাষ্ট্ৰীয় অভয়াৰণ্য বা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰত সংৰক্ষিত সীমাৰ পৰা এক কি. মিটাৰৰ ভিতৰত থকা বাধা সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰত নাই। ইয়াত joint verification ত কোৱা আছে ৩০০ মিটাৰ। মাননীয় অধ্যক্ষ মহোদয়, আমি যদি বনাঞ্চল ৰক্ষা কৰিব খোজো বনাঞ্চলৰ পৰা মাত্ৰ ৩০০ মিটাৰ দূৰত্বত মাটি কাটিবলৈ দিয়া য'ত গছো কাটিব পাৰে এইটো যুক্তি সংগত নেকি? ৰাজহুৱা বনাঞ্চল আৰু কম মোৰ হাতত তথ্য আছে, ৫০বিঘা। এইখিনি কথা মই জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ৰ পৰা।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ খালেক ডাঙৰীয়াই এই প্ৰশ্নটো যেতিয়া উত্থাপন কৰিলে, মই দেখিলো সঁচাকে ইয়াত ৩৫০ জোপা শাল গছ কটাৰ Permission দিয়া হৈছে স্বাভাৱিক ভাৱে অত্যন্ত বে-আইনী হৈছে। সেই কাৰণে মই এইটোৰ গুৰুত্ব উপলদ্ধি কৰি এই প্ৰশ্নটো কোৱাৰ লগে লগে আমি আমাৰ বিভাগীয় কৰ্তৃপক্ষক আমি একেবাৰে ঠাইলৈকে পঠাম আৰু ভালকৈ যাতে Field টো চাই আহে। এতিয়া কথাটো হৈছে Joint verification ৰ কথা আপুনি কৈছে, কিন্তু Joint verification ৰ বিভাগে আমাক যিটো উত্তৰ দিলে আৰু আমি যিটো খবৰ লৈছো সেই মৰ্মে Joint verification আমাৰ অভয়াৰণ্যত হোৱা নাছিল। আমাৰ Forest ৰ মাটিত হোৱা নাই। কিন্তু আপুনি যিটো কৈছে পট্টাৰ কথা কৈছে পট্টাৰ ঠাইত হৈছে। পট্টা যেতিয়া দিয়াৰ Permission দিছে তাৰ আগতে এই পট্টাৰ ঠাইত পট্টাত যদি কিবা খেলি-মেলি থাকে সেইটো মই কব নোৱাৰো। কিন্তু আপুনি যিটো কথা কৈছে, পট্টাৰ কাগজ আপোনাৰ ইয়াতে আছে, যদি এনেকুৱা থাকে এই নিশ্চয় চোৱা যাব। আজিৰ দিনত যি ঠাইৰ কথা আপুনি কৈছে, যে ৩৫০ বিঘা । মই তেওঁলোকৰ লগত আলোচনা কৰিছো, তেওঁলোকে কৈছে আৰু report দিয়া আছে। যেতিয়া Joint verification হৈছে তেতিয়া ৩৫০জোপা শাল গছৰ মুড়া পোৱা গৈছে, হয়টো আগতে কোনো মানুহে কাটিছে। ইয়াৰ পিছত এই মুড়াবোৰ পৰা পুলি ওলায়। তেওঁলোকে এইবোৰ Joint verification ত দেখিছে। এই গছৰ মুড়াবোৰ মই photo ৰ জৰিয়তে আপোনাক দেখুৱাইছো আৰু য'ৰ পৰা মাটি আপুনি কটাৰ কথা কৈছে হয় মাটি কটা কথাটো পট্টাৰ মাটিৰ পৰা মাটি উঠাব পাৰে, Green Belt ৰ পৰা এনেকুৱা এটা স্থিতি আছিল। আমি বনাঞ্চলৰ ফালৰ পৰা আমি মাটি উঠাব দিয়া নাই যিটো Reserve Forest ত পৰে।

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই Photo ত দেখিছো মই কৈছো GPS Coordination ৰ ব্যৱস্থা কৰিব লাগে। যাতে কোনো ধৰণৰ সন্দেহ নাথাকে, আৰু এটা কথা মন্ত্ৰী মহোদয়ে জনালে মোৰ (ঘ) নম্বৰ প্ৰশ্নৰ উত্তৰত যে এই বনাঞ্চলৰ ভিতৰত ABCL ক Crusher unit স্থাপন কৰিব দিয়া নাই। কিন্তু মন্ত্ৰী মহোদয়, নিশ্চয় অৱগত যে উচ্চতম ন্যায়ালয়ৰ এটা ৰায় আছে সেই ৰায়টো হৈছে যে অভায়াৰণ্য, উদ্যান বা বনাঞ্চল তাৰে ১০ কিঃমিঃ Radius ৰ ভিতৰত, Eco Sensitive Zone হিচাপে ধৰা হয়। মোৰ যিটো প্ৰশ্নটো আছিলে সঁচা মোৰ প্ৰশ্নটো অলপ আঁসোৱাহ আছিল। কিন্তু এইটো Eco Sensitive Zone ৰ ভিতৰত এইটো ৮ কিঃমিঃ ৰ ভিতৰত। ৮ কিঃমিঃ ভিতৰত ABCL ক Crusher unit স্থাপন কৰিব দিয়াটো সঠিক হৈছে জানো। কাৰণ যিহেতু আমি Eco Sensitive Zone, য'ত গুৱাহাটী মহানগৰত Eco Sensitive Zone ত মানুহক ঘৰ বনাবলৈ নিদি অকল Farm House হে

বনাবলৈ দিয়ে। এই ক্ষেত্ৰত আমি অভয়াৰণ্যখনক ৰক্ষা ক্ষেত্ৰত ইয়াৰ ABCL ক Crusher unit স্থাপন কৰিব দিয়াটো ঠিক হৈছে নেকি ?

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় খালেক ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিলে, সেই প্ৰশ্নৰ জৰিয়তে আমি যি উত্তৰটো দিলো ইয়াত লিখা আছে, যে Crusher unit ক Trade Permission দিয়াটো সত্য হয়। আৰু Crusher unit ক Trade Permission দিয়াৰ কাগজখিনি সম্ভৱ ত আমি ইয়াত দিছো। কিন্তু এই কথাটো হৈছে যে ABCL ক দিলো, কিন্তু এইটো Wild life sanctuary ফালৰ পৰা ৮ কিঃমি দৈৰ্ঘ্য ৰ আপুনি যিটো কথা কৈছে, Eco Sensitive Zone ৰ যেতিয়া লৈকে finalize নহয় তেতিয়া লৈকে আমি ১০ কিঃমিঃ ভিতৰত আমি দিব নোৱাৰো। এই কথাটো সঁচা এতিয়া Eco Sensitive Zone ৰ Proposal পঠোৱা হৈছে আৰু তেওঁলোকে এইবোৰ prepare কৰিছে, মই এইটো চাই লম। যদি Eco Sensitive Zone ৰ ১০ কিঃমিঃ ভিতৰত হয় আমি বিভাগক কম এইটো ভালকৈ চালি-জাৰি চাই যদি এইটো বে-আইনী হৈছে , তেনেহলে এইটো বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদেয় নিজে ক'লে ৮ কিঃমিঃ ভিতৰতEco Sensitive Zone ৰ ভিতৰত। আৰু এটা কথা যদিও এইটো Device ত নপৰে বেকী নদীত মোৰ সমষ্টিৰ স্বাৰ্থ জড়িত গতিকে বেকী নদীত চাৰ, শিল, বালিৰ ঠিকাদাৰ সকলে গধুৰ Machinery ব্যৱহাৰ কৰি দিনে নিশাই খনন কৰা কাৰণে মোৰ সমষ্টিত যথেষ্ট গড়াখহনীয়াৰ সৃষ্টি হয়, সেই বিষয়টো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বন্যপ্ৰাণীৰ কথা ওলাইছে, মোৰ সমষ্টিৰ আমচাং বন্যপ্ৰাণী অভয়াৰণ্যখন বেদখল মুক্ত কৰিব লাগে। চৰকাৰে একো নকৰা দেখি উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিয়াত চৰকাৰে কৰিছে, মই সমষ্টিৰ বিধায়ক এই আমচাংখন এনেধৰণে বেদখল কৰিছে এইটো যদি হৈ থাকে আৰু উচ্চ ন্যায়ালয়ে যদি হস্তক্ষেপ নকৰিলে হেতেন তেনেহলে এইখনৰ পৰা হাতী বিলাক ওলাই আহি সিদিনাখন হেঙেৰাবাৰীত এজনী ছোৱালীক গছকি মাৰিছে আৰু ৰাজপথত হাতী ঘুৰি ফুৰিছে আৰু কেতিয়াবা যে বিধান সভা নাভাঙিব তাৰ কোনো মানেই নাই। এতিয়া কথা হৈছে যে এইখন সুৰক্ষিত কৰিব লাগে আৰু এই বনাঞ্চলত মই বিধায়ক হৈ থাকোতে যেতিয়া Vaterinary Campus ৰ কৰ্মচাৰী আহি আমাক কলে যে ৰাতি ৰাতি চেগুণ গছবোৰ বগৰাই আছে, ল'ৰা-ছোৱালী বিলাক পঢ়িব নোৱাৰে, তেতিয়া মই সেই কথাটো গম পাই সেই ঠাইলৈ চৰজমীন তদন্ত কৰিবলৈ যাম বুলি কওঁতে আমাৰ দলৰ দিলীপ পালকে ধৰি কিছু মানুহে কলে আপুনি যাব নালাগে আমি যাম আৰু Photo টো লৈ আহিম আৰু তেওঁলোকে Photo লৈ আহিলে। অস্থায়ী ঘৰ বিলাক বেছি দিন হোৱা নাই হয়টো ১মাহৰ পৰা ৪ মাহ মান হৈছে কিবা এটা হৈছে। তেতিয়া মই গৈ Principal Chief Conservator of Forest ক লগ ধৰিছো আৰু কৈছো যে এই অৰণ্য বনত আপুনি বহি আছে, অৰণ্যখনৰ পিছফালে গছকাটি তহিলং কৰিছে। আপুনি অসমৰ বনাঞ্চল কেনেকৈ ৰক্ষা কৰিব। পিছদিনা প্ৰমিলাৰাণী ব্ৰহ্মই মোলৈ ফোন কৰিছে মই কৈছো এইটো আপোনালোকে চম্ভালক নহলে বৰ বেয়া পাব। এতিয়া মই দেখিছো অলপ অতিৰিক্ত কৰি কেইটামান উদ্যোগক এৰি দিলে লগতে Army ৰ এটা বেয়া স্বভাৱ হৈছে তেওঁলোকে মাটি কিমান লৈছে চৰকাৰে জানিব লাগে। আমাৰ বেলতলাতো একে কাণ্ড হৈছে, তেওঁলোকে মাটি বেদখল কৰিছে, মানুহে বেদখল কৰাটো বাদ দিছো, Army য়ে চৰকাৰী মাটি

যিমান আছে, Extend কৰি আছে। আমাৰ বতাহঘুলিত মানুহ বিলাকে লাহে লাহে Forest ৰ ফালৰ পৰা আহিব লগীয়া হৈছে এই কাৰণে যে Army য়ে সদায় ১০ ফুট ৩০ ফুট আৰু ৫০ফুট কৈ সিহঁতৰ মাটি বুলি বেদখল কৰি আছে। যেতিয়া মই ১৯৮৫ চনত বিধায়ক হৈছিলো তেতিয়াৰ পৰা বৃদ্ধি কৰি কৰি আনি এতিয়া ৰাস্তাবৰো বন্ধ কৰিছে। Army লৈ আপুনি Speaker হিচাপে কেনেকৈ আগভাগ লয় মই নেজানো আৰু আমচাংখন সুৰক্ষিত কৰিব লাগে এইটো মোৰ আবেদন।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপোনাৰ যদি হাতত আমচাংৰ তথ্য আছে কয় দিয়ক।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমচাঙৰ তথ্য আমাৰ ইয়াত নাই, আমি কিছুমান কথা জানো এই কাৰণে যে আমচাংত কিছুদিন আগতে eviction হৈছে। আমচাঙৰ এই মাটিৰ ঠাইলৈ আজিলৈকে eviction পিছতো মাটি Revenue নে Forest Deptt ৰ এইটো সঠিক কৈ গম পোৱা নাই। সেই কাৰণে আমাৰ মাননীয় বিধায়ক বন্ধু সকল আছে, ভূৰন পেগু ডাঙৰীয়াও আছে আমাৰ অতুল বৰা ডাঙৰীয়া সেইদিনা মিটিংঙত উপস্থিত আছিল। আমি Revenue আৰু Forest লগতে আমাৰ বিধায়ক বন্ধু সকল লৈ বহিছো, বহি আমি এটা কমিটি বনাই দিছো। মাননীয় সদস্য ভূৰন পেগুৰ নেতৃত্বত এখন সমিতি গঠন কৰি দিয়া হৈছে। এই সমিতিয়ে বহি এমাহৰ ভিতৰত ৰিপৰ্ট দিব। কথাটো সঁচা যে আমাৰ মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই যিটো কৈছে হাতীৰ উপদ্ৰৱ আছে।

**শ্ৰীঅতুল বৰা** ঃ অধ্যক্ষ ডাঙৰীয়া, এই বনাঞ্চলত মেথোন আছে। আমাৰ মানুহে দেখা পাইছে। লগতে কৈছো কম সময়ৰ ভিতৰত নৰকাসুৰ, নীলাচল, শান্তিপুৰ এই পাহাৰীয়া এলেকাত নাহৰফুটুকী বাঘৰ বাসস্থান। অধ্যক্ষ ডাঙৰীয়া, এবাৰ মানুহৰ ঘৰত নাহৰফুটুকী সোমাল - বাতৰি কাকতত দিলে মানুহৰ ঘৰত নাহৰফুটুকী - মই পিচদিনা সংবাদ মাধ্যমক ক'লো, মানুহৰ ঘৰত নাহৰফুটুকী নহয় - নাহৰফুটুকীৰ ঘৰতহে মানুহ। কাৰণ বে-দখল কৰি কৰি নীলাচলত মানুহ সোমাই গৈ আছে। নৰকাসুৰত আৰ্মি দিছে। বেলেগ জেগাত দিব লাগিছল। নৰকাসুৰত আৰ্মিক মাটি দিব লাগেনে বাৰু?

**মাননীয় অধ্যক্ষ** ঃ আপুনি গুৰুত্বপূৰ্ণ কথা এটা কৈছে। আজি সদনত ৰাজহ মন্ত্ৰী ডাঙৰীয়া আছে - আৰ্মিক মাটি দিয়া মই যোৰহাটত সম্পূৰ্ণ বন্ধ কৰি দিছো। আমাৰ মূল্যবান মাটিবিলাক আৰ্মিক দি থোৱা হৈছে। যদি কেতিয়াবা আৰ্মিৰ পৰা বিচাৰে তেতিয়া তেওঁলোকে নিদিয়ে। আৰ্মিয়ে কেম্প কৰি এৰি থৈ যোৱা বহু মাটি আছে, সেই মাটি বিলাক আমি আৰু ঘুৰাই নাপাওঁ। সেই কাৰণে কওঁ আৰ্মিয়ে যদি দখল কৰিছে আমি কঠোৰ হ'ব লাগিব। আমাৰ মাটি আৰ্মিক দিয়াত মই কোনো আপত্তি কৰা নাই -আৰ্মিৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে। এইটো এটা গুৰুত্ব পূৰ্ণ বিষয়। আমচাং কথাটো আজিও বাতৰি কাকতত ওলাই আছে। আমি যদি সময়মতে পদক্ষেপ গ্ৰহণ নকৰো বনাঞ্চল নোহোৱা হৈ যাব। সেই কাৰণে মোৰ এটা অনুৰোধ ভূৰন পেগু সমিতিত আছে বুলি কৈছে আৰু এমাহৰ ভিতৰত প্ৰতিবেদন দিব বুলি কৈছে। গতিকে গোটেই কথাখিনি ভালদৰে যাতে চায়। আমি যদি বনাঞ্চল ৰক্ষা কৰিব নোৱাৰো তেতিয়া বন্যহস্তী ক'ত যাব? মানুহৰ মাজলৈ আহিব। ভাৰত চৰকাৰেও এই বিষয়টোক লৈ সচেতন। গতিকে মই ভাবো যে, এইটো এটা বৰ ভাল কথা বৰা ডাঙৰীয়াই কৈছে। এইটো মন্ত্ৰী ডাঙৰীয়াই চাব। এতিয়া প্ৰশ্ন নং ১৪৩ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত বৰ্তমান ৯৪২০ টা পানী যোগান আঁচনি আছে আৰু ইয়াৰে ৮১২২ টা সম্পূৰ্ণ আৰু ১২৯৮ টা নিৰ্মীয়মান অৱস্থাত আছে। এই কেইটাৰ

ভিতৰত ২২৮৮ টা বিকল হৈ আছে। তাৰোপৰি আমাৰ চব্বিশখন জিলাৰ ৬৮৮১ টা চুবুৰীৰ ভূ-গৰ্ভস্থ পানীত আৰ্ছেনিক পোৱা গৈছে বুলি উত্তৰত উল্লেখ কৰিছে। তেৰখন জিলাত ৯৩০ টা চুবুৰীৰ পানীত ফ্লৰাইড পোৱা বুলিও উত্তৰত উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, বিকল হৈ থকা আঁচনিসমূহ আমি কাৰ্য্যক্ষম কৰি তুলিব পাৰিম। কথা হৈছো আৰ্ছেনিক আৰু ফ্লৰাইড যুক্ত পানী আপোনাৰ যোৰহাট জিলাতো আছে। বহুতো জিলাত আজি এই বিষাক্ত পানী জনসাধাৰণে সেৱন কৰি আহিছে। এই বিষয়টো সদনত বহু বাৰ আহিছে আৰু আলোচনাও হৈছে। গতিকে ৰাজ্য চৰকাৰে এই গুৰুত্বপূৰ্ণ বিষয়টোত গুৰুত্ব দিব লাগে। এই কাৰণেই চাৰ আৰ্ছেনিকৰ ফলত নাৰ্ভৰ বেমাৰ হয়, পেৰেলাইচিচ হয়, চালৰ বেমাৰ আদি বিভিন্ন ৰোগ হয়। ঠিক তেনেদৰে ফ্লৰাইডৰ পৰা ফ্ল'ৰোচিচ নামৰ এটা বেমাৰ হয় সেই বেমাৰত মানুহৰ হাড় ভাঙে, দাত ক্ষয় যায় আদি বিভিন্ন বেমাৰ হয়। এতিয়া জানিব পৰা মতে আৰ্ছেনিক আৰু ফ্লৰাইডৰ ফলত কেঞ্চাৰও হয়। গতিকে পুঁজিৰ অভাৱ বুলি কৈ আমি সমস্যাটোৰ পৰা আতৰি থাকিব নোৱাৰো। আমাৰ চৰকাৰৰ মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই কথা বিলাক উত্থাপন কৰিব লাগে আৰু বিষয়টো মুখ্যমন্ত্ৰীৰ লগতো আলোচনা কৰিব লাগে। আমাৰ চৰকাৰৰ আঢ়ৈ বছৰ অতিবাহিত হ'ল গতিকে এই গুৰুত্ব পূৰ্ণ বিষয়টিৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰিহণ দৈমাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই সঁচা কথাই কৈছে। আমাৰ ৰাজ্যখনত আৰ্ছেনিক আৰু ফ্লৰাইডৰ সমস্যাটো এটা ডাঙৰ সমস্যা। নতুন নতুন অঞ্চলত আৰ্ছেনিক আৰু ফ্লৰাইড পোৱা গৈছে। ইতিমধ্যে ২৪ খন জিলা আৰ্ছেনিক আৰু ১৩ খন জিলাত ফ্লৰাইড পোৱা গৈছে। অধ্যক্ষ ডাঙৰীয়া যি বিলাক অঞ্চলত আৰ্ছেনিক পোৱা গৈছে সেইবিলাক অঞ্চলত আমি বিভাগৰ তৰফৰ পৰা আঁচনি ৰূপায়ণ কৰা হৈছে। আমাৰ মাননীয় সদস্য কলিতা ডাঙৰীয়াই কোৱা ধৰণে আৰ্ছেনিক আৰু ফ্লৰাইডৰ সমস্যা নিৰাময় কৰাৰ কাৰণে আমাৰ কোনো পুঁজিৰ অভাৱ হোৱা নাই। আমি আৰ্ছেনিক আৰু ফ্লৰাইডৰ সমস্যা নিৰাময় কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যথেষ্ট পুঁজি পাইছো। আৰ্ছেনিক আৰু ফ্লৰাইডৰ সমস্যা নিৰাময় কৰাৰ কাৰণে আমি ২৪৯৯ টা স্থান সামৰি ইতিমধ্যে কাম কৰিছো। ২২৭ টা আঁচনি ৰূপায়ণ কৰি এই আৰ্ছেনিক আৰু ফ্লৰাইড থকা অঞ্চলসমূহত বিশুদ্ধ খোৱাপানী দিব কাৰণে আমি সক্ষম হৈছো। ইয়াৰ উপৰিও ৬১ টা আঁচনি সেই অঞ্চলসমূহত নিৰ্মিয়মান অৱস্থাত আছে। ২৬৭৮ টা বিন্দুউৎস স্থাপন কৰি আৰ্ছেনিক মুক্তকৰিব বাবে সক্ষম হৈছো। ৪৩৮২ টা স্থান আমাৰ বাকী আছে আৰ্ছেনিক মুক্ত কৰিবলৈ। মই ইতিমধ্যে সদনত অৱগত কৰিছো যে আৰ্ছেনিকৰ সমস্যা নিৰাময়ৰ বাবে কেন্দ্ৰীয় চৰকাৰে আমাক ১২২ টা আঁচনি অনুমোদন দিছে। এই আঁচনি ল'ব বাবে আমি বিভিন্ন জিলাত মাটি বিচাৰিছো কিন্তু সেই অঞ্চলসমূহত আমি মাটি পোৱা নাই। গতিকে মই অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি আমাৰ মাননীয় সদস্যসকলক অনুৰোধ জনাব বিচাৰিছো যে যিসমূহ জিলাত এই আঁচনি বিলাক হ'ব সেই জিলাসমূহত আঁচনি ৰূপায়ণৰ বাবে প্ৰয়োজন হোৱা মাটি উলিয়াই দিয়াত বিধায়কসকলে সহায় কৰি দিয়ে। অধ্যক্ষ মহোদয় আমাৰ তেৰখন জিলাত ফ্লৰাইড পোৱা গৈছে তাৰ সেই স্থান সমূহত আমি ইতিমধ্যে চল্লিছটা খোৱাপানী যোগানৰ আঁচনি ৰূপায়ণ কৰিছো আৰু ৭৪৮ টা বিন্দুউৎস স্থাপন কৰিছো। মাত্ৰ ২৬৭ টা স্থান সামৰি ল'বলৈ আমাৰ বাকী আছে। এই অঞ্চলসমূহত আমি আঁচনি লৈছো। অধ্যক্ষ ডাঙৰীয়া ফ্লৰাইড আৰু আৰ্ছেনিকৰ সমস্যাটো নিৰায়মৰ

বাবে আমাৰ কোনো পুঁজিৰ অভাৱ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** মাননীয় আধ্যক্ষ মহোদয়, মোৰ সমষ্টিত 32 টা এনেধৰণৰ আঁচনি বিকল হৈ আছে। মোৰ সমষ্টিটো হৈছে অসম-মেঘালয় সীমান্তবৰ্তী এটা এলেকা। এই এলেকাটোৰ মেঘালয় অঞ্চলত কিন্তু বাসিন্ধা সকলে গোটেই খোৱাপানীৰ সুবিধা পাই আছে। কিন্তু মোৰ 32 টা আঁচনিৰ 4 টা আঁচনিৰ বাদে বাকীকেইটা বিকল হৈ আছে। বিকল হোৱাৰ কাৰণটো হৈছে, বিগত চৰকাৰৰ দিনত যিবিলাক পানী যোগান আঁচনি লৈছিল, সেই আঁচনি বোৰ একেবাৰেই নিম্নমানৰ আছিল। পাইপৰ অৱস্থা এনেকুৱা যে এখন গাড়ী যদি সেই পাইপেদি উঠি যায়, তেতিয়া পাইপ ভাঙি যায়। গতিকে এতিয়া বিগত চৰকাৰৰ দিনত যিমান আঁচনি লোৱা হৈছিল গোটেইবোৰ বিকল হৈ আছে। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বিগত দিনৰ Scheme ৰ তদন্ত কৰিব নেকি ?

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ ঃ** আধ্যক্ষ মহোদয়, মাননীয় সদস্য কলিতা ডাঙৰীয়াই কৈছে যে কাৰ্বি-আংলংৰ কিছু কিছু অঞ্চলত Fluoride পোৱা গৈছে। এই ক্ষেত্ৰত ইতিমধ্যে আঁচনি লোৱা হৈছে আৰু আঁচনিটো নিৰ্মীয়মান অৱস্থাত আছে। ডাঙৰ সমস্যাটো হৈছে, এই আঁচনিটো পাৰ্বত্য উন্নয়ণ বিভাগৰ জৰিয়তে লোৱা হৈছিল, গতিকে বৰ্তমান কি অৱস্থাত আছে মই অৱগত নহয়। আধ্যক্ষ ডাঙৰীয়া, এই বিষয়ৰ লগত এই সমস্যাটো কেনেদৰে সমাধা কৰিব পাৰি তাৰ কাৰণো আমি আলোচনা কৰিছো।

তাৰোপৰি, যিবিলাক আঁচনি de-funct হৈ আছে, Complete Scheme আছে কিন্তু de-funct হৈ আছে, সেইবিলাক আঁচনি পুনৰ মেৰামতি কৰাৰ কাৰণে মই যোৱা বিত্তীয় বছৰ Rs. 36.00 লাখ টকা প্ৰতিটো বিধান সভা সমষ্টিত দিছিলো আৰু এই বিত্তীয় বছৰত Rs. 50.00 লাখ টকা টকা ইতিমধ্যে আমি প্ৰদান কৰিছো।

গতিকে মই মাননীয় বিধায়ক সকলক আহ্বান কৰিছো যে - তেখেত সকলৰ সমষ্টিৰ আঁচনি সমূহৰ Priority List টো সোনকালে দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** Now, Hon'ble Member Shri Abdur Rahim Ajmal.

**Shri Abdur Rahim Ajmal, MLA ঃ** Hon'ble Speaker Sir, in my Constituency, Tapatjuri Gaon is highly affected by the Arsenic and Fluoride and from time to time, I have requested the concerned Minister about this problem. Once I have discussed this matter with one of colleagues cum friends and then he explained to me that - this polluted water can be a cause of kindney failure and pre-mature death in this areas.

Lots of people are affected and children are also crippled in this situation.

**Hon'ble Speakerঃ** Please come to the point.

**Shri Abdur Rahim Ajmal, MLA ঃ** I want to apprise the Hon'ble Minister Concerned that - this Water Supply Project had been incorporated in the Tapatjuri Gaon. But since last two years, not a

single work of this Project has not been started till date.

**Hon'ble Speaker:** Whether this Project is able to provide you Fluoride Free Water ?

**Shri Abdur Rahim Ajmal, MLA :** Yes Sir, the Public Health Engineering Department had constructed this Scheme only to providing Fluoride Free Water to the local resident of this areas, unfortunately for some unforeseen reason the Project work could not be completed till date.

One more thing is that Sir, is there any provision to provide compensation to the affected people and Children ? I also requested the Hon'ble Minister of PHE to grant a minimum financial aid to the affected people as they are suffering so much. Sir, it needed to provide compensation along with VRP (Handicaped Card). Thank you.

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, দুবছৰ হৈ গল, কাম সম্পূৰ্ণ হোৱা নাই বুলি কৈছে।

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ ঃ** মাননীয় আধ্যক্ষ ডাঙৰীয়া, তপতজুৰি আৰু আকাশীগংগা নামৰ অঞ্চল খিনিকেই আমি বিশেষ ভাৱে Arsenic আৰু Fluoride যুক্ত অঞ্চল হিচাপে চিনাক্ত কৰা হৈছিল। আকাশীগংগা অঞ্চলক আমি চৰকাৰৰ ফালৰ পৰা আমি Surface Water Level ৰ পৰা পানী আহৰণ কৰি পানী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে, কাৰণ এই অঞ্চলৰ মানুহ খিনিয়েই ব্যাপক ভাৱে আক্ৰান্ত হৈছিল। সেয়েহে আমি কিছুমান NGO ৰ লগত লগ লাগি Arsenic আৰু Fluoride আক্ৰান্ত লোক সকলক বিভিন্ন ধৰণৰ ঔষধ, ভিটামিন ইত্যাদি তেওঁলোকৰ মাজত বিতৰণ কৰা হৈছে। এতিয়া তপতজুৰি আঁচনিৰ কাম চলি আছে, আশা ৰাখিছো অতি সোনকালে আমি তাৰ কাম খিনি সম্পূৰ্ণ কৰিব পাৰিম।

Compensation ৰ ক্ষেত্ৰত কব বিচাৰিছো যে - জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগত Arsenic আৰু Fluoride ত আক্ৰান্ত লোক সকলক দিয়াৰ কোনো ব্যৱস্থা নাই। আক্ৰান্ত লোক সকলক চোৰা চিতা কৰা বা অন্যান্য সহযোগীতাৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগ বা সমাজ কল্যান বিভাগৰ লগত যোগাযোগ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Arsenic ৰ Problem টো আমাৰ ইয়াৰো কোনো কোনো ঠাইত দেখা গৈছে। মই জানিব বিচাৰিছো, এই আঁচনি খনৰ কামটো কিয় আজি দুবছৰে বন্ধ হৈ আছে? পুঁজিৰ অভাৱ নে অন্য কিবা কাৰণ আছে ? পুঁজিৰ অভাৱত বন্ধ হৈ আছে যদি আপুনি কিছু Special steps লব লাগিব। (এতিয়াৰ প্ৰশ্নকৰ্তা ডঃ নোমৰ মুমিন)।

**ডঃ নোমল মুমিন, বিধায়ক ঃ** চাৰ, Arsenic আৰু Fluoride ৰ প্ৰশ্ন যোৱা বাৰো আহিছিল, এইবাৰো আহিছে আৰু আহিয়েই থাকিব। আমি যদি এই সমস্যা বিলাক সোনকালে সমাধা কৰিব বিচাৰো, তেতিয়াহলে আমি Directorate of Health Service ৰ পৰা Report Collect কৰি Arsenic আৰু Fluoride affected areas বিলাক চিনাক্ত কৰি Zone wise Special Package বনাই প্ৰতিটো Department ৰ Budget allocation ৰ পৰা 5% কৈ Divert কৰি সেই অঞ্চল বিলাকত বিশুদ্ধ খোৱাপানীৰ যোগানৰ ব্যৱস্থা কৰিব লাগে।

শেষত আৰু এটা কথা কব বিচাৰিছো যে - এইবোৰ ঠাইত যি Skeleton Disorder আৰু Neurological Disorder হয় সঁচা, কিন্তু Cancer disease টো Pleurisis বা Fluoride ৰ বাবে হয় বুলি আজিলৈকে কোনো Paper ৰত Publish হোৱা নাই, গতিকে এই কথাটো সত্য নহয়।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে প্ৰথমে দিয়া Suggestion টোৰ ওপৰত কলে ভাল হয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ ঃ** মাননীয় আধ্যক্ষ ডাঙৰীয়া, Arsenic আৰু Fluoride metegate কৰিবলৈ পুঁজিৰ অভাৱ হোৱা নাই। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে 112 টা Scheme ত অনুমোদন জনাইছে। ডাঙৰ কথাটো হল, যিবিলাক অঞ্চলত আমি Scheme বিলাক দিব বিচাৰিছো, সেই অঞ্চল বিলাকত Scheme টো Implement কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ মাটি পোৱা নাই। সেয়েহে মই আজি সেই অঞ্চলৰ বিধায়ক সকলক অনুৰোধ কৰিব বিচাৰিছো যে - মাটি আবণ্টন দিয়াৰ ক্ষেত্ৰত আপোনালোকে যেন সহযোগিতা কৰে, তেতিয়াহে কামটো সোনকালে আৰম্ভ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** আজিৰ শেষৰটো কমলাক্ষ্য দে পুৰকায়স্থৰ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক ঃ** মাননীয় আধ্যক্ষ মহোদয়, প্ৰতিটো ঠাইতে এ কেই সমস্যা। এই Water Supply Scheme বিলাকত Department এ কৰ্মী নিয়োগ নকৰাৰ ফলত এই আঁচনি বিলাক ফলপ্ৰসু হোৱা নাই, কাৰণ একো একোজন কৰ্মীয়ে 3/4 টা ঠাইত এই Project ৰ Scheme বোৰ চলাব লগীয়া অৱস্থাৰ সৃষ্টি হৈছে। Land owner হিচাপে 2014 চনত কিছু সংখ্যক লোকক volunteer হিচাপে নিযুক্তি দিয়া হৈছিল, সেইমতে পাঁচ মাহ দৰমহাওঁ পালে, তাৰ পিছত আৰু আজিলৈকে দৰমহা ৰোৱা নাই। এই Plant বিলাক voluntere বিলাকেই চলাই আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ question টো main question ৰ লগত Related নহয়, গতিকে আপুনি আৰু কব নালাগে।

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিভাগত যিবিলাক খালাচী পদ আছিল (প্ৰায় 4000), সেই সকলোবোৰ বিলুপ্ত কৰা হৈছে, সেইবাবে এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছে। আমি প্ৰতিবাৰেই সদনত অনুৰোধ জনাই আহিছো যে Users Committee গঠন কৰিব লাগে, যাতে আঁচনি সমুহ সফল ভাৱে ৰূপায়ণ কৰিব পাৰো। এতিয়াৰ প্ৰশ্নকৰ্তা উৎপল দত্ত। এতিয়া যিবিলাক মানুহে আন্দোলন কৰি আছে, তেওঁলোক আমাৰ বিভাগৰ মানুহ নহয়, কাৰণ আমি তেওঁলোকক দৰমহা নিদিওঁ।

**মাননীয় অধ্যক্ষ ঃ** আজি সদনৰ প্ৰশ্নোত্তৰ কালচোৱাত ১, ২ আৰু ৩ নং প্ৰশ্নত কেইটামান ভাল প্ৰশ্ন সুধিছে, সেইবাবে মই প্ৰশ্নকৰ্তা বিধায়ক সকলক ধন্যবাদ জ্ঞাপন কৰিছো।

**ডাঃ নোমল মমিন ঃ** ...... এইটো অসত্য কথা। তেওঁলোকে কাম সম্পূৰ্ণ নকৰাকৈ আধৰুৱা কৰি বিলৰ কাৰণে দৌৰি আছে। সেইকাৰণে কামটো সম্পূৰ্ণ হোৱা নাই। তেওঁলোকে ভাৱিছিলে নেকি যে কাৰ্বিআংলঙৰ পাহাৰীয়া ঠাইত কামটো তেনেদৰে কৰিলে বিলটো সোনকালে পাব। তেনেকুৱা এটা ইমপ্ৰেশ্যন লৈ ঠিকাদাৰে গুৱাহাটীলৈ তাঁতবাতি কৰি আছে। গতিকে এইটো সত্য নহয়। তেওঁলোকক ষ্ট্ৰিকলি ইনষ্ট্ৰাকশ্যন দিব লাগে। পানী শুকাই গ'ল এতিয়া খৰালি আহিছে। এই দুইমাহৰ ভিতৰতে যাতে তেওঁলোকে কামটো সম্পূৰ্ণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমাৰ বিভাগৰ গ্ল’ ৰিভ’লিউশ্যনৰ জৰিয়তে কিছুমান পুখুৰী হৈছিলে।তেওঁক আমি ধন্যবাদ জনাইছো যে তেওঁ নিজেই অকনমান চোৰাচিতা কৰে। এই ক্ষেত্ৰত আমি বিধায়ক হিচাবে সম্পৰ্ক ৰখাৰ কাৰণে বিভাগৰ ফালৰ পৰা ধন্যবাদ জনাইছো। আমি ইয়াত দেখাইছো যে ৫০ শতাংশ সম্পূৰ্ণ হৈছে কিন্তু পেমেণ্টটো হোৱা নাই আৰু বাকীখিনিও ৰাটাৰ লগিঙৰ কাৰণে কৰিব পৰা নাই। মই ইয়াত লিখি দিছো যে নেক্সট ড্ৰাই চিজনত কামটো সম্পূৰ্ণ হ’ব। ৰাটাৰ লগিং হ’লে মাটি পট্টাৰ ক্ষেত্ৰত অসুবিধা হয় আৰু ড্ৰাই চিজনত কামটো সম্পূৰ্ণ কৰিবৰ কাৰণে আমাৰ বিভাগৰ ফালৰ পৰা দায়িত্ব লোৱা হ’ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। পিছৰ প্ৰশ্ন ১৪৫। শ্ৰী উৎপল দত্ত।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ দিয়া আছে।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন সুধিছিলো কৰবাত ভুল হৈছে। সেইকাৰণে ভুলকৈ উত্তৰটো আহিছে। সেয়ে মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই কথা এটা জানিব বিচাৰিছো যে লখিমপুৰৰ বছা গাওঁত ৯ বিঘা মাটি লোৱা হ’ল। তাতে ওৱাল এখনো বনোৱা হ’ল। গ্ৰ’থ চেণ্টাৰ হ’ব বুলিও কৈছে। গতিকে কেতিয়া হ’ব কি হ’ব এই কথাটো জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নটো ভুলকৈ শুধিছে। সেয়েহে উত্তৰটো তেনেকৈ পাইছে। তেওঁ সুধিছে যে এ আই আই ডি চি য়ে কিবা গ্ৰ’থ চেণ্টাৰৰ কথা চিন্তা কৰিছে নেকি ? আমাৰ উদ্যোগ বিভাগত এ আই ডি চি, এ আই আই ডি চি এনেকুৱা ধৰণৰ কেইবাটাও ক’ৰপৰেশ্যন আছে। গতিকে এই আই আই ডি চি ৰ নামত মাটি দিয়া হোৱা নাই। মাটিখিনি আছে জি এন ডি আই চি ইণ্ডাষ্ট্ৰী লখিমপুৰৰ নামত আৰু বছাগাওঁত যে সেই ৯ বিঘা মাটি লোৱা হৈছে । ইতিমধ্যে তাত ওৱালৰ কাম আৰু মাটি কাটি ফিলাপ কৰাৰ কামত এতিয়ালৈকে ৭৯,১৬,৯৮৪ টকা তাত খৰছ কৰা হৈছে আৰু তাত চাৰিওফালে পকী ওৱালও দিয়া হৈছে। কামখিনি বৰ্তমান চলি আছে। এই ৯ বিঘা মাটি আমি গ্ৰ’থ চেণ্টাৰৰ কাৰণে ৰূপান্তৰিত কৰিম। যদি কোনো উদ্যোগপতিয়ে তালৈ গৈ উদ্যোগ গঢ়িব বিচাৰে তেন্তে তাতে আমি তেওঁলোকক মাটি দিব পাৰিম। তাত আৰু কিছু কাম আছে। ইলেক্ট্ৰিফিকেশ্যন, অন্যান্য ডেভেলপমেণ্টৰ কাম আছে। গতিকে তাত ইণ্ডাষ্ট্ৰীয়েল গ্ৰ’থ চেণ্টাৰেই হ’ব আৰু মাটিখিনি উদ্যোগ আৰু বাণিজ্যিক কামতে ব্যৱহাৰ কৰা হ’ব।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান দ’ ঠাই এটুকুৰাত গ্ৰ’থ চেণ্টাৰ বনাবলৈ ললে তাত মাটি ফিলাপ কৰাকে ধৰি বাকী কামখিনি কেতিয়া কৰিব এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই অকনমান জনালে ভাল পাওঁ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অন গয়িং প্ৰচেছ। আজি মই ক’ব নোৱাৰো যে এইটো ১০ দিনতে ফিলাপ হ’ব। কিন্তু ফিলাপও হ’ব, ইণ্ডাষ্ট্ৰিয়েল গ্ৰ’থ চেণ্টাৰোহ’ব আৰু যদি কোনোবা উদ্যোগপতি ইন্টাৰেচটেড হয় তেতিয়াহ’লে তেওঁলোকক উদ্যোগৰ কাৰণে তাত মাটিও দিয়া হ’ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪৬। শ্ৰী ওৱাজেদ আলী চৌধুৰী

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নটো প্ৰত্যেক বিধান সভাতেই কৰি আহিছো আৰু উত্তৰ এটাই পাইছো যে তাত খোৱা পানীৰ কাৰণে ফিল্টাৰৰ ব্যৱস্থা কৰা হ’ব।

মই বিচাৰি আছো আচঁনি। এটা বৃহৎ এলেকা কেইবাখনো গাওঁ বিলপাৰা, শান্তিপুৰ, ফকিৰগঞ্জ, পামপাৰা আদিত আক্ৰান্ত হৈ গৈছে। গতিকে তাত অকল ফিল্টাৰ দি সমস্যা সমাধান নহ'ব। সেই পানী বিলাক ব্যৱহাৰ কৰাৰ কাৰণে তাত স্কীন বিলাক ডেমেজ হৈ গৈছে, জ্বলি গৈছে। গতিকে তাত এটা আঁচনি গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া তাত কিবা আঁচনি ল'ব নেকি ? উত্তৰটো দিয়ক।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০১৬ চনৰ পৰা তাত আৰ্চেনিক মুক্তকৰন ফিল্টাৰ দিয়া হৈছিলে তাত তেনেকুৱা ধৰণৰ কোনো আঁচনি দিয়া নাছিলে আৰু ইতিমধ্যে যিকেইটা পঞ্চায়তৰ কথা কোৱা হৈছে সেইবিলাক পঞ্চায়তত আমি আচনি ল'বৰ কাৰণে ইতিমধ্যে সিদ্ধান্ত লৈছো। ১১ টা পাইপ ৱাটাৰ চাপ্লাই স্কীম লবৰ কাৰণে আমি ইতিমধ্যে সিদ্ধান্ত লৈছো। মই ইতিমধ্যে কৈছো যে আমাক তাত মাটি লাগিব। যদি পাৰমানেণ্ট এলেকা আছে তাত আমি পাইপ ৱাটাৰ চাপ্লাই স্কীমটো লব পাৰিম খালী আপুনি আমাক মাটিটো দিওঁতে যাতে সহায় কৰে। আমি ইতিমধ্যে ১১ টা স্কীম প্ৰস্তাৱ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১৪৭। শ্ৰী গুৰুজ্যোতি দাস। মিনিষ্টাৰ, মীন বিভাগ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো সদনৰ মজিয়াত মই সুন্দৰ ভাৱে পাইছো। কথাটো হ'ল এই চাৰিশ- পাঁচশ বছৰীয়া পুৰণি এই ঐতিহাসিক পুখুৰীটো কেনেকুৱাকে ব্যক্তিগত পৰিয়াল এটাই পৈত্ৰিক সম্পত্তি হিচাবে ভোগ কৰি আছে আৰু তিনি নম্বৰ প্ৰশ্নটোত কৈছে যে আদালতৰ গোচৰ হৈ আছে। ৰাইজৰ পৰা জানিব পৰা মতে মহামাণ্য উচ্চ ন্যায়ালয়ে এইটো চৰকাৰী বুলি ইতিমধ্যে ঘোষনাও কৰিছে। তাৰপিছত আকৌ ল'ৰাৰ কোৰ্টত যোৱা বুলিও ওলাইছে। এতিয়া আমাৰ সদনত ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া আৰু পুৰাতত্ব বিভাগৰ মন্ত্ৰী ডাঙৰীয়াও আছে। মই অনুৰোধ জনাম যে এই ঐতিহাসিক ১২০ বিঘাতকৈও অধিক এলেকাৰ পুখুৰীতো যাতে চৰকাৰীকৰণৰ ব্যৱস্থা কৰে, ব্যক্তিগত কৰণৰ পৰা যাতে মোকলায়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, উত্তৰটো দিয়ক।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে মহামাণ্য আদালতৰ ন্যায়ৰ প্ৰতি আমি সন্মান জনাব লাগে আৰু আমি সন্মান জনাই থাকো। যোৱা ১৯৮৮ চনত অসম চৰকাকৰ তৰফৰ পৰা মহামান্য উচ্চ ন্যায়ালয়ৰ জৰিয়তে পুখুৰীটো জব্দ কৰিবৰ বাবে হুকুম দিয়ে যদিও সেই হুকুমৰ বিপৰীতে মৃত নুৰুল ইছলামে মহামান্য উচ্চ ন্যায়ালয়ত আপীল কৰে আৰু সেই আপীল মৰ্ম্মে মহামান্য উচ্চ ন্যায়ালয়ে জব্দ কৰা হুকুমটো নাকচ কৰে। তাৰপিছত ইংৰাজী ১৯৯০ চনত মহামান্য উচ্চ ন্যায়ালয়ে পুনৰ জব্দ কৰাৰ হুকুম দিয়ে। ইং ১৯৯২ চনত মহামান্য উচ্চ ন্যায়ালযে আপীল মৰ্ম্মে জব্দ কৰা হুকুমটো পুনৰ নাকচ কৰে। আকৌ ইং ২০১২ চনত অসম চৰকাৰৰ তৰফৰ পৰা মহামান্য উচ্চ ন্যায়ালয়ে আৰক্ষীৰ জৰিয়তে পুখুৰীৰ পাৰত ৰঙা পতাকা মাৰি ৰাজহুৱা বুলি ঘোষণা কৰে যদিও পৰৱৰ্তী সময়ত পুনৰ আপীল মৰ্ম্মে মহামান্য উচ্চ ন্যায়ালয়ৰ জৰিয়তে অসম চৰকাৰৰ হুকুমটো নাকচ কৰে আৰু আৰক্ষীৰ জৰিয়তে পুখপৰীৰ পাৰত মাৰি যোৱা ৰঙা পতাকা উঠাই লৈ যায় আৰু বৰ্তমানলৈ মহামান্য উচ্চ ন্যায়ালয়ত বিষয়টো বিচৰাধীন হৈ আছে।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** এতিয়া Point of Order। শ্ৰী কমল সিং নাৰ্জাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়ক (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই Point of Order

ৰ জৰিয়তে আপোনাক ধন্যবাদ জনাব বিচাৰিছো যে যোৱা ২৭ তাৰিখে আপুনি আমাক ৰুল নং ৫৪ ত বৰ্তমান কোকৰাঝাৰ ইউনিভাচিটি সম্পৰ্কে আমাক যি বক্তব্য ৰাখিবলৈ দিছিল, তাৰ বাবে কালি আপোনাৰ জৰিয়তে আমাৰ মাননীয় মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত নতুন উপাচাৰ্য্য নিযুক্তি দিলে। তাৰ বাবে মই ধন্যবাদ দিছো। ইয়াৰ লগতে মই আমাৰ বিধান সভাৰ সকলো সদস্য, সংবাদ মাধ্যমৰ সকলোৰে লগতে বিষয়া কৰ্মচাৰী আৰু ৰাইজকো ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ.** ঃ এইটো অতি ভাল হৈছে আৰু ইয়াৰ জৰিয়তে এটা সমস্যাৰ সমাধান হৈছে। এতিয়া পইণ্ট অফ অৰ্ডাৰ। শ্বেৰমান আলী ডাঙৰীয়াই কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক (বাঘবৰ) ঃ** মোৰ Unstarred Question-348 আছিল। ইয়াত মই প্ৰশ্ন কৰ্ত্তা অথচ মোৰ প্ৰশ্নটোত কোনোধৰণৰ Annexure দিয়া হোৱা নাই। এতিয়া মই Call কৰি ল'লো। প্ৰশ্ন কৰ্ত্তাক Annexure দিব লাগে।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** প্ৰশ্ন কৰ্ত্তাক এটা Annexure দিব লাগে, এই বিষয়টো মই চাম।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বিধায়ক (বাঘবৰ) ঃ** দ্বিতীয় কথাটো হৈছে চাৰ, উত্তৰবোৰো সম্পূৰ্ণভাৱে অহা নাই। Question-No. B ত আছিল যে What is the stipulated Date of completion? এই প্ৰশ্নটোৰ উত্তৰো বিভাগৰ ফালৰ পৰা নিদিলে। তেওঁলোকে Simply no বুলি কৈ থৈ দিলে। মোৰ মন্ত্ৰী মহোদয়ক আৰু এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে মোৰ এটা প্ৰজেক্ট আৰম্ভ হৈছিল। ০৫-০৯-২০১১ তাৰিখত ৭ বছৰ পাৰ হৈ গ'ল আৰু এটা প্ৰজেক্ট আৰম্ভ হৈছিল ০৫-১১-২০১৩ তাৰিখত। প্ৰায় ৫ বছৰ পাৰ হৈ গৈছে আৰু মামোন নোংৰা আৰম্ভ হৈছিল আজিৰ পৰা প্ৰায় ১১ বছৰ আগত আৰু ঠিকাদাৰ সকলৰ সময় মাত্ৰ ৩০ দিন।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কোৱা কথাখিনি সদনত উত্থাপন কৰিছে, মন্ত্ৰীয়ে শুনিছে, তেওঁ তাৰ উত্তৰ দিব। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণি) ঃ** মোৰ এটা প্ৰশ্ন আছিল Unstarred-307 ত। "গিবন অভয়াৰণ্যৰ লগত সংগতি ৰাখি হাতী-মানুহৰ সংঘাত।" মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যদিও তেওঁ আমাক জনাইছে যে এই সম্পৰ্কে তেওঁলোকে বিভিন্ন আঁচনি লৈছে। কিন্তু এতিয়া ধান পকিবৰ সময় হৈছে আৰু হাতী-মানুহৰ সংঘাত ইতিমধ্যে আৰম্ভ হৈছে। প্ৰত্যেক বছৰে মৰিয়ণি সমষ্টিতে হাতীয়ে প্ৰায় দুই-তিনিজন মানুহ মাৰে। হাতীৰ সুৰক্ষা সমিতি বুলি প্ৰত্যেক অঞ্চলতে বনোৱা হয়। কিন্তু আমি এতিয়াও টৰ্চ লাইটৰ বাবে বাট চাই আছো। সেয়েহে চৰকাৰৰ পৰা আমি এটা বাৰ্তা পাম নেকি যে য'ত হাতী-মানুহৰ সংঘাত হৈছে, তাত টৰ্চ লাইটৰ যোগান ধৰে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক সকলোৱে যাৰ টৰ্চৰ প্ৰয়োজন আছে, মন্ত্ৰী ডাঙৰীয়াক এখন লিখিত দিয়ক মই এই বিষয়ে মন্ত্ৰীক চাবলৈ দিম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা Unstarred Question-344 আছিল। মই সুধিছিলো মুঠতে অসমত নিবনুৱা যুৱক-যুৱতী কিমান আছে? মই তাৰ উত্তৰটো পালো আৰু লগতে মই সুধিছিলো যে তাৰ ভিতৰত কিমানজনৰ কৰ্ম সংস্থানৰ ব্যৱস্থা লোৱা হৈছে? এই বিষয়ে বিভাগৰ পৰা জনাইছে যে তথ্যখিনি সংগ্ৰহ কৰি থকা হৈছে। আমি যদি অসম বিধান সভাত যদি তথ্য নাপাওঁ, তেতিয়াহ'লে প্ৰশ্ন কৰাৰ কি অৰ্থ থাকে? এই বিষয়ে মই বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কেতিয়াবা বহুত তথ্য বিচাৰিলে সময় মতে তথ্য দিয়াত দেৰী হয়। কিন্তু মই এই

প্ৰশ্নটো নিজে চাম আৰু আপুনি ইয়াৰ উত্তৰ পাব, তাৰ বাবে মই Ensure কৰিছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই প্ৰথম দিনাৰ বিধান সভাত ৩০১ নংত এটা প্ৰশ্ন উত্থাপন কৰিছিলো যে কিন্তু মই ইয়াৰ উত্তৰ নাপালো।

**মাননীয় অধ্যক্ষ ঃ** এইটো কিহৰ বিষয় আছিল,মই এই বিষয়টো চাম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো জলসম্পদ বিভাগৰ চীনৰ পানীৰ সম্পৰ্কে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া নোমল মোমিন ডাঙৰীয়াই কওঁক।

**ডাঃ নোমল মোমিন, বিধায়ক (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল-৩৩৬ৰ। তাত বোকাজানৰ ITI Administrative Approval-2013-14 ত দিছিল। তেওঁলোকে জনাইছে যে Budget provision available আছে। কিন্তু ২০১৬ চনৰ পৰাই বন্ধ হৈ আছে। এইটো কিহৰ কাৰণে হৈছে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মোৰ আৰু এটা কথা দৃষ্টি গোচৰ হৈছে যে মূল কাকতখনত Unstarred Question-300 লৈ আছে । কিন্তু এটা টুকুৰা মোৰ তালৈ আহিছে য'ত ৩৩৬ লৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো নিশ্চয় কিবা বিসংগতি হৈছে। আপুনি মোৰ তালৈ আহিব। মই চাই দিম। এতিয়া শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই কওঁক।

**শ্ৰী মৃণাল শইকীয়া, বিধায়ক, (খুমটাই) ঃ** মোৰ এটা Starred Question-152 বন বিভাগৰ ওপৰত আছিল। মই তাৰ উত্তৰটো জানি আচৰিত হৈছো যে বন বিভাগে জনাইছে যে বালিৰ মূল্যৰ ওপৰত বন বিভাগৰ কোনো এক্তিয়াৰ নাই। ইয়াৰ অৰ্থ হ'ল যে সকলো বস্তুৰ ওপৰত যেনেকৈ MRP থাকে, বালিৰ নাথাকে। অৰ্থাৎ বনবিভাগে মহলদাৰক গতাই দিয়ে আৰু মহলদাৰে নিজৰ ইচ্ছামতে বালিৰ দাম নিৰ্ণয় কৰে। যাৰ ফলত এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছে যে মানুহে ঘৰ বনাব নোৱাৰে ঠিকাদাৰে বিল্ডিং বনাব নোৱাৰে উচ্চ দামৰ বাবে। ইয়াৰ ওপৰত চৰকাৰে বিহীত ব্যৱস্থা লবৰ বাবে মই অনুৰোধ জনাইছো। মোৰ দ্বিতীয় Question টো-338 জল পৰিবহন বিভাগৰ ওপৰত। জল পৰিবহন বিভাগত এতিয়া 4098 জন কৰ্মচাৰী আছে আৰু মাহে তেওঁলোকৰ দৰমহাৰ কাৰণে খৰচ হয়, 11কোটি 12 লাখ টকা। এই কৰ্মচাৰী সকলে কি কাম কৰে? মোৰ আন এটা প্ৰশ্নৰ উত্তৰত দিছে যে চৰকাৰী ভূটভূটী এখনো নাই আৰু বে-চৰকাৰী ভূটভূটীৰ ওপৰত চৰকাৰৰ কোনো এক্তিয়াৰ নাথাকে। তেওঁলোকৰ যান্ত্ৰিক সুস্থতা পৰীক্ষা কৰাৰ কোনো নীতি-নিয়ম নাই। তাৰ মানে বে-চৰকাৰী ভূটভূটীসমূহ কাৰিকৰী ভাৱে সক্ষম নহয়, ব্ৰহ্মপুত্ৰৰ ওপৰত চলি থাকিব পাৰে। যাৰ কাৰণে আমাৰ দুৰ্ঘটনাসমূহ ঘটি থাকে আৰু জলসম্পদ বিভাগৰ কৰ্মচাৰীও কমাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** কালি আমাৰ এই বিষয়ত প্ৰায় ডেৰ ঘণ্টা আলোচনা হৈছে আৰু এখন বিলো হৈছে। ইয়াৰ প্ৰশ্নৰ উত্তৰটো বিলখন অহাৰ আগতে উত্তৰ দিছিল। এতিয়া বিলখন Regulate হ'ব।

**শ্ৰী শিলাদিত্য দেৱ, বিধায়ক (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১১ জন বিধায়কে আপোনাক এটা আবেদন কৰিছিলো ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়াও এইটো লোৱা নাই। এই বিষয়ে Leader of the House ৰ লগত আলোচনা কৰিব লাগিব। আবেদখন ল'লে আপোনালোকে গম পাব। আমি এতিয়া দুই নং কাৰ্য্যসূচী লৈ যাম। যোৱা ২৫ চেপ্তেম্বৰ ২০১৮ তাৰিখে বহা কাৰ্য্যউপদেষ্টা সমিতিৰ বৈঠকত

উপস্থিত থকা সকলো সদস্যৰ লগত আলোচনা কৰি নিম্ন মঞ্জুৰীটো অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাছনি কৰা হয়। বাকী সমূহ সময় থাকিলে ক্ৰম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হয়। প্ৰথম মঞ্জুৰী যিটো আমি সকলোৱে মিলি BAC মিটিঙত সিদ্ধান্ত লৈছিলো, সেইটো হৈছে, ১৪ নম্বৰ গ্ৰ্যাণ্ট আৰক্ষীত। এতিয়া এই মঞ্জুৰীটোৰ ওপৰত আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ শ্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ হৈ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্য মন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ হৈ মই উত্থাপন কৰিব বিচাৰিছো আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ অনুমোদন ক্ৰমে প্ৰস্তাৱ কৰিব খুজো যে ২০১৯ চনৰ 31 মৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ আৰক্ষীৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১৫ হাজাৰ ৯ শ ১৮.৯৮ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই ইয়াৰ ওপৰত এতিয়া দুটা কৰ্তন প্ৰস্তাৱ পাইছো। প্ৰথম কৰ্তন প্ৰস্তাৱটো শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ আৰু দ্বিতীয়টো প্ৰস্তাৱ হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ। গতিকে কৰ্তন প্ৰস্তাৱটো দুটা দলৰ এজন এজনে কৈ দিলে ভাল হ'ব।

**মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ পৃষ্ঠা নং ৫৪ ৰ পৰা ৮৩ ত থকা আৰক্ষী শিতানৰ **১৪** নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য কৰা সমগ্ৰ ১৫,৯১৮.৯৮ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৫, ৯১৮.৯৮ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক । কৰ্তন প্ৰস্তাৱ হিচাপে আমি এই প্ৰস্তাৱটো দাঙি ধৰিছো।

অধ্যক্ষ মহোদয়, ইয়াত দৰমহা আৰু অন্যান্য ক্ষেত্ৰত যিখিনি আছে, তাৰে মাত্ৰ দুটামান উদাহৰণ মই দিব বিচাৰিছো। পুলিচৰ বাবে বাজেটৰ ৫.৯% ধাৰ্য কৰা হৈছে আৰু এইটো National average- ৩.৯% তকৈ বেছি। কিন্তু, ২০১৫-১৬ চনত যিমান ব্যয় কৰা হৈছিল তাতকৈ চৰকাৰে প্ৰকৃত ব্যয় ২৭%/২৮% কমকৈহে কৰিব পাৰিছে। ৬৫,৬১১ টা postৰ যি sanction দিয়া হৈছিল তাৰ ১৬% এতিয়াও vacant হৈ আছে। যিহেতুকে আমি দৰমহা আৰু অন্যান্য বিষয়ত আলোচনা কৰিম, গতিকে কেইটামান তথ্য দাঙি ধৰিব বিচাৰিছো। অসমৰ ক্ষেত্ৰত, ২০১৬ চনত IPC অনুসৰি crime per lakh population আছিল ৩১৪। কিন্তু National average ত crime per lakh population আছিল ২৩৪। গতিকে কিমান দক্ষতাৰে আমাৰ কাম খিনি হৈছে সেই কথাটো বিচাৰ্যৰ বিষয়। ঠিক তেনেদৰে, ২০১৬ চনত conviction ৰ National average হৈছে ৪৭% আৰু অসমত মাত্ৰ ১২%। এই বিধান সভাতে বিভিন্ন তথ্য উন্মোচিত হৈছে যে আমি বাল্য বিবাহৰ ক্ষেত্ৰত কেনেধৰণে সজাগতা আগবঢ়াব লাগে। কিছু দিন আগতে বাল্য বিবাহৰ সংখ্যা প্ৰায় ৩২ টা আছিল, এতিয়া তিনিশৰো অধিক হৈছে। আমাৰ বিভাগটোৱে এই গোটেই বিষয়বোৰ যাতে আৰু অধিক দক্ষতাৰে পৰিচালিত কৰে তাৰ বাবে আলোচনাৰ প্ৰয়োজন। এই কৰ্তন প্ৰস্তাৱৰ যোগেৰে আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাই আমাৰ কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া হাফিজ বচিৰ আহমেদ ডাঙৰীয়াৰ কৰ্তন প্ৰস্তাৱটো মামুন ইমদাদুল হ'ক ডাঙৰীয়াই দাঙি ধৰিব।

**শ্ৰী মামুন ইমদাদুল হ'ক, (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ৰখাৰ সুবিধা দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে প্ৰায় ৮ টা কাৰণ দিছে যে মঞ্জুৰী নং ১৪ ত উল্লেখ কৰা টকা খিনি কিয় লাগে। প্ৰথমতে দিছে যে, দৰমহা আদায় দিয়াৰ বাবদ অতিৰিক্ত ৭২১৪.৬১ লাখ টকাৰ আৱশ্যক। অধ্যক্ষ মহোদয়, কথাটো হ'ল যে, আমি দৰমহা দিবই লাগিব, দৰমহা নিদিলে পুলিচ চলিব নোৱাৰিব। Police is an integral part of the entire administrative system. গতিকে দৰমহাৰ কথাটো আমি deny কৰিব নোৱাৰো। আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই এই পইচা খিনি sanction দিয়াৰ পিছত বা sanction দিয়াৰ ক্ষেত্ৰত যিখিনি কথা কৈ গ'ল, সেই কথাখিনি মনত ৰখাটো দৰকাৰ যে পুলিচ বিভাগটোৱে কিমান দক্ষতাৰে কাম কৰি আছে, কিমান খিনি সফল বা বিফল হৈছে এই গোটেইবোৰ কথা আমি চালি-জাৰি চোৱাটো দৰকাৰ। আমাৰ চৰকাৰে দৰমহা অকল পুলিচ বিভাগকে দিয়ে, এনে নহয়। সকলো বিভাগতে দিয়ে। কিন্তু কথা হ'ল যে পুলিচক কিয় দিয়া হয়? পুলিচৰ কাম কি, দায়িত্ব কি, দায়বদ্ধতা কি- এই সকলোবোৰ কথা আমি চালি-জাৰি চাব লাগিব। আমি যেতিয়া স্কুলত আছিলো, তেতিয়া স্কুলৰ চাৰ সকলে POLICE শব্দৰ প্ৰত্যেকটা আখৰৰ অৰ্থ শিকাইছিল। P মানে Polite, O মানে obedient, L মানে liable, I মানে intelligence, C মানে character ভাল হ'ব লাগিব আৰু E মানে efficient হ'ব লাগিব। গতিকে এই আখৰকেইটাৰ অৰ্থ প্ৰত্যেকজন পুলিচৰ গাত থাকিব লাগিব, আৰু এনে হ'লেহে তেখেতক Perfect Police বুলি ক'ব পৰা যাব। মই একেবাৰে পুলিচৰ গাত এই গুণ সমূহ নাই বুলিও কোৱা নাই। কিছু সংখ্যক পুলিচৰ আচাৰ ব্যৱহাৰ বা আচৰণ আমি সংবাদ মাধ্যমৰ যোগেৰে বা বিভিন্ন পৰ্যায়ৰ মাজেৰে আমি দেখিবলৈ পাওঁ। অধ্যক্ষ মহোদয়, এসময়ত আপুনি অধিবক্তা আছিল আৰু বিধায়ক হোৱাৰ আগতে মইয়ো অধিবক্তা আছিলো। গতিকে directly য়েই হওঁক বা indirectly য়েই হওঁক, পুলিচৰ লগত আমাৰ সম্পৰ্ক আছিল। তেতিয়া আমি দেখিবলৈ পাইছিলো যে পুলিচ সকলে থানাত কি কাম কৰি থাকে। অলপ দিন আগত যেতিয়া সদনত সীমা আৰক্ষীৰ সম্পৰ্কত আলোচনা হৈছিল তেতিয়া খুউব হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল আৰু সেই সময়ত মন্ত্ৰী মহোদয়ে সদনত আছিল। বহু ক্ষেত্ৰত দেখা গৈছে যে, পুলিচ সকলে ঘৰত বহি বহিয়ে Court ৰ যি case diary ৰ কথা সমূহ গল্প আকাৰে লিখে। Case diary লিখিবৰ বাবে চৰকাৰে দৰমহা দিয়ে কিন্তু প্ৰায়বোৰ পুলিচ থানাত আমি দেখিবলৈ পাওঁ যে পুলিচ সকলে নিবনুৱা ল'ৰা কিছুমানক contractual basis ত, officially নহয়, থানাৰ case diary লিখিবৰ বাবে শিকাই দিয়ে আৰু গল্প আকাৰে লিখাৰ বাবে নিৰ্দেশ দিয়ে। মই ইতিমধ্যে কৈ গৈছো যে, Police administration টো General administration ৰ এটা integral part. বৰ্তমান যুগত পুলিচ প্ৰশাসন অবিহনে আমি প্ৰশাসন ব্যৱস্থাটো কল্পনা কৰিব নোৱাৰো। কিন্তু অধ্যক্ষ মহোদয়, আমি যদি অলপ পিছলৈ যাওঁ তেতিয়া দেখিবলৈ পাম যে, আগতে পুলিচ ব্যৱস্থাটো নাছিল। দেশ শাসন কৰা যিটো ব্যৱস্থা আছিল সেইটো পুলিচৰ সলনি Army সকলে পালন কৰিছিল। আমাৰ যেতিয়া ইয়াণ্ডাবু সন্ধি হৈছিল, তাৰ পিছতহে পুলিচৰ ব্যৱস্থাটো লাহে লাহে আহিবলৈ লৈছিল। ১৮৩৫ চনত নগাওঁৰ এজন পুলিচ বিষয়া, Mr. Grange ৰ নেতৃত্বত অসমৰ নগাওঁ জিলাত প্ৰথম পুলিচ ব্যৱস্থাৰ প্ৰৱৰ্তন হৈছিল। তাৰ পিছত ১৮৬১ চনত Assam Police Act খন সেই সময়ৰ ব্ৰিটিছ চৰকাৰে pass কৰিছিল। ১৮৬১ চনত আইনখন pass কৰাৰ পিছত ১৮৬২ চনত প্ৰত্যেকখন জিলা সদৰত এজন দাৰোগা, এজন জামাদাৰ আৰু কেইজনমান কনিষ্টবলৰ সৈতে এটা Police administration স্থাপন কৰিছিল। সেই সময়ত

১১খন Police district আছিল, যেনে, Goalpara, Kamrup, Darrang, Nagaon, Sivasagar, Lakhimpur, Garo Hills, Khasi-Jayantia Hills, Naga Hills, Cachar and Sylhet. তাৰ পিছত, Sylhet গুছি গ'ল, ভাৰতত নাই। Khasi-Jayantia Hills আৰু Naga Hills বেলেগ State হ'ল। বাকীখিনি জিলা আমাৰ অসমত আছে। এনেদৰে ১১ খন Police district গঠন হোৱাৰ পিছত ক্ৰমান্বয়ে Police ৰ প্ৰয়োজনীয়তাটো চৰকাৰে অনুভৱ কৰিবলৈ ল'লে। লাহে লাহে modernization প্ৰক্ৰিয়া আগবাঢ়িব ল'লে। বৰ্তমান কেইবাটাও বিভাগ পুলিচৰ অধীনত চলে। তাৰ ভিতৰত, Economic offence ৰ কাৰণে Central Bureau of Investigation, Special Branch, Criminal Investigation Department (CID), Assam Police Border Organization, Assam Police Radio Organization, Assam River Police Organization, State Fire Service Organization, All Women Police Station, establishment of Forensic Science Laboratory আদি। এতিয়া কথাটো হ'ল যে, চৰকাৰে দৰমহাৰ বাবদ বিচাৰিছে, ৭২১৪.৬১ লাখ টকা। যিহেতুকে পুলিচৰ ইমান Branch আছে, এতিয়া কোনটো Branch ৰ বাবে টকাখিনি বিচাৰিছে? মাননীয় মন্ত্ৰী মহোদয়ে যেতিয়া reply দিব, তেতিয়া মোৰ অনুৰোধ থাকিল যে আমাক যাতে specify কৰি দিয়ে যে আমাক এই টকাখিনি, for this Branch লাগে। পুলিচৰ সম্পৰ্কত এইখিনি কথা মই থূলমূলকৈ ক'লো। ইয়াৰ পিছত যদি আমি Police ৰ Organizational structure ৰ বিষয়ে চাওঁ, তেতিয়া এটা কথা মানিব লাগিব যে অসম পুলিচৰ Organizational structure টো বহুত মজবুত। এই কথাটো আমাৰ মন্ত্ৰী ডাঙৰীয়াই ক'লে। একেবাৰে তলত কণিষ্টবল, তাৰ পিছত Sub-Inspector, এনেদৰে গৈ গৈ একেবাৰে ডি জি পি ত শেষ হৈছে। এটা ধুনীয়া আৰু strong line. এই মানুহখিনিক POLICE এই আখৰ কেইটাৰ লগত যদি গঢ় দিব নোৱাৰো, ইমান শক্তিশালী Structure থকাৰ পিছতো, তেনেহলে তেওঁলোকক ইমান দৰমহা দিয়াৰ যুক্তি ক'ত? অধ্যক্ষ মহোদয়, আপুনি হয়তো ওকালতি কৰাৰ সময়ত দেখিছে বা আমিও সকলোৱে দেখিছো যে সৰু সৰু এজন Police Officer ৰ যিমান ডাঙৰ ঘৰ, এজন IAS Officer ৰো তেনেকুৱা ডাঙৰ ঘৰ নাই। ক'ৰ পৰা তেওঁলোকে ইমান টকা পায়? তাৰমানে. অপ্ৰিয় হলেও সত্য যে Police আৰু Corruption এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। চৰকাৰে হয়তো উত্তৰ দিবলৈ গলে Police ক defence কৰিব। কিন্তু এইবিলাক কথা চাব লাগে। Police য়ে যদি এইবিলাকত জড়িত থাকে আৰু সাধাৰণ মানুহক নিৰাপত্তা দিয়াত ব্যৰ্থ হয় আৰু অন্যায় অনিয়ম কৰে তেনেহলে কি হ'ব? অলপ আগতে আমাৰ বিৰোধী দলৰ নেতা ডাঙৰীয়াই কৈ গৈছে দক্ষতাৰ কথাটো। তেওঁলোকে ঘৰত বহি বহি চিডি লয় investigation ৰ অভাৱত বহুত crime কৰা মানুহ বাচি যায় আৰু ভুল investigation ৰ নামত crime নকৰা বহুত মানুহো ফচি যায়। অধ্যক্ষ ডাঙৰীয়া, এইবিলাক কথা চাব লাগিব।

অধ্যক্ষ মহোদয়, তাৰ পিছত ক'ব ওলাইছো vacancy ৰ কথা। police য়েই হওক বা আন বিভাগেই হওক, যিকোনো বিভাগতেই যদি vacancy থাকে তেতিয়া বিভাগটো ভালকৈ নচলে। এইটো স্বাভাৱিক কথা। এই ক্ষেত্ৰত চৰকাৰে দক্ষতাৰে কামখিনি কৰিব লাগে । ইয়াৰ উপৰিও police বিভাগটো secret service ৰ লগত জড়িত। ইয়াত ৬ নং উত্তৰত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে গোপন সেৱাৰ ব্যয়ৰ বাবদ মানে চোৰাং চোৱাৰ বাবদ অতিৰিক্ত ২০০ লাখ

টকাৰ আৰশ্যক । কিন্তু অসম চৰকাৰৰ বৰ্তমানৰ police বিভাগৰ চোৰাং চোৰা দক্ষ নহয়। তাৰ প্ৰমাণ বিধায়ক সকলে দেখিছে আৰু আমিও দেখিছো যে আজি কেইমাহ মানৰ আগতে কাৰ্বি আংলংত কি ঘটনা ঘটি গৈছে। চোৰাং চোৰা যদি শক্তিশালী হ'লহেতেন আৰু তেখেত সকলৰ হাতত যদি oral information থাকিলেহয়, তেতিয়া এনেকুৱা ধৰণৰ ঘটনা কাৰ্বি-আংলংত কেতিয়াও নঘটিলেহেতেন। কেইমাহ মান আগতে এজন Police Officer ক উগ্ৰপন্থীয়ে হত্যা কৰিলে। তাৰমানে চোৰাং চোৰা failure. মোৰ সমষ্টিৰ এজন DSP, গুলজাৰ হুছেইন কো আজি ৫-৬ বছৰ আগতে হত্যা কৰিলে NDFB ৰ সংবিজিত গোটে। যদিও এই ঘটনাটো আগৰ চৰকাৰৰ দিনত ঘটিছিল, বৰ্তমান চৰকাৰে compensation দিছে, তেওঁৰ পৰিবাৰক চাকৰি দিছে এইটো ভাল কাম কৰিছে । এই ঘটনাবোৰ ঘটাৰ মূল কাৰণ হৈছে চৰকাৰী চোৰাং চোৰা সমূহে তথ্য আহৰণ কৰাত ব্যৰ্থ হৈছে। এই কথা সমূহ আমি চাব লাগে।

অধ্যক্ষ ডাঙৰীয়া, আন এটা বস্তু হৈছে Law and Order. আমাৰ অসম চৰকাৰৰ গৃহ বিভাগৰ under ত Police বিভাগটো চলে। তাৰমানে Police বিভাগৰ উপৰিও এই গৃহ বিভাগত আন আন বস্তু জড়িত হৈ আছে। কিন্তু অসমৰ পাৰ্শ্ববৰ্তী পশ্চিমবঙ্গত অকল পুলিচৰ এটা সুকীয়া বিভাগ আছে। তাত আৰক্ষী মন্ত্ৰী থাকে। গতিকে এই কথাটো যাতে চৰকাৰে বিবেচনা কৰে। পৰ্য্যায়ক্ৰমে যদি আমিও এনেধৰণৰ এটা ব্যৱস্থালৈ যাওঁ, তেনেহলে গৃহ বিভাগৰ বহু বোজা কমি যাব। এতিয়া যিহেতুকে পুলিচ বিভাগটো গৃহ বিভাগৰ তলত থাকে সেয়েহে মই গৃহ বিভাগৰ ওপৰত এটা কথা ক'ব বিচাৰিছো যিটো পুলিচৰ লগত জড়িত।

বৰ্তমান যিখন চৰকাৰ অসমত শাষনাধিষ্ঠ হৈ আছে বি জে পি নেতৃত্বাধীন মিত্ৰ জোঁটৰ চৰকাৰ। ২৪-৫-২০১৬ তাৰিখে এইখন চৰকাৰে শপত গ্ৰহন কৰিছিল আৰু ১০ চেপ্তেম্বৰ ২০১৮ লৈকে মই বিধানসভাত তথ্য বিচাৰিছিলো যে কিমানখিনি crime সংঘটিত হৈছে? মইও জানো যে crime সম্পুৰ্নৰূপে শেষ কৰাটো সম্ভৱ নহয়। কিন্তু crime control কৰিব পাৰি।

২৪-৫-২০১৬ ৰ পৰা ১০-০৯-২০১৮ লৈকে সমগ্ৰ অসমত হোৱা crime ৰ সংখ্যা ৮৪৭৯৫ টা। তাৰমানে police ব্যৰ্থ। কোটি কোটি দৰমহা দিয়াৰ অৰ্থ ক'ত? এইখিনি হৈছে registered crime. মই নিজেও কোৰ্টত দেখিছো যে প্ৰতিদিনে যদি ৮-১০ টা crime হয়, তাৰে মাত্ৰ ১ টা বা ২ টা হে registered হয়। তাৰমানে যিমান মানুহ থানাত যায় তাৰে ৮০ শতাংশ register নহয়। তাৰমানে ৮৪৭৯৫ টা crime ৰ লগত আৰু ১০ গুণ বেছি crime সংঘটিত হৈছে। ৮৪৭৯৫ ৰ ভিতৰত কি কি crime সংঘটিত হৈছে ২০১৬ চনত? murder ৭০১ টা, ধৰ্ষণ ১০৫৬ টা, অপহৰণ ৩৫৫৫টা, ডকাইতি ৯১ টা, দস্যুতা ৫৮০ টা, লুণ্ঠন ৮৩১ টা, riots হৈছে৮৪৩ টা। ২০১৬ চনত IPC ৰ under ত মুঠ registered হোৱা case ৬১৭৯৩ টা। ইয়াৰ উপৰিও minor Act ৰ under ত ২,৮৪৭ টা case register হৈছে। ২০১৬ চনত মুঠ register case হৈছে ৬৪৬৪০ টা। তাৰমানে শান্তি সম্প্ৰীতি বৰ্তাই ৰখাত পুলিচ বিভাগ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।

২০১৮ চনৰ ১০ চেপ্তম্বৰলৈকে ঘটা ঘটনা সমূহ কৈ যাওঁ । murder ৮৮৮ টা, ধৰ্ষণ ১৩১৭ টা, অপহৰণ ৫৩৬৫ টা, ডকাইতি ৯৫ টা, দস্যুতা ৮৫৮ টা, লুণ্ঠন ৯৬৮ টা, riots হৈছে ৭৭৪ টা। IPC ৰ under ত মুঠ registered হোৱা case ৮০,০৩৩ টা। ইয়াৰ উপৰিও minor Act ৰ under ত ৪৭৬২ টা case register হৈছে। তাৰমানে মুঠ register case হৈছে ৮৪৭৯৫ টা। ২০১৭ চনত crime হৈছিলে ১,১১,১১৮ টা যিটো অতি আচৰিত।

মাননীয় উপাধ্যক্ষ মহোদয়, এইটো মই কোৱা কথা নহয়, যিজন মন্ত্ৰীয়ে reply দিব সেইজন মন্ত্ৰীয়ে মোক দিয়া উত্তৰ। মই প্ৰশ্ন কৰিছিলো ০১-১০-২০১৮ তাৰিখে। এতিয়া এইখিনি গ'ল crime, IPC, Minor Act এই বিলাকৰ কথা । সেইদিনাখন আমাৰ মাননীয় সদস্য ডঃ নোমল মমিন, তেখেত শাসকীয় দলৰ বিধায়ক, তেখেতে খুব ধুনীয়া প্ৰশ্ন এটা আনিছিলে child trafficking , বিচাৰি বিচাৰি মই data এটা উলিয়ালো ২০১৭ চনত। Assam has the highest number of child trafficking cases which is account 38% of the national figure. এইটো মাননীয় উপাধ্যক্ষ মহোদয়, ভয়ঙ্কৰ কথা। পুলিচে কৰে কি তেনেহলে। গোটেই ভাৰতবৰ্ষৰ ভিতৰত 38% শিশু সৰবৰাহ অসমত হয় আৰু পুলিচক আমি ৰাইজৰ tax ৰে লাখ লাখ কোটি টকা দৰমহা দিওঁ, এই কথাটো উপাধ্যক্ষ মহোদয়, কোনো পধ্যে মানি লব নোৱাৰি। দৰমহা দিয়াটো মানি লব পাৰি, দৰমহা দিব লাগিব। কিন্তু তেওঁলোকে যে ইমান খিনি শিশু সৰবৰাহ অসমত হয়। আমাৰ মাননীয় সদস্য ডঃ নোমল মমিন ডাঙৰীয়া সেইদিনাখন তেখেতৰ প্ৰশ্ন নং. ১০১ তাৰিখ ০১-১০-২০১৮ তাত তেখেতে এটা figure বিচাৰিছিল, যিহেতুকে চৰকাৰখন ২০১৬ চনৰ পৰা আছে ময়ো ২০১৬ চনৰ পৰাই কৈছো যে ১৭৩৩ টা শিশু ২০১৬ চনত নিৰুদেশ হৈছে আৰু ১৮৩৯ টা শিশু ২০১৭ চনত নিৰুদেশ হৈছে । তেখেতে পাচঁ বছৰৰ data বিচাৰিছিল তাত ৮৪৪৩ টা শিশু নিৰুদেশ হৈছে । চৰকাৰে মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰত কি দিছে মাননীয় মন্ত্ৰী মহোদয়ে কথাটো সেইদিনাখন মানিও লৈছে ৪৩৭৭ টা শিশু উদ্ধাৰ কৰিবলৈ চৰকাৰ বা পুলিচ প্ৰশাসন সক্ষম হৈছে। গতিকে ইয়াৰ ফলাফল 50% মাত্ৰ। ৮৪৪৩ টা শিশু পাচঁ বছৰত নিৰুদেশ হৈছে আৰু ৪৩৭৭ টা শিশু উদ্ধাৰ কৰিবলৈ পাৰিছে মাত্ৰ। That means police department's failure. মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা data আপোনাক জনাব বিচাৰিছো Human trafficking (মানৱ সৰবৰাহ)। মানৱ সৰবাহৰ তথ্যটো যদি চাওঁ যে ২০১৭ চনত National Crime Record Bureau (NCRB) য়ে তথ্য দিছে Assam recorded the highest number of cases of human trafficking 21.7% ভাৰতবৰ্ষৰ ভিতৰত অসম highest child trafficking rate ত আছে আৰু ভাৰতবৰ্ষৰ ভিতৰত অসম highest human trafficking rate ত আছে। তেনেহলে পুলিচৰ কাম কি? এই ৰাইজৰ টকাৰে লাখ লাখ কোটি টকা দৰমহা লোৱা, ডাঙৰ ডাঙৰ চহৰ বিলাকত ডাঙৰ ডাঙৰ বিল্ডিং বনোৱা। এয়েই পুলিচৰ কাম নেকি? গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, এইটো হ'ল data। মই কোনো গল্প কাহিনী কোৱা নাই with document মতে মই কৈ আছো। গতিকে কৰ্তন প্ৰস্তাৱ পাছ হ'বই, এইটো সাংবিধানিক provision অসমৰ ইতিহাসত এতিয়ালৈকে মাত্ৰ এবাৰ কৰ্তন প্ৰস্তাৱৰ ভোটত tie হৈছিল। তেতিয়া অধ্যক্ষ মহোদয়ে casting vote দি চৰকাৰখন বচাইছিল এইটো চৌয়দ চাদুল্লা চৰকাৰৰ সময়ৰ ঘটনা। গতিকে চৰকাৰখনে কৰ্তন প্ৰস্তাৱ পাছ কৰিবই আৰু কৰাতো দৰকাৰো। কিন্তু কৰ্তন প্ৰস্তাৱ পাছ কৰোতে মাননীয় উপাধ্যক্ষ মহোদয় এই কথাবিলাক চাব লাগে। cut - motion is just a device to debate and discuss তাৰ বাহিৰে একো নহয়। গতিকে পাছ কৰিবই এইটো স্বাভাৱিক কথা। কিন্তু এই কথাবিলাক মণ কৰাটো দৰকাৰ। এতিয়া পুলিচ সম্পৰ্কে মাননীয় বিত্তমন্ত্ৰীয়ে বাজেট ভাষনত খুব ভাল শব্দ ব্যৱহাৰ কৰিছিল। মই কেইবাৰো কৈছে মাননীয় বিত্তমন্ত্ৰীয়ে কিবা কৰক নকৰক ভাল ভাষন দিব পাৰে, ভাল বক্তা। তেখেতে কৈছিল বাজেটৰ ৩৩৭ দফাত as mentioned in my earlier budget speech, police is the face of the Government. page -123, Budget,

12th March,2018 যদি পুলিচ governmentৰ face হয় তেনেহলে human trafficking, child trafficking, crime record এই বিলাক governmentৰ face। চৰকাৰে আমাক reply দিব লাগিব কাৰণ চৰকাৰে বাজেটত কৈছে police is the face of the government আৰু পুলিচৰ report বিলাক আমি দেখুৱাই আছো বিধান সভাত। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ অনুৰোধ থাকিল, তেখেতে দক্ষ মন্ত্ৰী, এবাৰ নহয় বহুত বাৰ তেখেতে মন্ত্ৰী হৈছে । গতিকে এই কথাবিলাক যাতে তন্নতন্নকৈ, পুংখানুপুংখভাৱে চাই এই কৰ্তন প্ৰস্তাৱটো পাছ কৰে।

পুলিচ সম্পৰ্কে উপাধ্যক্ষ মহোদয়, পুলিচে যে এইবিলাক কৰাত ব্যৰ্থ হয়, এইটো আজিৰ বেমাৰ নহয় বহুত পুৰণা বেমাৰ। আমি ৰাইজৰ টকাৰে, tax ৰ টকাৰে পুলিচক দৰমহা দিওঁ, সেই দৰমহাটো সৎ ব্যৱহাৰ হব লাগে। পুলিচ update হব লাগিব, modern হব লাগিব, সেই কাৰণে বৃটিশ চৰকাৰে চৌয়দ চাদুল্লাৰ নেতৃত্বত এখন কমিটি বনাই দিছিল “চাদুল্লা কমিটি” পুলিচ কেনেকৈ চলিব লাগে, কেনেকৈ কাম কৰিব লাগে সেই সম্পৰ্কত, তেখেতে যিবিলাক কথা recommend কৰি গৈছিল, এই কথাবিলাক যদিও **১৯২৯** চনতrecommend কৰিছিল কিন্তু কথাবিলাক প্ৰাসংগিক। বহুতে চৈয়দ চাদুল্লাৰ নাম শুনিলে জাঙুৰ খাই উঠে, ময়ো সমৰ্থন কৰা নাই, কিন্তু আমি যিটো সংবিধান মানি চলো, তাৰে drafting committeeৰ chairman আম্বেদকাৰ আছিল আমি সকলোৰে জানো। সাতজন মান drafting committee ৰ সদস্য আছিল। Syed Saadulla was one of them। তাৰ মানে যিখন সংবিধান দেশ চলি আছে, সেই খনৰ drafting committee ৰ সদস্য আছিল চৈয়দ চাদুল্লা। তেখেতৰ past political carrier মই কবলৈ যোৱা নাই। তেখেতে কি অৱদান দি থৈ গ’ল সেইটো কবলৈ গৈছো, তেখেতে recommend কৰিছিল, The Assam Civil Police, এতিয়া Civil Police বুলি কিবা আসোৱা লাগে, তাৰ মানে সেই সময়ত পুলিচ civil, frontier, municipal and rural এই চাৰিটা ভাগত পুলিচ আছিল। তাৰ পিছত এই বিলাক চব ভাগ বাদ দি বৰ্তমান এটা ভাগ, তাৰে এইবিলাক বিভিন্ন শাখা। সেই কাৰণে civil word টো ইয়াত ব্যৱহাৰ হৈছে। The Assam Civil Police committee constituted in 1929 under the Chairmanship of Sir Syed Mudammad Saadulla, after making a detailed study and checking the opinion of various sections of the police arrived at a few notable conclusion-

1. It was felt that there was a wide gap between the police & the public which make the people unpopular এইটো মাননীয় উপাধ্যক্ষ মহোদয়, major issue এতিয়াও wide gap আছে পুলিচ আৰু জনসাধৰণৰ মাজত। পুলিচে dress টো পিন্ধি star লগাই যেতিয়া ঘুৰে বাপৰে বাপ বিৰাট ডাঙৰ বস্তু, কিন্তু ৰাইজৰ টকাৰে যে চলি আছে, সেইটো মনতে নাৰাখে। কেনেকুৱা ভয়ঙ্কৰ শব্দ তেখেতে ব্যৱহাৰ কৰিছিলে **১৯২৯** চনত, আৰু এইটো fact which made the police unpopular. The unhappy relationship was attributed to the frequent abuse of power by police man এইটো এতিয়াও চলি আছে।

2. There was wide spread inefficiency & corruption in the police administration which could be tackled only by liberating it with the

recruitment of educated youths and to attract educated persons to the police Department. The salary structure মই গোটেইখিনি লৈ আহিছো ছাৰ, পুলিছে ক'ত কিমান টকা দৰমহা পায়, সেই বিলাক মই কব নাযাওঁ। বহু দীঘলীয়া হ'ব বহুত সময় লাগিব। Which was very low তেতিয়াৰ কথা এইটো। should be raised এইটো ছাৰ আজিও প্ৰযোজ্য। কৰবাত যদি salary কম হৈ আছে, কনিষ্টবলৰ, তলৰ কৰ্মচাৰী সকলৰ, ওপৰৰ সকলেটো বহুত টকা দৰমহা পায়। গতিকে এই বিলাক ছাৰ চোৱাটো দৰকাৰ। ১৯২৯ ত কৰি গৈছে, আজিও ছাৰ , Relevant.No-(3) The training of the constabulary too had been neglected so far which affected the quality in the echelons of the police administration. Therefore, it was recommended that there should be one year thorough of this class of police personnel in a well-staffed training school (4) Fifty per cent of the subordinate ranks should be filled in by promotion after a departmental examination and (5) The traditional red turban should be replaced by a hat and due emphasis should be given to a smart and tidy turn out.এইটো ছাৰ, তেতিয়া পুলিছে যে ৰঙা টুপীটো পিন্ধে আগত পাগুৰী পিন্ধিছিল, এইটো।

**মাননীয় উপাধ্যক্ষঃ**- Conclude কৰক।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, সদস্য ঃ**- I am Concluding Sir, এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে, যিহেতুকে পুলিছ বিভাগৰ তেখেতে উত্তৰ দিব, মোৰ সমষ্টিৰ দুটামান কথা আছে, কৈ শেষ কৰিম। ২-৩ মিনিটত শেষ কৰিম। মোৰ সমষ্টি নাওবৈচাত,বঙালমৰাত এটা Out post আছে Out post টো পুলিছ থানালৈ Up-grade কৰাৰ প্ৰক্ৰিয়া চলি আছে। যোৱা বাজেট অধিবেশনতো মই এই কথাটো উত্থাপন কৰিছিলো। মাননীয় মন্ত্ৰী মহোদয়ে কৈছিলে, হ'ব। এইটো কি পৰ্য্যায়ত আছে? যদি reply দি ওঁতে, যদি মনত পেলাই দিয়ে, এইটো খুব ভাল হ'ব। তাৰ পাছত দৌলতপুৰত এটা Out post আছে, কাৰ্য্যক্ষম নাই, কোনেও দেখা নাই, আমি শুনো আৰু গৌৰবপুৰত এটা Out post আছে, সেইটো প্ৰকৃতাৰ্থত আছে নে নাই ? নে এনেই কোনোবা থানাৰ লগত adjust কৰি দৰমহা খাই আছে, এইটোও ছাৰ চাব লাগে। আৰু গড়চিঙাত প্ৰত্যেক বছৰে, যদি আপুনি SP ৰ পৰা report লয়, প্ৰতি বছৰে ২ বাৰ ৩ বাৰ হাঙ্গামা হয়। গতিকে তাত আজি ১৫-২০ বছৰ আগতে এটা Out post বনোৱা হৈছিল। তাৰ পাচত পুলিছখিনি তাৰ পৰা লৈ অহা হ'ল। ক'ত নিলে কি কথা ৰাইজে গম নাপায়, মই বিধায়কময়ো গম নাপাওঁ। গতিকে এই গড়চিঙা Out post টো actually, officially আছে নে নাই, আৰু যদি আছে মোৰ বোধেৰে এইটো কাৰ্য্যক্ষম কৰিব লাগে, এই কথাখিনি ছাৰ মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো, আৰু মই বক্তব্য শেষ কৰিব বিছাৰিছো। গতিকে এই কথাখিনি আপোনাৰ যোগেদি মাননীয় মন্ত্ৰীক অনুৰোধ জনাই তেখেতে যেতিয়া উত্তৰ দিব তাত যাতে সদুত্তৰ এটা পাওঁ তাৰ আশা ৰাখি মোৰ বক্তব্য শেষ কৰিছো, কৰ্তন প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ**- Thank you. এতিয়া পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা, সদস্য ঃ**- উপাধ্যক্ষ ডাঙৰীয়া, আজি যিটো কৰ্তন প্ৰস্তাৱ আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা আনিছে, মই তাৰ বিৰোধীতা কৰি বক্তব্য ৰাখিবলৈ ওলাইছো যে গৃহ বিভাগৰ বা আৰক্ষী বিভাগৰ মনোবল বৃদ্ধি কৰিব লাগিব। আধুনীকিকৰণ কৰিবৰ কাৰণে এই পইচাৰে নহয়। যথেষ্ট

পইচাৰ প্ৰয়োজন হ'ব। যদিও কৈছে যে কৰ্তন প্ৰস্তাৱ আনিছে, কিন্তু কৰ্তন নকৰিবৰ কাৰণেও indirectly কৈছে। আৰু যিখিনি কথা দাঙি ধৰিছে, যে হয় যে কিছু ঘটনা সংঘটিত হৈছে। এই ঘটনা বিলাক হৈ আছিল, হৈ থাকিব হৈ আছে। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব, যে আগৰ চৰকাৰৰ দিনত মানুহে যেনেকৈ অশান্তিত কটাইছিল, মানুহে যেনেকে নিশা উজাগৰে থাকিব লগা হৈছিল, আজিৰ দিনটোত কিন্তু, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ এই চৰকাৰখনৰ দিনত মানুহে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা অনুভৱ কৰিছে। আগতে যিবিলাক ঘটনা সংঘটিত হৈছিল যে বিশেষকৈ নৰ্থ বেংকতে মই কৈছো, আজি আমাৰ প্ৰাক্তন অধ্যক্ষ শ্ৰী প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়া আছে, সেই সময়ত বিধান সভাত কোন বিলাক কথা উত্থাপন হৈছিল ? কেনে ধৰণে অসমত হত্যাকাণ্ড সংঘটিত হৈছিল ? কেনে ধৰণে কোলাত কেচুঁৱা লৈ থকা মহিলা, আবাল বৃদ্ধ বণিতাৰ হত্যাকাণ্ড সংঘটিত হৈছিল ? ভীমাজুলি কাণ্ড কেনেকৈ সংঘটিত হৈছিল ? চিজুচা কাণ্ড কেনেকৈ সংঘটিত হৈছিল ? আজাৰগুৰি কাণ্ড কেনেকৈ সংঘটিত হৈছিল ? হুগ্ৰাজুলি কাণ্ড কেনেকৈ সংঘটিত হৈছিল ? কোকৰাঝাৰৰ সেই কাণ্ড কেনেকৈ সংঘটিত হৈছিল ? ধমপাল লিম্বু, ধৰণীৰিজাল, প্ৰকাশ হাজৰিকাকে ধৰি, যে কিমান মানুহক হত্যা কৰিছিল ? কিন্তু আজি আমাৰ চৰকাৰ অহাৰ পাছত, অৰ্থাৎ এই কথাটোত মানুহ আশ্বস্ত হৈছে যে সমান্তৰাল চৰকাৰ উগ্ৰপন্থীয়ে যেনেকে চলাইছিল, এতিয়া নিয়ন্ত্ৰণত। অসম পুলিছৰ দক্ষতাৰ কাৰণে, অসম পুলিছৰ চোৰাংচোৰা বাহিনী শক্তিশালী হোৱাৰ কাৰণে এই ঘটনাবিলাক নিয়ন্ত্ৰন কৰিবলৈ সক্ষম হৈছে। আজি কিন্তু তেনেকুৰা হত্যাকাণ্ড সংঘটিত হোৱা নাই। কিন্তু এই কথাবিলাকত সাধাৰণ জনসাধাৰণ আশ্বস্ত হৈছে। আজি নৰ্থ বেংকত, এইখন বিধান সভাত মই কোন বিলাক কথা দাঙি ধৰিম, কেনেধৰণে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে ধন দাবীৰ সন্মুখীন হৈছিল ? কেনেকৈ ঠিকাদাৰ সকলে কাম কৰিবলৈ যাওঁতে তেওঁ ঘূৰি আহিব পাৰিব নে নোৱাৰে, সেই চিন্তা কৰিব লগা হৈছিল। ব্লকৰ জীয়ৰীৰ পৰা পঞ্চায়তৰ সচিবলৈকে কেনেকৈ উগ্ৰপন্থীক পইচা দিব লগা হৈছিল ? পুলিছক অভিযোগ দিয়াৰ পাছতো ওলোটাই ধমকি খাব লগা হৈছিলে। লালবোৱাহী গাঁৱৰ সেই ২০১২ চনত সেই গাওঁবুঢ়াজন নিজৰ ঘৰত উগ্ৰপন্থীক আশ্ৰয় দিছে বুলি পুলিছে ধৰি আনিছে, জেলত দিছিল তাৰ পাছত জেলৰ পৰা ঘূৰি গৈ তেতিয়া পুলিছে তেওঁক বেয়া ব্যৱহাৰ কৰিছিল। তেওঁক কেনেকৈ গুলিয়াই হত্যা কৰিছিল, তেওঁক গুলিয়াই হত্যা কৰাৰ খবৰ দিয়া, পুতেক আৰু জোৱায়েকক কেনেকৈ উগ্ৰপন্থীয়ে ১০ দিনৰ ভিতৰত হত্যা কৰিছিল, এই কথা বিলাক এই বিধান সভাৰ মজিয়াত মই দাঙি ধৰি কোনো ধৰণে নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত আমি সফল হ'ব পৰা নাছিলো। ২০০৭ চনৰ ১৩ ডিচেম্বৰত, মই কেনেকৈ গুলীবিদ্ধ হৈছিলো, উগ্ৰপন্থীৰ হাতত। তাত কাৰ হাত আছিল। এটা সঠিক enquiry জানো হ'ল ? আজি difference টো এইটোৱেই। তেখেত নতুন বিধায়ক, বহু কথা হয়তো নাজানে। যে এই পবিত্ৰ বিধান সভাৰ আমি এই কথাবিলাক উত্থাপন কৰিছিলো, যে এতিয়া অন্ততঃ পুলিছ আৰু উগ্ৰপন্থীৰ মাজত nexus টো বন্ধ হৈ গ'ল। একেই পুলিছ. তেতিয়া চলাইছিল যেনেকে, এতিয়া জনসাধাৰণৰ স্বাৰ্থত পুলিছ বাহিনীক ব্যৱহাৰ কৰা হৈছে। তেতিয়া যদি উগ্ৰপন্থী কাৰোবাক গ্ৰেপ্তাৰ কৰিছিল, ৰাজনৈতিকভাবে কোনোবাই হস্তক্ষেপ কৰি এৰি দিবলৈ কৈছিল। আজি কিন্তু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ এই চৰকাৰখনে বা ৰাজনৈতিকভাৱে উগ্ৰপন্থীক কৰায়ত্ত কৰা বা ধৰাৰ লগে লগে তেনেকুৰা ফোন কিন্তু নাযায়। আজি পুলিছবাহিনীক আমি ধন্যবাদ দিব লাগিব যে নিৰ্বাচনৰ আগত গড় চিকাৰীৰ ক্ষেত্ৰত সংবাদ মাধ্যমত কোনবিলাক কথা আহিছিল ? অকল Forest Department নহয়, পুলিছ মিলি যে গড় চিকাৰীৰ লগত এটা nexus আছিল। আজি গড় চিকাৰী কিয় বন্ধ হৈ গ'ল ? তাত কি পুলিছৰ

অৰিহণা নাই? গতিকে এই কথা বিলাক, আজি এই কাৰমেই এ পবিত্ৰ সদনত, আমি সকলোৰে একমুখে স্বীকাৰ কৰিব লাগিব। অসমৰ মানুহে, ভাৰতবৰ্ষৰ মানুহে বাহিৰৰ মানুহে চিন্তা কৰিছিল যে অসম গৌৰৱ এশিঙীয়া গড় শেষ হৈ যাব নেকি? নাথাকিব নেকি? কিন্তু আজি এই চিন্তা কাৰো নাই। যে গঁড় আছে থাকিব । ইয়াক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত বন বিভাগ আৰু পুলিচ বাহিনী যে সফল হৈছে যিবিলাক আমি এক মুখে সকলোৱে স্বীকাৰ কৰিব লাগিব। সেই কাৰণে আমি কৈছো যে, যিবিলাক কথা-বতৰা চলি আছে, মানুহৰ ওপৰত যেনেকৈ ধন দাবী হৈছিল, গুলীৰিদ্ধ কৰিছিল, যেনেকৈ হত্যাকাণ্ড কৰিছিল, এদিনত ২০১৪ চনৰ ২৪ ডিচেম্বৰৰ নিশা কেচুৰা, বৃদ্ধ-বৃদ্ধাকে ধৰি এশৰ ওপৰৰ মানুহক গুলিয়াই হত্যা কৰিছিল। কিন্তু তেতিয়া যেনেধৰণে পুলিচ বাহিনীয়ে নিয়ন্ত্ৰণ কৰিব লাগিছিল, তেনে ধৰণে কিন্তু ব্যৱস্থা লোৱা নাছিল। সেই সময়ত কেন্দ্ৰত আমাৰ নতুনকৈ চৰকাৰ হৈছিল। গৃহ মন্ত্ৰী শ্ৰী ৰাজনাথ সিং ডাঙৰীয়া অসমলৈ আহি গোটেই গৃহ বিভাগ, সামৰিক বাহিনীৰ পৰা ধৰি গোটেইখিনিকে গোটাই আলোচনা কৰি যিদিনা allout ঘোষণা কৰিলে উগ্ৰপন্থীৰ বিপক্ষে সেইদিনাৰ পৰা কিন্তু অসমত এই কথাবিলাকৰ নিয়ন্ত্ৰণ হৈছে। মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই উগ্ৰপন্থ ী সংগঠন সমূহে গা কৰি উঠিব পৰা নাই। এই কথা আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। কাৰণ আমি যি দলৰে চৰকাৰ নাথাকো কিয়, মানুহৰ জীৱনৰ সম্পত্তি আৰু নিৰাপত্তা দিয়াৰ নৈতিক দায়িত্ব আমাৰ আছে। কিন্তু এই ক্ষেত্ৰত আমি দেখা পাইছিলো ব্যৰ্থতা। এই ক্ষেত্ৰত পবিত্ৰ বিধান সভাত কথা কওঁতে আমি হতাশ হৈছিলো। বিধান সভা চলি থাকোতে বোমা ফুটে ইয়াত, বিধান সভা চলি থাকোতে চীৰচা কাণ্ড সংঘটিত হৈছে। আমি মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত All Party MLA তাত গৈছিলো খৱৰ কৰিবলৈ। তেতিয়াওঁ কিন্তু নিয়ন্ত্ৰণ হোৱা নাছিল। সমুচিত যিখিনি পদক্ষেপ ল'ব লাগে, সেই পদক্ষেপ বিলাক লোৱা নাছিলে। কাৰ্বি আংলং সেই ঝংকাৰ হত্যাকাণ্ড, পিতৃৰ সন্মুখত পুলিচৰ আগত মৰিয়াই মৰিয়াই হত্যা কৰিছিল বেচেৰা সেই ল'ৰাটোক। তেতিয়া যদি সঠিক ভাৱে পদক্ষেপ পুলিচে ল'লেহেঁতেন, হয়তো পিছৰ সেই ডাইনীৰ সন্দেহত হত্যা কৰা গুৱাহাটীৰ দুজন ল'ৰা হয়তো মৃত্যুৰ মুখত নপৰিলেহেঁতেন বা তেনেকুৱা ধৰণৰ ঘটনা সংগঠিত কৰিবলৈ সাহস নকৰিলেহেঁতেন। কিন্তু পুলিচক আজি ধন্যবাদ দিব লাগিব। যে এই হত্যাকাণ্ড যিয়ে সংগঠিত কৰিছে, তেওঁলোকক কৰায়ত্ব কৰিবলৈ দক্ষতা আৰু চোৰাংচোৱা বাহিনীয়ে যিখিনি পদক্ষেপ গ্ৰহণ কৰিলে, সকলোকে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ল, তাৰ কাৰণে কি পুলিচ ধন্যবাদৰ পাত্ৰ নহয়? চোৰাংচোৱা বাহিনী কি ধন্যবাদৰ পাত্ৰ নহয়? হোজাইত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনৰ যি সদস্য কমৰুলকে ধৰি যিখিনি উৎঘাটন কৰি কৰায়ত্ত কৰিলে, তাৰ কাৰণে কি অসম পুলিচ ধন্যবাদৰ পাত্ৰ নহয়? এই সচাঁ ছৱিখন যে, সমালোচনাৰ খাতিৰত সমালোচনা নহয়। আমি বিচাৰো, সকলোৱে এখন শান্তিৰ প্ৰগতিৰ অসম, আমি সকলোৱে বিচাৰো মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত হোৱাটো। এজন জনপ্ৰতিনিধি হিচাপে আমাৰ এইটো নৈতিক দায়িত্ব। আমি কিছুমান পদক্ষেপ বিৰোধী দলত থাকোতেও আমি যিকেইটা ভাল কাম কৰিছিলো, সেই সময়ত আমি চৰকাৰৰ শলাগ লোৱা নাছিলো নেকি? আজিৰ দিনটোত মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে যিখিনি ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে, জনসাধাৰণৰ স্বাৰ্থ পুৰণ কৰিবলৈ ধৰা প্ৰতিশ্ৰুতিসমূহ বাস্তৱত ৰূপায়িত কৰিবলৈ আন্তৰিকতাৰে চেষ্টা কৰিছে, তাত আমি অন্ততঃ সমৰ্থন জনোৱাটো উচিত। মই নকওঁ যে, পুলিচ এশ শতাংশই ঠিকে আছে। ইয়াতো সংস্কাৰ কৰিব লগা আছে। সংস্কাৰৰ কাৰণে আপোনালোকে কওঁক। যি সংস্কাৰৰ কাৰণে বক্তব্য ৰাখোতে পুলিচ যাতে হতাশ নহয়। মই আহ্বান জনাও যে, অৰুণাচলী সুৰাৰ যিটো

সন্ত্রাস অসমত হৈ আছে, আমাৰ চৰকাৰে এটা কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। অকল আবকাৰী বিভাগে ইয়াক নিয়ন্ত্ৰণ কৰাতো সম্ভৱ নহয়। পুলিচ বিভাগে যদি চিৰিয়াছলি আমাৰ ভৱিষ্যত প্ৰজন্মক ৰক্ষা কৰিব বিচাৰিছে, আমাৰ সমাজৰ শান্তিৰ পৰিৱেশ আমি ৰাখিব বিচাৰিছো, তেতিয়াহ'লে পুলিচে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব অৰুণাচলী সুৰাৰ প্ৰচলন বন্ধ কৰিবৰ কাৰণে। এই ক্ষেত্ৰত মই পুলিচ বাহিনীক, গৃহ বিভাগক আবেদন জনাম যে, পুলিচ বাহিনীক আৰু সাহস দিবৰ কাৰণে তেওঁলোকক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি আমাৰ সমাজখনক ৰক্ষা কৰিবৰ কাৰণে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰক। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, মই বিশেষ দীঘলীয়া বক্তব্য নিদিও যে যিখিনি আমি চকুৰ আগত দেখি আহিছো এই বাস্তৱ কিছুদিন আগতে কেনেকৈ মানুহে নিশা উজাগৰে কটাইছিল, উগ্ৰপন্থীৰ চলাচল, উগ্ৰপন্থীয়ে যিবিলাক কাণ্ড সংঘটিত কৰিছে মই নিজে আজি এটা AK 47 ৰ গুলি গাত লৈ বক্তব্য দি আছো। কিয় হৈছে, ৰাষ্ট্ৰীয় ঘাইপথত উগ্ৰপন্থীৰ এই চলাচল উগ্ৰপন্থীৰ কাৰ্য্যকলাপ কেনেকৈ হ'বলৈ পাইছে। সেই কথাবিলাক বিশ্লেষণ কৰি চালে হ'ল। আজি কিন্তু সেই দিন নাই। আজি অন্ততঃ অসমৰ মানুহে অন্য কৰবাত অসন্তুষ্টি থাকিলেও এটা কথাত মানুহে সন্তুষ্টি প্ৰকাশ কৰিছে যে, আমি অন্তত কোনো বাধা, শংকা নোহোৱাকৈ চলাচল কৰিব পৰা এক ভাল পৰিৱেশ অসমত গঢ় লৈ আহিছে। এতিয়া আমি এইটোৱেই বিচাৰিছো আৰু আপোনালোকৰ পৰাও সেই সহাৰি বিচাৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, তেওঁ উপস্থিত নাই। শ্ৰী সত্যব্ৰত কলিতা ,আপুনি কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এটা খুব গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মঞ্জুৰী প্ৰস্তাৱ আহিছে, আৰু বিৰোধী পক্ষই ইয়াত কৰ্তনৰ দাবী জনাইছে। এই কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই কব খুজিছো কাৰণ ইতিমধ্যে আমাৰ দলৰ মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ গা ভাল নোহোৱাৰ বাবে তেখেত গ'ল, মই তেখেতৰ ঠাইত মই বিৰোধী পক্ষৰ সদস্য শ্ৰী মামুন ইমদাদুল হক চৌধুৰীয়ে কোৱাৰ কথাৰ পৰাই মই বক্তব্যখিনি আৰম্ভ কৰিব বিচাৰিছো, The police face of the Government একেবাৰে সচাঁ কথা। পুলিচ বিভাগটো এখন চৰকাৰৰ কাৰণে প্ৰতিফলন, এক প্ৰতিচ্ছবি আমি সেই কথা সকলোৱে উপলব্ধি কৰো বা সকলোৱে জানো। তেওঁ কৈছে যে, পুলিচ আৰু দুৰ্নীতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। আমি কিছুমান কথা কওঁতে অতি সাৱধান হ'ব লগা হৈছে বিশেষকৈ ৰাজনীতি কৰা মানুহ বিলাকে বা বিধায়ক সকলে। আজি যদি বিধান সভাৰ মজিয়াত কোনোবা এজন মানুহক সোধা যায় যে, দুৰ্নীতি আটাইতকৈ কোনে বেছি কৰে, তেতিয়া মানুহবিলাকে এটা শ্ৰেণীৰ নাম প্ৰথমতে লব যে মন্ত্ৰী বিধায়ক বিলাকে আটাইতকৈ বেছি দুৰ্নীতি কৰে বুলি কয়। সেইটো কৰে, নকৰে সেইটো মই নাজানো। কিন্তু বাহিৰত সেইটো কথায়ে প্ৰচলিত শব্দ আৰু যদি কোনোবা এটা বিভাগে দুৰ্নীতি কৰা বুলি আমি ভাৱো, তাৰ কাৰণে প্ৰথম দায়িত্ব আমি চৰকাৰে লব লাগিব আৰু প্ৰথম দায়িত্ব ৰাজনীতি কৰা মানুহখিনিয়ে লব লাগিব। গতিকে আমি শ্ৰেণী বিভাজন কৰো যে, পুলিচ বিভাগত, ডি পি আই অফিচত, ডি টি অ' অফিচত দুৰ্নীতি হৈছে এই ধৰণৰ বিভিন্ন বিভাগবিলাকৰ কথা কওঁ। কিন্তু সেই বিভাগবিলাকতো যে, কিছু সংখ্যক সৎ কৰ্মচাৰী, সৎ বিষয়া থকাৰ কাৰণে বিভাগটো চলি আছে। সেই কথাবিলাক আমি পাহৰি যাও । কলেজৰ অধ্যাপক সকলক আমি সন্মান কৰো, ন্যায়ধীশ সকলৰ ওপৰত এখন দেশ বা এখন ৰাজ্য নিৰ্ভৰ কৰে। ন্যায়ধীশ সকলে দুৰ্নীতি কৰা নাই নেকি? উপাচাৰ্য্যৰ বিৰূদ্ধে দুৰ্নীতি আহিছে। দুৰ্নীতি সকলো বিভাগত, সকলো শ্ৰেণীত আছে। গতিকে

পুলিচ বিভাগে কেৱল দুৰ্নীতি কৰে এই কথাটো ক'লে নিশ্চয় আমাৰ ভুল কৰা হ'ব। বৰ্তমান চৰকাৰ খনত যি প্ৰতিচ্ছৱি আজি ওলাই পৰিছে, তাত দেখিছে যে, পুলিচে আটাইতকৈ সক্ৰিয়ভাৱে আজি দুৰ্নীতিৰ বিৰুদ্ধে যুজিছে, যাৰ ফলত APSC কেলেংকাৰীত জৰিত থকা বহুত মানুহ, আজি বহু বিষয়া, বহু ৰাজনীতি কৰা মানুহ আনকি মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক এই কাৰণে ধন্যবাদ দিছো যে, বি জে পি দলৰ কৰ্মীও আজি জেলত যাবলগীয়া হৈছে। গতিকে তাৰ পিছতো যদিও আমি কওঁ যে, পুলিচেই দুৰ্নীতি কৰে এইটো এটা আমি ভাৱো অবান্তৰ ভাৱে পুলিচ বিভাগক আমি দোষাৰোপ কৰা হ'ব। বহু কথাত দেখিছো কিছুদিন আগতে মই এটা উদাহৰণ দি বুজাব খুজিছো যে, কিছুদিন আগতে এজন অ' চিক বদলি কৰণৰ কথা ক'লে। তেওঁ একমাহ মানলৈ চাৰ্জটো দিয়া নাছিল। তেওঁ ভাবিছিল যে, আগৰ নিচিনাকৈ চৰকাৰ চলি আছে। গতিকে তেওঁ কাৰোবাক পইচা পাতি দি মেনেজ কৰি সেইখন থানাতে থাকিব। কিন্তু অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়া আৰু পুলিচ গৃহ বিভাগৰ মুৰব্বীক মই ধন্যবাদ দিছো যে, তেওঁলোকক কোনোবা যদি দালাল পাৰ্টি আহিছিলো, সেই কথাত তেওঁ উৎসাহিত নকৰিলে বৰং তেওঁ বেলেগলৈ আহি জইন কৰিবলৈ বাধ্য হ'ল। গতিকে পুলিচ বিভাগৰ পৰিৱৰ্তন হৈছে আৰু পুলিচত পৰিৱৰ্তন তেতিয়া হয়, যেতিয়া চৰকাৰখনৰ কিবা কাম কৰাৰ সদিচ্ছা থাকে। যেতিয়া চৰকাৰখনে ভাৱে যে, পুলিচ বিভাগটোৰ যি ক্ষমতা, যি সততা এক যোগাত্মক কামত ব্যৱহাৰ কৰিম। আজি চৰকাৰখনে পুলিচ বিভাগত দুৰ্নীতিৰ বিৰুদ্ধে তেওঁলোকৰ ক্ষমতা সেইখিনিক ব্যৱহাৰ কৰাৰ কাৰণে বহু ক্ষেত্ৰত মানুহে ভয় খোৱা হৈছে। আজি APSC কেলেংকাৰীয়েই হওঁক, বিভিন্ন বিষয়া বন বিভাগতেই হওঁক আমি দেখিছো আনকি লেবাৰ ডিপাৰ্টমেণ্টৰ কমিশ্যনাৰ ১৪৯ কোটি টকাৰ কেলেংকাৰীত জেলত যাবলগীয়া হৈছে। আজি বিভিন্ন বিভাগত এইদৰে পুলিচ বিভাগে দক্ষতাৰে কাম কৰিছে। আৰু দক্ষতাৰে কাম কৰা মানুহখিনি আমি চৰকাৰ হিচাপে, আমি বিধায়ক হিচাপে সমাজখনত সুস্থিৰ পৰিৱেশ ঘুৰাই অনাৰ ক্ষেত্ৰত আমাৰ প্ৰত্যেক গৰাকী বিধায়কে পুলিচখিনিক আমি উৎসাহিত কৰিব লাগে। মই কোৱা নাই যে, পুলিচ বিভাগটোক মই বহুত প্ৰশংসা কৰাৰ কাৰণে পুলিচত দুৰ্নীতি হোৱা নাই। কিন্তু পুলিচত দুৰ্নীতি হোৱাৰ আৰু বহু কেইবাটাও বেলেগ বেলেগ কাৰণো আছে। অলপ আগতে বিৰোধী পক্ষৰ সদস্য শ্ৰীমামুন ইমদাদুল হক চৌধুৰীয়ে কৈছে এটা গুৰুত্ব পূৰ্ণ কথা। দৰমহাৰ যিটো বেলেঞ্চ, আমি বহু ক্ষেত্ৰত দেখা পাওঁ যে, পুলিচ সকলে যিবিলাক গাড়ী ব্যৱহাৰ কৰে, আটাইতকৈ বেয়া গাড়ী। পুলিচ সকলৰ যি হাৰত তেওঁলোকৰ কষ্ট, বা তেওঁলোকৰ যিধৰণৰ কৰ্তব্যত তেওঁলোক নিয়োজিত, সেই হিচাপে তেওঁলোকে যিমান দৰমহা পাব লাগে, নাপায়। আমি সকলোৱে নিৰ্বাচন খেলো। নিৰ্বাচনৰ সময়ত পুলিচৰ অৱস্থাটো দেখা পাও যে, তেওঁলোকক লৈ এটা সাধাৰণ কণী সিজোৱা বা চাউল মুঠিও তেওঁলোকৰ ভাগত নপৰে। আজি যদি মন্ত্ৰী সকল, সন্মানীয় ৰাজ্যপাল সন্মানীয় মুখ্যমন্ত্ৰী যদি কৰোবালৈ যাবলগীয়া হয়, দুয়োকাষে পুলিচবিলাক ৰৈ থাকে, কিন্তু তেওঁলোকে কি খাইছে পানী এগিলাচকে পাইছেনে নে নাই সেইটো খবৰ লবলৈ আমাৰ কাৰো সময় নাথাকে। গতিকে এই মানুহখিনিৰ যিটো সেৱা। আমি কিছু পৰিমানে উৎসাহিত কৰা দৰকাৰ আৰু যিখন ৰাজ্যত পুলিচ সক্ৰিয় হ'ব , পুলিচ উৎসাহিত হ'ব সেইখন ৰাজ্যত আমি বহুখিনি কথা নিৰ্ভশীল হ'ব পাৰো আৰু ৰাজ্যখন আগবাঢ়ি যোৱাত সহায়ক হয় । আজি আমি গুৱাহাটীৰ ৰাস্তাত দেখিছো ট্ৰেফিক পুলিচৰ বগা ড্ৰেছটো সলনি হৈছে । এতিয়া স্মাৰ্ট যেন লগা হৈছে। ভাল লাগিছে। গতিকে পুলিচ আধুনিকীকৰণৰ নামত ব্যৱস্থাখিনি হ'ব লাগে আৰু সেই ব্যৱস্থাখিনি পূৰ্ণাঙ্গ হ'ব লাগে। এতিয়া পূৰ্ণাঙ্গ হ'ব লাগিলে এইখিনিতে এটা কথা উল্লেখ কৰিব

লাগিব। পুলিচৰ আমি দূৰ্নীতি দেখিছো, পুলিচৰ কাৰণে সমাজখন বেয়া হয় এইবিলাক অভিযোগ আছে - কিন্তু এনেকুৱা পুলিচ বিষয়াও আছে যিগৰাকীৰ আমি নাম উল্লেখ কৰিব বিচাৰিছো - ভাস্কৰ কলিতা যিগৰাকী উগ্ৰপন্থীৰ গুলিত। তেওৰ জীৱন বলিদান দিব লগা হৈছিল। তেওঁ ঢুকোৱাৰ কাৰণ হল - তেওঁ যিটো বুলেটপ্ৰুভ জেকেট পিন্ধিছিল সেইটো আপ টু দি মাৰ্ক নাছিল । এইটো এটা গুৰুত্বপূৰ্ণ কথা । আজি গুলজাৰ হুছেইনৰ কথা কোৱা হৈছিল ঢেকিয়াজুলিত তেওঁক নিধন কৰা হৈছিল। গতিকে এনে কিছুমান সৎ পুলিচ বিষয়া আছে যিয়ে নিজৰ জীৱন বিসৰ্জন দি নিজৰ দায়িত্ব পালন কৰিছে। গতিকে এই পুলিচসকলে এতিয়াও তেওলোকে আওপুৰনি অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰি আছে তেওলোকে কেনেকৈ উগ্ৰপন্থীৰ লগত মোকাবিলা কৰিব। গতিকে মই ভাবো পুলিছ বিভাগত যি ১৫, ৯০০ ক - ১৮ লাখ টকা দিয়া হৈছে, প্ৰায় ১৬০ কোটিমান টকা হ'ব , এইখিনি যথেষ্ট কম। পুলিচ বিভাগক আধুনিকীকৰণ কৰিব লাগিলে, পুলিচৰ যিখিনি নীডছ, যিখিনি প্ৰয়োজন মই ভাবিছিলো - চাপ্লিমেন্টৰি বাজেটত প্ৰায় ৫০০ কোটি মান টকা আহিব। এইটো ধাৰণা মোৰ আছিল। কিন্তু যথেষ্ট পৰিমাণে পইছা দিয়া নহ'ল মোৰ ভাব হয়। পুলিচক যদি জনসাধাৰণৰ বন্ধু কৰি তুলিব লাগে পুলিচক আন সুযোগ দিব লাগিব। আজি গাওঁৰ পুলিচবিলাকৰ এখন নাগৰিক কমিটি থাকে । আজি এই নাগৰিক কমিটিৰ যোগেদি পুলিচবিলাকে কি কি কাম কৰিব পাৰে , তেওলোকে কাম কৰিম বুলি ভাবিলেও কিছুমান কাম কৰিব নোৱাৰে। জনসাধাৰণৰ লগত সু সম্পৰ্ক ৰক্ষা কৰাৰ বাবে যিখিনি সামাজিক কাৰ্য্যসূচী ল'ব লাগে তাৰ কাৰনে পুলিচৰ হাতত কিন্তু কোনো ফাণ্ড থকা দেখা নাযায়। মাত্ৰ কিবা এটা গণ্ডগ'ল হ'লে নাগৰিক কমিটিৰ লগত আলোচনা কৰে তাৰ পিচত দায়িত্ব শেষ হৈ যায়। গতিকে থানাবিলাকক যাতে নাগৰিক কমিটিবিলাক সক্ৰিয় কৰাৰ বাবে যদি কিছু আমি ধন দিব পাৰো তেতিয়া হয়তো সুফলপোৱা গ'ল হেতেন। আজিৰ দিনত পুলিচৰ সন্মূখত এটা ডাঙৰ প্ৰত্যাহ্বান সৃষ্টি কৰিছে চাইবাৰ ক্ৰাইমে। চাইবাৰ ক্ৰাইম প্ৰতিৰোধ কৰাৰ বাবে পুলিচৰ কি ব্যৱস্থা আছে। আজি আমি টিভিত, চিনেমাত আমেৰিকা- ইংলেণ্ডৰ পুলিচক চাওঁ কিন্তু ভাৰতৰ পুলিচক এনেকুৱা এটা ধাৰনা দিয়া হয় শকত- আবত, খোজ কাঢ়িব নোৱাৰে, দৌৰিব নোৱাৰে তেনেধৰনৰ মানুহক ভাৰতৰ পুলিচ বুলি প্ৰতিচ্ছবি অকা হয়। গতিকে সেই পুলিচবিলাকৰ শৰীৰ চৰ্চাৰ বাবে থানাবিলাকত এটা ব্যায়ামাগাৰ (জিম) জিলা বিলাকত এটা ব্যায়ামাগাৰৰ ব্যৱস্থা কৰিব নোৱাৰো নেকি ? তেওঁলোকক স্মাৰ্ট- কৰ্মদক্ষ কৰিবলৈ এনেকুৱা সুবিধা আমি আগবঢ়াব লাগিব। তেওলোকক শৰীৰ চৰ্চা কৰিবলৈ আমি সুবিধা কৰি দিব লাগিব। মোৰ সমষ্টিত দুটামান আউটপোষ্ট আছে য'ত বহিবলৈ চকী নাই। আউটপোষ্টটো দুটা চলি আছে এটা গুদামঘৰৰ নিচিনা ঘৰত। এইবিলাক মই ডি আৰ চি মিটিঙতো বহুবাৰ কৈছিলো। এইবিলাক সুবিধা আগবঢ়াবলৈ পুলিচক পইছা লাগিব। আজি জনসংখ্যা বৃদ্ধি হৈছে, মানুহৰ সংখ্যা বৃদ্ধি হৈছে, গাঁওৰ সংখ্যা বৃদ্ধি হৈছে। কিন্তু থানাৰ সংখ্যাটোতো বঢ়া নাই। প্ৰতিহাজাৰ মানুহৰ বিপৰীতে কিমান পুলিচ আছে আমি এই অনুপাতটোও চাব লাগিব। ডি আৰ চি মিটিঙত মোক কৈছিলো মোৰ সমষ্টিত ১ খন থানা হ'ব আৰু ২ টা পুলিছ আউটপোষ্ট হ'ব কিন্তু আজিলৈকে হোৱা নাই। মই পুলিচক দোষ দিয়া নাই। কাৰন তেওলোকক যিখিনি পুঁজি দিব লাগিছিল আমি দিব পৰা নাই সেই কাৰণে হয়তো হোৱা নাই। সেই কথা আজি মই অতি আন্তৰিকতাৰে কৈছো যে, পুলিচ বিভাগক ইয়াতকৈ বেছি পইছা দিব লাগিছিল। বিশেষকৈ য'ত থানা আছে তাত কিছু পৰিমানে সা সুবিধা প্ৰদান কৰিব লাগে। কিছুমান থানাত আধুনিক টয়লেটৰ ব্যৱস্থা নাই। মোক অ চি সকলে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায়। থানাবিলাকত বিভিন্ন কামত যোৱা বা অভিযোগকাৰীসকল বহিব পৰা ব্যৱস্থা নাই। ওচৰত চাহ একাপ খাব পৰা কেন্টিন নাই ।

এই ধৰণৰ সমস্যাবিলাকৰ লগত পুলিচ মুখামুখী হৈ আহিছে। গতিকে কৰ্ত্তন প্ৰস্তাৱটো মই ভাবো বিৰোধী পক্ষই এটা নিয়ম মানি আনিছে কিন্তু নিশ্চয় বিৰোধী পক্ষৰ সদস্যসকলো এই কথাবিলাক নিশ্চয় অনুভৱ কৰে যে আৰক্ষী বিভাগক আজি যিমান ধন দিয়া হৈছে সেই খিনি অতি কম হৈছে। মই আশা কৰো এই কৰ্ত্তন প্ৰস্তাৱটো তেওঁলোকে সমৰ্থন কৰিব। লগতে আমাৰ গুৱাহাটীত যিটো ফৰেনচিক লেবৰেটৰি আছে সেইটো আধুনিকীকৰণ কৰাৰ ব্যৱস্থা আছে মই যোৱা বিধান সভাতো কৈছিলো যে কিছু ৰিপোৰ্ট কলিকতালৈ পঠিয়াই দিয়া হয়। আহোতে ১ বছৰতকৈ অধিক সময় লয় যাৰ বাবে পুলিছে ফাইনেল ৰিপোৰ্ট দিব নোৱাৰে । যাৰ ফলত কেচবিলাক বহু দেৰী হৈ যায়। মোৰ তাতে হোৱা এটা ঘটনা মই ইয়াত বিশেষভাৱে উল্লেখ কৰিছিলো যে কলিকতাৰ পৰা পোষ্টমৰ্টেম-ফৰেনচিক লেবৰেটৰি ৰিপোৰ্ট আহি পাওতে এক- ডেৰ বছৰ লাগি গ'ল। য়োৰহাটত ইতিমধ্যে নতুনকৈ ফৰেনচিক লেবৰেটৰি কাম আৰম্ভ হৈছে। তাতো যিমান ষ্টাফ লাগে আমি দিব পৰা নাই। গতিকে এই ফৰেনচিক লেবৰেটৰিটো আধুনিকীকৰণ কৰাৰ কথাটো গুৰুত্বসহকাৰে লব লাগে । আজি যুব প্ৰজন্মৰ মাজত চাইবাৰ ক্ৰাইম কৰাৰ নতুন প্ৰৱণতা গঢ়ি উঠিছে এইবিলাক ৰোধ কৰিবলৈ এই বিষয়ে পুলিছ বাহিনীক দক্ষ কৰি গঢ়ি তুলিবলৈ , প্ৰশিক্ষিত কৰি তুলিবলৈ যথেষ্ট পুঁজিৰ প্ৰয়োজন আছে। গতিকে এই বিষয়ত চৰকাৰে অধিক গুৰুত্ব দিব লাগিব। ইতিমধ্যে মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে, পুলিচ বি ভাগটো হ'ল ফেছ অৱ দি গৰ্ভমেন্ট । যোৱা চৰকাৰৰ দিনত দেখিছো বিভিন্ন ধৰণৰ সন্ত্ৰাসবাদ চলিছিল। বিভিন্নধৰণৰ ঘটনা সংঘটিত হৈছিল। মই কোনো চৰকাৰক দোষ দিয়া নাই। কিন্তু এটা পৰিবেশ আছিল কিন্তু আজি তেনেধৰণৰ দুই এটা ইনচিডেন্ট হৈছে কিন্তু - কেইদিনমান আগতে কাৰ্ব্বি আংলঙত যিটো ঘটনা হৈছিল, য'ত দুজন ডেকা লৰাই বিনা কাৰণত নিজৰ জীৱন বিসৰ্জন দিব লগা হৈছিল- কিন্তু পুলিচক লগতে ধন্যবাদো দিব লাগিব- হয় তাত লেপছ্ এটা হৈছিল- পুলিচে সময়ত খৱৰ নাপালে। কিন্তু পুলিচক ধন্যবাদো দিব লাগিব যে প্ৰায় লগে লগে প্ৰায় ১৫০ আচামীক ধৰি তেওলোকৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল কৰা বুলি কোৱা হৈছে। দুই এটা এনেধৰনৰ দুৰ্ভাগ্যজনক ঘটনা হৈছে যদিও মই ভাবো আজি আঢ়ৈটা বছৰত চৰকাৰখনৰ যিধৰণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ব্যৱস্থা লৈছে তাৰ ফলত এনেকুৱা ঘটনা যথেষ্ট পৰিমাণে হ্ৰাস পাইছে অসমত। মানুহে অকনমান মুকলিমূৰীয়া মন লৈ ওলাব পাৰিছে। এতিয়া আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে পুলিচক যিটো স্বাধীনতা দিছে কাম কৰাৰ ক্ষেত্ৰত এইটো আমাৰ চৰকাৰখনৰ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মই ভাবো। পুলিচে যদি কোনোবা এটা ক্ৰাইমৰ বাবে যুঁজিছে তাত ৰাজনৈতিক হস্তক্ষেপ নিয়ন্ত্ৰণ কৰা হৈছে , শিথিলকৰণ কৰা হৈছে। যাৰ বাবে মানুহে আজি গম পাইছে ক'ৰবাত যদি আইন বিৰুদ্ধ কামেই হওক, চিণ্ডিকেট ৰাজেই হওক, পুলিচে তৎপৰতা প্ৰদৰ্শন কৰিছে। এইক্ষেত্ৰত চৰকাৰে পুলিচক ব্যৱস্থা ল'বলৈ কতৃত্ব প্ৰদান কৰিছে। গতিকে এই কথাবিলকৰ বাবে মই ভাবো আৰু বেছি পুলিছ বিভাগক উৎসাহিত কৰাৰ দৰকাৰ আছে। আমি পুলিছক সদায় বেয়া বুলি কৈ থাকিলে, সমালোচনা কৰি থাকিলে এটা ঋণাত্মক প্ৰভাৱ পৰে। গতিকে পুলিচ বিভাগক সক্ৰিয় কৰাৰ বাবে, দক্ষ কৰাৰ বাবে, উৎসাহী কৰাৰ বাবে অসম বিদান সবাত আৰু বেছি আলোচনা হোৱাটো দৰকাৰ যে কেনেকৈ আমি পুলিচক অত্যাধুনিক ৰূপ দিবলৈ সক্ষম হওঁ। এ পি এচ চিৰ কেলেংকাৰী তদন্ত প্ৰক্ৰিয়াত লাভ কৰা সফলতাৰ পিচতো, বিভিন্ন চিণ্ডিকেট বন্ধ কৰাৰ পিচতো, পুলিচ বিভাগৰ কিছু সংখ্যক লোকে দুনীৰ্তিক প্ৰশ্ৰয় দিয়ে, সৰু সৰু কথাৰ বাবে মানুহক হাৰাশাস্তি কৰে এই কথাবিলাক প্ৰতিৰোধৰ কাৰনে অতি সক্ৰিয় হ'ব লাগিব।পুলিচ বিভাগৰো এটা নৈতিক দায়িত্ব আছে, পুলিচ বিভাগে যদি এটা প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগে। তাৰ কাৰণে মই ভাৱো আমাৰ বিধায়কসকলে সকলোৱে মিলি তেওলোকৰ লগত বহাটো ভাল যে পুলিচ বিভাগক

সাধাৰন মানুহে দুৰ্নীতিপৰায়ণ বুলি যি এটা ধাৰণা মনত লৈ লয় এই বেমাৰটো পৰা ৰোগ মুক্তিৰ বাবে একেবাৰে ডি জি পি ৰ পৰা তলৰ স্তৰৰ লৈকে কেনেকৈ আমি কথাবিলাক আগবঢ়াই লৈ যাব পাৰো সেই বিষয়ে পুলিচ বিভাগে অতি সক্ৰিয় হ'ব লাগিব। ইয়াৰ আগতেও বা আগৰ চৰকাৰৰ দিনতো আমি দেখিছো যিটো সক্ৰিয়তাৰে কাম কৰিব লাগিছিল কৰা নাই। এতিয়া মই দেখা পাওঁ আমাৰ মন্ত্ৰীসকলৰ লগত যোৱা এচকৰ্ট গাড়ী দুই এখন ভাল দিছে। আগতে আমাৰ মন্ত্ৰীসকলৰ গাড়ী বহু ভাল, তেওলোকে ১২০ কি. মিত যাব খোজে কিন্তু তেওঁলোকৰ এচকৰ্ট গাড়ী নাযায়। গতিকে মন্ত্ৰীয়ে টাইমতে য'ত পাব লাগিছিল নাপায়। গতিকে মন্ত্ৰীৰ গাড়ীৰ লগতে এচকৰ্ট গাড়ীকেইখনো ভাল হ'ব লাগিব। এতিয়া মন্ত্ৰীসকলৰ লগত কেইবাখনো নতুন এচক'ৰ্ট গাড়ী দিয়া হৈছে। কিন্তু এতিয়া দুই এখন পুৰনি এচকৰ্ট গাড়ীৰে কাম চলাই থকা আছে। গতিকে পুলিচক সক্ৰিয় কৰাৰ বাবে এই যান বাহনবিলাকো অত্যাধুনিক হ'ব লাগিব। গুৱাহাটী চহৰৰ থানাবিলাকত নতুন নতুন যান বাহন দিয়া হৈছে কিন্তু গাওঁ অঞ্চলৰ থানাবিলাকত এতিয়াও আওঁপুৰনি গাড়ীবিলাকেৰে এতিয়াও পুলিচে কৰ্ম সম্পাদন কৰি আছে । গাড়ী বিলাক আমি সলনি নকৰিলে মই নাভাৰো যে পুলিছে যিটো স্পিডত যাব লাগে আৰু পুলিচ বিভাগৰ যিখিনি মই গুৱাহাটী চহৰত এখন এখন নতুন নতুন গাড়ী দিছে, গাওঁ অঞ্চলত কিন্তু পুলিচ থানা বিলাকত ব্যৱহাৰ কৰা গাড়ীবিলাক অতি বেয়া। গতিকে সেই গাড়ী বিলাক সলনি কৰিববৰ সময় হৈছে। গাড়ী বিলাক সলনি কৰিব লাগে আৰু গাড়ী বিলাক সলনি কৰি তাত নতুন গাড়ী দিব লাগে যাতে পুলিচে দ্ৰুত গতিত গৈ এটা কৰবাত কিবা দূৰ্ঘটনা হ'লে তাত গৈ ওলাব পাৰে। পুলিচ থানাবিলাকৰ যিটো যোগাযোগৰ ব্যৱস্থা সেইটো তড়ান্বিত কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে যি পইচা খৰচ হয়, তাৰ কাৰণে যি দৰকাৰ হয় সেই কামবিলাক কৰিব লাগে। সেই কাৰণে এতিয়া চৰকাৰ খনৰ পিছত মই বহুত কেইজন নতুন মন্ত্ৰী দেখিছো, মই চাওঁ অলপ তেখেত সকলক, মই লক্ষ্য কৰো যে escort গাড়ী বিলাক অলপ ভাল হৈছে। বাকী সকলোৰে escort গাড়ী ভাল হওঁক। বিশেষকৈ escort গাড়ী কেৱল মন্ত্ৰীৰ সা-সুবিধাৰ কাৰণেই কোৱা নাই। এইটো এটা উদাহৰণ দি ক'ব খুজিছো যে যিবিলাক থানাত আওঁপুৰণি গাড়ী আছে সেই বিলাক গাড়ী বিক্ৰী কৰি হলেও নতুন নতুন গাড়ী দিব লাগে যাতে পুলিচ বিলাকে অকমান ভাৰে যে আমাৰ প্ৰতি গুৰুত্ব দিছে। আমি চৰকাৰ খনেই যে পুলিচ বিভাগক গুৰুত্ব দিছো, পুলিচ বিভাগক যে মৰম কৰিছো, পুলিচ বিভাগৰ পৰা যে চৰকাৰ খনে তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিছে, এই কথাটো প্ৰতিপন্ন কৰিব লাগে। মই ভাৰো আমাৰ চৰকাৰে ইতিমধ্যে কৰ্মচাৰী সকলক যোৱা ২ অক্টোৱৰৰ দিনা খাদী বোৰ্ডৰ পৰা পোচাক দিয়া হৈছে। এইটো খুব ভাল কথা হৈছে। মই ভাৰো পুলিচ বিলাকেও অকমান ভালকৈ পোচাক বিলাক পিন্ধিব পাওক। মই ট্ৰেফিক পুলিচ বিলাকক লক্ষ্য কৰো, বোধহয় এজোৰা পোচাকে আজিও পিন্ধিছে কালিয়ো পিন্ধিছে, ঘামি-জামি বেয়া হয়। গতিকে অকমান পুলিচ বিভাগৰ এই যিটো পোচাক পিন্ধে সেই পোচাক বিলাকো যাতে অকণমান সঘনে সলনি কৰিব পৰাকৈ তেওঁলোক capable হয়, হয়তো তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিব লাগে নহলে তেওঁলোকক পোচাকৰ নামত পইচা দিয়াৰ ব্যৱস্থা আছেনে নাই মই নাজানো, কিন্তু তেওঁলোকৰ অন্তত যাতে পোচাক বোৰ ভাল হয়। মাজতে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া আৰু আমি ২০ বছৰমান আগতে কেৰেলাত গৈছিলো। কেৰেলাত যাওঁতে তাত এগৰাকী justiceক সুধিছিলো যে আপোনালোকৰ economic টো কি? তেওঁলোকে কৈছে যে আমাৰ economic টো হ'ল যে ঠেলা চলোৱা, ৰিক্সা চলোৱা মানুহেও দিনত দুবাৰকৈ কাপোৰ সলনি কৰিব পাৰে। অৰ্থাৎ ঠেলা চলোৱা, ৰিক্সা চলোৱা মানুহটোৰে দিনত দুবাৰ কাপোৰ সলনি কৰিব

পাৰে মানে তেওঁলোকে তেওঁলোকৰ সেই দুবাৰ কাপোৰ সলনি কৰিব পৰাকৈ পোচাক থাকে, কাপোৰ থাকে। গতিকে সেইটো এটা প্ৰতিফলন হয় এটা ৰাজ্য বা এটা চৰকাৰৰ। গতিকে মই বহুত দেখা পাওঁ যে পুলিচ থানা বিলাকৰ আমাৰ ব্যৱহাৰ কৰা পোচাক, সেই পোচাক বিলাক যিমান পৰ্য্যায়ত হ'ব লাগে সিমান পৰ্য্যায়ত নহয়। গতিকে চৰকাৰ খনে যদি আমি স্মাৰ্ট পুলিচ বনাব লাগে তেতিয়া তেওঁলোকৰ হাতত প্ৰশিক্ষণে নহয় তেওঁলোকৰ হাতত দিয়া মৰাণাস্ত্ৰ, তেওঁলোকৰ হাতত দিয়া weapon, তেওঁলোকৰ পোচাক আদি সকলোৰ ক্ষেত্ৰতে আমি তেওঁলোকক স্মাৰ্ট কৰিবৰ কাৰণে চিন্তা কৰিব লাগিব, তেওঁলোকৰ শৰীৰ চৰ্চাৰে পৰা আৰম্ভ কৰি স্বাস্থ্য সেৱালৈকে। মই পুলিচ থানা বিলাকত, আমাৰ গুৱাহাটীতো এখন আছে সেই স্বাস্থ্য সেৱা বিলাকত পুলিচৰ কিমান কি সুবিধা আছে মই নাজানো। আগতে সেইখন আচামী ৰখা আছিল পানবজাৰত থকাখন। গতিকে স্বাস্থ্য সেৱাৰ পৰা, শৰীৰ চৰ্চাৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে পুলিচক যাতে চৰকাৰ খনে সহায় কৰিব পাৰে সেই ব্যৱস্থাটো কৰিব বুলি মই আশা ৰাখিছো। দৰমহাৰ ক্ষেত্ৰত যিহেতু ইয়াত পইচা ধৰা হৈছে দৰমহাটো আটাইতকৈ গুৰুত্বপূৰ্ণ কথা আৰু আমি দুৰ্নীতি নিবাৰণ কৰিব লাগিলে এটা পৰিয়াল চলিব পৰাকৈ, ভৰণ পোষণ দিব পৰাকৈ, দৰমহাটোৱে কিন্তু এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেই কাৰণে পুলিচৰ যিবিলাক তলৰ পৰ্য্যায়ৰ পুলিচৰ দৰমহা, আজি মই দেখা পাওঁ যে আমাৰ লগতে কিছুমান পুলিচ থাকে, বেটেলীয়ান বিলাক থাকে, তেওঁলোকে যদি কোনোবা এঠাইত duty ত যায় কাম কৰিবলৈ, তেওঁলোকৰ থাকিবলৈও এটা ভাল ব্যৱস্থা আমি কৰি নিদিও। গতিকে এই ধৰণৰ কথা বিলাকে পুলিচ বিভাগৰ মানুহ বিলাকৰ যেতিয়া একেই স্নাতক লৰা এটাই কৰবাত বেটেলীয়ানত কাম কৰিছে, একেই স্নাতক লৰা এটাই অন্য বিভাগত কাম কৰিছে, তেওঁৰ দৰমহাটো যথেষ্ট বেছি হয়, তেওঁৰ living standred টো বহুত বাঢ়ি যায় আৰু একেই মেধা সম্পন্ন বা একেই পৰ্য্যায়ৰ এজন যদি পুলিচত চাকৰি কৰা মানুহ থাকে, তেওঁ যদি সৎ পথত চলিবলগীয়া হয়, সেই standred টো তেওঁ maintain কৰিব নোৱাৰা হয়। যাৰ ফলত বোধহয় নিজৰ মানসিক দণ্ড হয় আৰু কিছুমানে অনিশ্চাকৃত ভাৱে হলেও দূৰ্নীতি কৰিবৰ কাৰণে বাধ্য হয়। গতিকে এই যে মানসিক দণ্ড, এইটো বন্ধ কৰিবৰ কাৰণেও দৰমহা পাতিৰ পৰা আদি কৰি সকলো ক্ষেত্ৰত আমি কিন্তু অলপমান চৰকাৰ খনে care লব লাগিব। যাতে পুলিচ বিভাগক সততাৰে, পুলিচ বিভাগক নিষ্ঠাৰে, পুলিচ বিভাগে দেশৰ হৈ জনসাধৰণৰ বাবে বন্ধু হৈ কাম কৰিব পাৰে তাৰ কাৰণে চৰকাৰ খনৰ এটা নৈতিক দায়িত্ব আছে বুলি ভাৱো আৰু সেই কাৰণে এই কৰ্তন প্ৰস্তাৱৰ মই বিৰোধিতা কৰিছো, মই আশা কৰো বিৰোধী পক্ষই এই কথাখিনি উপলব্ধি কৰিব। মই কোনো চৰকাৰ কোনো বিৰোধী পক্ষক কাকোয়ে সমালোচনা কৰিব খোজা নাই, কিন্তু মই যিখিনি উপলব্ধি কৰিছো যে অসম চৰকাৰ খনে এইবাৰ পুলিচ বিভাগক যথেষ্ট সততা আৰু নিষ্ঠাৰে কামত লগাইছে আৰু সেই কাৰণে আজি পুলিচ বিভাগে আজি বহুকেইটা এনেধৰণৰ, বিভিন্ন ধৰণৰ দূৰ্নীতিয়ে যেন আজি সফলতা লাভ কৰিবৰ কাৰণে আজি পুলিচ বিভাগ সফল হৈছে। তাৰ কাৰণে মই পুলিচ বিভাগক অভিনন্দন জনাইছো আৰু ভাবো যে পুলিচে যি সততাৰে আজি পুলিচ বিভাগে আজি বিভিন্ন কেলেংকাৰীৰ তেওঁলোকে আজি ৰোধ বা শিপাৰে যাবৰ কাৰণে সক্ষম হৈছে আৰু অসমত চলি থকা এনেধৰণৰ কেলেংকাৰী আৰু পুলিচ বিভাগৰ কিছু বিষয়াৰ বিৰুদ্ধে থকা সেই অভিযোগ বিলাক তেওঁলোকে নস্যাৎ কৰি পুলিচ বিভাগটো অসমৰ এক নম্বৰ বিভাগ হওক, য'ত দূৰ্নীতি নাই। তেতিয়াহে চৰকাৰৰ সচাঅৰ্থৎ এখন move হ'বৰ কাৰণে, অসম এখন চৰকাৰৰ প্ৰতিনিধিত্ব কৰিব এখন চৰকাৰৰ তেঁওলোকৰ এখন দাপোনৰ নিচিনা হ'বৰ কাৰণে তেওঁলোক সক্ষম হব। এই বিশ্বাস ৰাখি মোক

কৰলৈ দিয়াৰ কাৰণে উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া বি পি এফ দলৰ পৰা মহেশ্বৰ বড়ো ডাঙৰীয়া।

**শ্ৰী মহেশ্বৰ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, আজি সদনত বিৰোধীৰ পৰা যি পৰিপূৰক দাবী মঞ্জুৰী, এই মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ সম্পূৰ্ণ বিৰোধীতা কৰি আৰক্ষী বিভাগৰ ওপৰত দুষাৰ বক্তব্য দাঙি ধৰিব ওলাইছো। প্ৰথমে আপোনাক ধন্যবাদ জনাইছো মোক ইয়াত অংশ গ্ৰহণ কৰিবৰ সুবিধা দিয়াৰ কাৰণে। উপাধ্যক্ষ মহোদয়, আৰক্ষী বিষয়ে সুন্দৰ ভাৱে কি কি কৰিছে কি কৰা নাই আমাৰ পদ্মা হাজৰিকা, সত্যব্ৰত কলিতা তেখেত সকলে সুন্দৰ ভাৱে ব্যাখ্যা কৰিছে। আৰক্ষী সৱল কৰাৰ স্বাৰ্থত বৰঞ্চ আজি যিমানখিনি পইচা দিছে তাৰ আৰু বেছিকৈ পইচা দিয়াৰ প্ৰয়োজন আছে বুলি মই ভাবো। কাৰণ অসমত বিভিন্ন নতুন নতুন জিলা কৰি দিয়া হ'ল। তাৰ লগতে আৰক্ষী বিভাগকো reorganize কৰি নতুন নতুন জিলাৰ যিখিনি geographical এৰিয়া তাৰ ভিতৰতে আমাৰ আৰক্ষী বিভাগক চলাবৰ কাৰণে ঠিক থাক কৰি দিয়া হ'ল। এতিয়া তাতে জটিলতা, সমস্যা আমি দেখা পাইছো আৰু এই জটিল সমস্যা বিলাকৰ কাৰণে কিছুমান ঠাইত এনেকুৱা দূৰত্বত থাকিল গৈ অঞ্চল বিলাকে, যাৰ ফলত এই অঞ্চলত আৰক্ষীৰ প্ৰয়োজনীয়তা অনুভৱ কৰি চৰকাৰে প্ৰেট্ৰ'লিং পোষ্ট বিলাক বহুৱাই দিয়া হৈছে। এইবোৰ অঞ্চলত permanent out post ৰ অত্যন্ত প্ৰয়োজন। তেনেকুৱা লেখিয়া কৰিবৰ কাৰণে আউ পোষ্ট বিলাক বহুৱাবৰ কাৰণে এতিয়া নিশ্চয় পুলিচ বিভাগক যথেষ্টখিনি পইচাৰ প্ৰয়োজন আৰু তাৰ উদাহৰণ হিচাপে তাৰ প্ৰপ'জেল বিভাগীয় ভাৱেও প্ৰেৰণ কৰা হৈছে আৰু তাৰ অফিচিয়েল কাম বিলাক চলি থকা হৈছে। ঠিক তেনেকুৱা উদাহৰণ হিচাপে মই আগৰ assembly বিলাকতো বহু প্ৰশ্ন উত্থাপন কৰিছিলো আৰু এই অঞ্চলৰ পৰা বৰ্তমান আউত পোষ্ট creationৰ কাৰণে, আউত পোষ্ট বহুৱাবৰ কাৰণে file process চলি আছে। মোৰ সমষ্টিৰে নামশলা, আমাৰ জিলা আগত দৰং আছিল, দৰং দুটা জিলাত বিভক্ত কৰি ওদালগুৰি আৰু দৰং কৰা হ'ল। এতিয়া দৰঙৰ পাৰ্টখিনি উত্তৰ ফালে আমাৰ বহুখিনি ঠাই দূৰত্ব হয়, এই দূৰত্ব অঞ্চল বিলাকৰ কোনোবা চিপাঝাৰ থানাৰ অন্তৰ্গত কৰাই দিয়া হ'ল, কোনোবাক মঙ্গলদৈ থানাত অন্তৰ্গত কৰাই দিয়া হ'ল। এতিয়া এইবোৰ অঞ্চলত এতিয়া বহু দূৰ হোৱাৰ কাৰণে প্ৰেট্ৰ'লিং পোষ্ট বহোৱা হৈছে। তাৰ কাৰণে মোৰ সমষ্টিৰ নামশলাত প্ৰেট্ৰ'লিং পোষ্ট বহোৱা হৈছে, দলং ঘাটত প্ৰেট্ৰ'লিং পোষ্ট বহোৱা হৈছে, লখিমপুৰত প্ৰেট্ৰ'লিং পোষ্ট বহোৱা হৈছে। ঠিক তেনেকৈ মঙ্গলদৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত, এতিয়া এই অঞ্চলখিনি ওদালগুৰি জিলাত পৰে, তাতে ভকতপাৰাত বৰ্তমান প্ৰেট্ৰ'লিং পোষ্ট দি চলাই থকা হৈছে। গতিকে এইবোৰ অঞ্চলত আউত পোষ্টৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ৰাইজৰ আবেদন আৰু বিভাগীয় অনুভৱ কৰা কাৰণে আজি এই অঞ্চল বিলাকত Out Post বহাবৰ কাৰণে এতিয়া File Process চলি আছে। সেইখিনি যাতে সোনাকালে কৰিব পাৰে তাৰ কাৰণে মই আপোনাৰ যোগেদি চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিছো তাৰ বাহিৰে বাক্সা জিলাতো আমাৰ চিমলা থানাৰ অন্তৰ্গত ডাউধাৰত এটা Out Post ৰ কাৰণে প্ৰস্তাৱো আহিছে। তাৰ কাৰণে File Process চলি আছে, File No. 544 নম্বৰত ২০১৬ ত এতিয়া চলি আছে ইন্দো-ভূটান Border ত অত্যন্ত প্ৰয়োজন। পুলিচৰ ইয়াতে উপস্থিতি নিশ্চিত কৰাৰ কাৰণে ইয়াত Out Post ৰ ব্যৱস্থাখিনি কৰিবৰ কাৰণে নিশ্চয় চৰকাৰখনে অতি সোনকালে ব্যৱস্থা ল'ব মই আশা ৰাখিছো। এতিয়া কথা হ'ল পুলিচ যথেষ্টখিনি ধন্যবাদৰ পাত্ৰ, কাৰণ আজিৰ তাৰিখত যিমানখিনি Crime চলি আছে আৰু Criminal বিলাক ওলাই পৰাত যথেষ্টখিনি ভাল

ভূমিকা লৈ আজি যথেষ্ট Crime যি সকলে ব্যক্তিয়ে কৰিছে, তেখেত সকলে যদি দূৰ দুৰণিত পলাই আছে, তেখেতক সকলক আজি উলিয়াই আনি Arrest কৰি তাৰ punishment ৰ ব্যৱস্থাখিনি আমি পুলিচ বিভাগত দেখিবলৈ পায় আছো। উদাহৰণ স্বৰূপে সৌ সিদিনাখন টংলাত এজন ছাত্ৰক হত্যা কৰা হৈছিল, যি সকল ব্যক্তিয়ে হত্যা কৰিছিল তেখেত সকলে বহু দুৰত গৈ পলাই আছিল। কিন্তু এই বিলাকক আজি পুলিচে বিচাৰি আনি সকলোকে Arrest কৰিছে। তাৰ কাৰণে পুলিচ বিভাগক নিশ্চয় ধন্যবাদ দিব লাগিব তেওঁলোকে প্ৰশংসাৰ পাত্ৰ। কেতিয়াবা দুই এটা কিছু আপত্তি জনক কাম দেখিবলৈ পাও। তেতিয়া হলে জনসাধৰণৰ পুলিচৰ ওচৰত আস্থা নাইকিয়া হৈ যোৱা পৰিৱেশ আমি দেখিবলৈ পাও। উদাহৰণ হিচাবে আমাৰ পানেৰী থানাৰ অন্তৰ্গত আমাৰ গুৰীয়াজাৰ বুলি ঠাইত BPF দলৰ কাৰ্য্যালয় আছিল, এটা ঘটনাক লৈ এই কাৰ্য্যালয়টো বহুতো উত্তেজনা হয় ৰাইজে ভাঙি চুৰ মাৰ কৰিছিলে। য'ত BPF দলৰ কোনো লোক জড়িত নাছিল কাৰ্য্যালয় ভঙা কোনো প্ৰশ্ন নাছিল। কাৰ্য্যালয়টো ভঙাৰ পিছত যি সকলে ভাঙিছে তেখেত সকলৰ ওপৰত Case দিয়া হ'ল। Case দিয়াৰ পিছতো পানেৰী থানাৰ অন্তৰ্গত বিষয়াজনক দায়িত্ব নিদিয়াকৈ ওদালগুৰি থানাৰ এই অঞ্চলৰ Crime কৰা ব্যক্তি সকলক Arrest কৰিবৰ কাৰণে বা বিচাৰিবৰ কাৰণে দায়িত্ব দিয়া হ'ল। Whereas এই অঞ্চলৰ সম্পৰ্কে ওদালগুৰি থানাৰ বিষয়াজনৰ কোনো জ্ঞান নাই । গতিকে তেনেকুৱা ক্ষেত্ৰত যি সকল ব্যক্তিয়ে Crime কৰিছিল তেওঁলোকে Advance Bail লৈ ঘুৰি ফুৰা আমি দেখিবলৈ পালো। গতিকে তেনেকুৱা যদি পুলিচ থানা আমাৰ পানেৰী অন্তৰ্গত OCজনক দায়িত্ব দিলে হেঁতেন আৰু যি সকলে Crime কৰিছিল তেখেত সকলক Arrest কৰিবৰ কাৰণে অনায়াসে সক্ষম হ'লহেতেন। গতিকে তেনেকুৱা কাম বিলাকৰ পৰা দূৰত থকাটো ভাল। এতিয়া আমাৰ পুলিচ থানাৰ সম্পৰ্কে মই ক'ব বিচাৰিছো, যে আমাৰ অঞ্চল বিলাকৰ বহু থানা আমি জৰাজীৰ্ণ অৱস্থাত থকা দেখিবলৈ পাও। ইয়াত থাকিবৰ কাৰণে Quarter বিলাকৰ মেৰামতি নাই, বৰষুণ পৰে। যাৰ ফলত চৰকাৰৰ ফালৰ পৰা প্ৰত্যকখন থানাত ২ কোটি কৈ টকা আন্তঃগাথনি নিৰ্মাণৰ বাবে দিয়াৰ কথাটো প্ৰথম বাজেটত ঘোষণা হৈছিল। আজি হয়তো কাৰ্য্যকৰী হৈ আছে, বহুতো থানালৈকে গৈ পোৱা নাই। আমাৰ অঞ্চল বিলাকত থকা থানাৰ অৱস্থা খুৱ শোচনীয়, কিন্তু এই বিলাক থানাত অত্যন্ত ভাল কাম কৰি থকা থানা, অত্যন্ত প্ৰয়োজনীয় থানা। এই বিলাকৰ আন্তঃগাথনি যদি ভালকৈ কৰি দিয়াটো জৰুৰী। থিক তেনেকৈ কলাইগাওঁ, খৈৰাবাৰী থানাৰ অৱস্থা আমি দেখিবলৈ পাও। আৰু যি বিলাক নতুনকৈ নিৰ্মাণ কৰি দিয়া হৈছে যে অতি সুন্দৰ এটা পৰিৱেশ দেখিবলৈ পাও। গতিকে এই ক্ষেত্ৰত আমাৰ এই থানা বিলাকত ভালকৈ আন্তঃগাথনি নিৰ্মাণ কৰি দিয়ে কাৰণ Quarter ৰ অৱস্থা বেয়া আৰু Police Station ৰ অৱস্থা বেয়া। আৰু ব্ৰিটিছ ৰ দিনতে বনোৱা ঘৰ বিলাকতে আজি পুলিচ বিলাকে Duty কৰি আছে। গতিকে পাৰিলে চৰকাৰে আৰক্ষী বিভাগক বেছি পইচা ইয়াৰ আন্তঃগাথনি বিলাক পুনৰ নিৰ্মাণ কৰি আমাৰ প্ৰশাসনিক বা আমাৰ পুলিচ বিভাগক উৎসাহিত কৰাৰ অত্যন্ত প্ৰয়োজন আছে। গতিকে সেই ক্ষেত্ৰত নিশ্চয় চৰকাৰে ব্যৱস্থা ল'ব মই তাকে অনুৰোধ ৰাখিছো। এতিয়া আমাৰ নতুন জিলা হোৱা হিচাপে Sub-division ৰ Creation হ'ল Sub-division বিলাকত আমাৰ অঞ্চলৰে কথা কওঁ ওদালগুৰি জিলাত ভেৰগাওঁ Sub-division, ইয়াত SDPO জন আমাৰ ভেৰগাওঁৰ বেলেগ ঠাইত থাকে। ভেৰগাওঁতে থাকিব পৰা এতিয়া ঘৰ নিৰ্মাণ কৰি দিয়া হ'ল কিন্তু তাত জংঘলেৰে আগুৰি ধৰাত এই ঠাইত নাথাকি বেলেগ ঠাইৰ পৰা Duty কৰি থকা হৈছে। বাৰে বাৰে আমি DC ক কৈছো, SP মহোদয়কো কৈছো, যে SDPO কাৰ্য্যালয়টো ঘৰ বনাই দিয়া হ'ল ইয়াতে আনিবৰ

কাৰণে আপোনালোকে ব্যৱস্থা ল'ব লাগে। সেইখিনি আমাক কোৱাৰ পিছত কথা দিয়া হয় কিন্তু আজিলৈকে কাৰ্য্যকৰী কৰা আমি দেখিবলৈ নাপাওঁ। এই ক্ষেত্ৰত যাতে চৰকাৰে নিৰ্দেশনা দি দিয়ে, যি ঠাইত কাৰ্য্যালয় হ'ব লাগে সেই ঠাইত যাতে কাৰ্য্যালয়টো বহুৱাই পুলিচ বিভাগটো ভালকৈ পৰিচালনা কৰে। তাৰ প্ৰতি নিশ্চয় চৰকাৰে ব্যৱস্থা ল'ব, মই এইখিনি অনুৰোধ ৰাখিছো। গাড়ীৰ কথা কৈছে পুলিচ থানা বিলাকত Ambulance দিয়াৰ ব্যৱস্থা কৰিব লাগে, Dead body নিবৰ কাৰণে। কেতিয়াবা এনেকুৰা হয় যে ৰাইজৰ মাজত চোৰ ধৰা পৰে আৰু মাৰপিট হয়, একেবাৰে মৰি যোৱা অৱস্থা হয়, তেনে অৱস্থাৰ পৰা উঠাই আনিব লগীয়া হয়। গতিকে তেনেকুৰা ক্ষেত্ৰত পুলিচৰ হাতত Ambulance বা গাড়ী নাই। এনেকুৰা অৱস্থাত খুব অসুবিধা দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত যাতে পাৰিলে প্ৰত্যকখন থানাতে Ambulance দিয়াৰ ব্যৱস্থা কৰিলেও আমাৰ পুলিচ বিভাগৰ বিষয়া সকলে যথেষ্ট সকাহ পাব আৰু কাম কৰিবৰ পাৰে বেছিকৈ উৎসাহিত হব। গতিকে এইখিনি মূল কথা আজিৰ এই সময়ছোৱাত মই আমাৰ বিৰোধীয়ে যি দাবী মঞ্জুৰী ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক সম্পৰ্ণ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত আজি ১৪ নম্বৰ দাবী মঞ্জুৰীৰ যি কৰ্ত্তন প্ৰস্তাৱ বিৰোধী দলৰ দলপতিয়ে প্ৰস্তাৱ কৰিছে, তাৰ সমৰ্থনত দুষাৰ কথা কোৱাৰ প্ৰয়াস কৰিছো। আজি আপোনালোকে নিশ্চয় দেখিছে যে আমাৰ বিৰোধী পক্ষৰ দলপতিয়ে যেতিয়া কৰ্ত্তন প্ৰস্তাৱ উপস্থাপন কৰিছিল, সাধৰণতে দেখা যায় যে বিভিন্ন ধৰণে চৰকাৰখনক সমলোচনা কৰে। কিন্তু আমি এটা ঠিক কৰিছিলো যে আমি কেৱল সমলোচনা নকৰো আমি গঠন মূলক এটা দৃষ্টিভংগী অসমৰ ৰাইজক দিম। আৰু যদি আমাৰ কথাখিনি গ্ৰহণযোগ্য বুলি ভাৱে চৰকাৰে ইয়াৰ ওপৰত বিচাৰ কৰিব। কিন্তু দেখা গল উপাধ্যক্ষ মহোদয়, চৰকাৰী পক্ষৰ কিছু সদস্যই এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি যোৱা ১৫ বছৰ চৰকাৰখনৰ সমলোচনা কৰিছে। সেইখিনি যদি আমি অকণমান চুই নাযাওঁ তেতিয়া হলে সঁচা কথাখিনি ৰাইজে নাজানিব। অসম পুলিচৰ এটা সুনাম আছে। সততা, নিষ্ঠা, আন্তৰিকতা অসম পুলিচৰ আছে। অসম পুলিচক কেৱল অসমেই নহয় ভাৰত বৰ্ষৰ যিমান ৰাজ্য আছে তাৰে বহুতে প্ৰশংসা কৰে। সেইয়ে আমি বিৰোধী পক্ষত থাকি সামগ্ৰীক ভাবে যিসকলে ভাৰত বৰ্ষত অসম আৰক্ষীৰ প্ৰতিচ্ছবি উজ্জ্বল কৰি ৰাখিছে সেই সকলক আমি সমালোচনা নকৰো। কিন্তু পইন্ট এক শতাংশ যিসকলৰ কাৰণে আমাৰ এই আভিজাত্য ও সুনাম কিছু পৰিমানে লাঘৱ হৈছে। সেই কথাখিনি আজি আমি বিৰোধী পক্ষ হিচাপে উপস্থাপন কৰিব লাগিব। আগতেই কৈছিলো যে, আমি পোন্ধৰ বছৰৰ কথা বিলাক কবলৈ নাজাও। যিহেতু পোন্ধৰ বছৰৰ কথা কৈছে আমি অলপ আগুৱাই বিশ বছৰৰ কথা ক'ব বিচাৰিছো। আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীয়ে কৈছে যে ১৯৮৫ চনলৈ যাব পাৰি নেকি ? আমি আপোনালোকৰ কথাখিনি ধৈৰ্য্য সহকাৰে শুনিছো আপোনালোকেও শুনিলে ভাল পাম। ২০০১ চনত আমি উত্তৰাধিকাৰী হিচাপে কি পাইছিলো। ভাঙি-চিঙি যোৱা এটা অৰ্থনীতি, দূৰ্বল আইন শৃংখলা পৰিস্থিতি, নিবনুৱা সমস্যা -অৰ্থাৎ থান-বান হৈ থকা এখন অসম আমি পাইছিলো। বৰ্তমান সদনত অনুপস্থিত আজি যিসকলে - পোন্ধৰ বছৰ, পোন্ধৰ বছৰ বুলি কয় সেই সকলে এটা সময়ত আমাৰ লগতে আছিল, এতিয়া তেওঁলোকে তাত থাকে আমি ইয়ালৈ আহিলো। উপাধ্যক্ষ মহোদয়, ২০০১ চনত কৰ্মচাৰীয়ে দৰমহা পোৱা নাছিল। সেইটো আমি পিচত আলোচনা কৰিম। সেই সময়ত স্কুল-কলেজৰ আন্তঃগাথনি জৰাজীৰ্ণ আছিল, আইন শৃংখলা পৰিস্থিতিৰো এখন শোচনীয় ছবি আছিল। আলফাৰ

সমস্যা, চালফাৰ সমস্যা সেই কথাবিলাক আজি আমি পাহৰি গ'লে নহ'ব। তেতিয়া ঘৰৰ মানুহজন গুৱাহাটীলৈ আহিলে ঘুৰি যাবনে নাযাব সেই কথা ভাবি উভটি নোযোৱালৈকে চাই থাকিব লগীয়া এটা অৱস্থা আছিল। উত্তৰাধিকাৰীসূত্ৰে পোৱা অসমখনক আমি প্ৰথমতে অৰ্থনৈতিক ভাবে টনকীয়াল কৰিলো, কৰ্মচাৰি সকলক দৰমহা দিয়া আৰম্ভ হ'ল। তাৰ পৰবৰ্ত্তী সময়ত কেন্দ্ৰীয় চৰকাৰৰ সমান মৰগীয়া বানচ দাবী কৰিলে সেইটোও দিয়া হ'ল। স্কুল-কলেজৰ আন্তঃগাথনি দিয়া হ'ল। ৰাজীৱগান্ধী কম্পিউটাৰ লিটাৰেচিৰ যোগেদি কম্পিউটাৰ দিয়া হ'ল। এতিয়া সেইটো বন্ধ কৰিলে। তাৰ পৰবৰ্তী সয়মত আলফাৰ ল'ৰা সকলক আমি মাতি আনিলো - আমি টেবুলত বহুৱালো - তেওঁলোকে অস্ত্ৰ ত্যাগ কৰিলে। উপাধ্যক্ষ মহোদয় সেই সময়ত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত এখন বুজাবুজিৰ চুক্তি হৈছিল - সেই চুক্তিত কি আছিল? চুক্তিত আছিল চাকৰি বন্ধ কৰা কথা। এনেকুৱা চুক্তি কোনোবাই কৰে নেকি? উপাধ্যক্ষ মহোদয় আপুনিই কওক। এবছৰ গ'ল, দুবছৰ গ'ল আমি ২০০১ ত নোৱাৰিলো। পৰবৰ্তী সময়ত ইউ.পি.এ চৰকাৰ হ'ল আৰু আমি বুজাবুজিৰ চুক্তিখন বাতিল কৰিলো। যাৰ ফলশ্ৰুতিত ল'ৰা বিলাকে চাকৰি পাবলৈ ধৰিলে। উপাধ্যক্ষ মহোদয়, আজি পোন্ধৰ বছৰৰ কথা কিছুমানে ক'লে আমি আপত্তি নকৰো, আমি উত্তৰ দিম কিন্তু পোন্ধৰ বছৰৰ কথা সেই সকলেহে কয়, যিসকলৰ অপৰ্কৰ্মৰ কাৰণে আজি আমি বিৰোধীৰ আসনত বহিবলগা হৈছে। অসমৰ মানুহে চাই আছে - আমাৰ বিশ্বাস যে সেইসকলৰ কাৰণে আপোনালোকক বিৰোধীৰ আসনলৈ লৈ আহিব আৰু আমাক আকৌ শাসনৰ আসনলৈ লৈ যাব। দিশপুৰৰ পৰা ঘৰলৈ যাওঁক - গম লওঁক- পেট্ৰলৰ দামৰ কি অৱস্থা, ডিজেলৰ দামৰ কি অৱস্থা, ৰন্ধন গেছৰ কি দাম - সমষ্টিত খবৰ লওঁক। তাৰ পিছত পোন্ধৰ বছৰৰ সপোনা দেখিব। এই পাঁচটা বছৰ নাযায় নোপোৱাই লাগিছে ৰাইজৰ, এই পাঁচটা বছৰ যোৱাৰ পিছত আপোনালোকে যাতে নকয় - আমি নোৱাৰো আৰু আপোনালোক আহক। মাননীয় উপাধ্যক্ষ মহোদয়, আমি আৰক্ষীক প্ৰশংসা কৰিছো, আৰক্ষী আমাৰ আভিজাত্য। এতিয়া আমি যি সকল দেখিছো সেইসকলৰ অসমৰ সন্তান, ভাৰত বৰ্ষৰ বিভিন্ন ঠাইৰ সন্তান। সেই সকলক আমি প্ৰশংসা কৰিছো আমি সমালোচনা কৰা নাই। সেই কাৰণে আমাৰ লিডাৰে যেতিয়া কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছিল তেতিয়া নূন্যতম কিছু কথা কৈ চৰকাৰক কবলৈ সুবিধা দিছিলো। কিন্তু এতিয়া আমাক ক'বলৈ বাধ্য কৰালে। উপাধ্যক্ষ মহোদয়, আমাৰ কথা হ'ল শাসক পক্ষই পোন্ধৰ বছৰৰ কথা ক'লে -

(সদনত একেলগে শাসক-বিৰোধীৰ বহুকেইজন সদস্যই একে লগে কয় যাৰ ফলশ্ৰুতিত এক হুলুস্থুলীয়া পৰিবেশ হয়)

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ উপাধ্যক্ষ মহোদয়, মই আমাৰ বিজেপি দলৰ মাননীয় সদস্যসকলক অনুৰোধ কৰিছো যে - তেখেত সকলে যাতে বিৰোধীয়ে ভাষণ দি থকা অৱস্থাত কোনো কথা নকয়। মাননীয় বিৰোধী পক্ষৰ সদস্য গৰাকীক কথাখিনি খোলাকৈ কবলৈ দিয়ক, যাতে আমিও উত্তৰ দিয়তে খোলাকৈ দিব পাৰো। শাসক পক্ষৰ কোনোও যাতে কথা কওতে অসুবিধা প্ৰদান নকৰে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়া আপুনি আৰম্ভ কৰক।

**শ্ৰীৰকিবুল হুছেইন** ঃ উপাধ্যক্ষ মহোদয়, আমি উত্তৰাধিকাৰী সূত্ৰে কি পালো সংক্ষেপে আপোনালোকক কৈ দিওঁ। ২০০১ চনৰ পৰা আমি একেলগে পোন্ধৰ বছৰ চৰকাৰ কৰি থকা নাই? বাৰে বাৰে কৈ থাকে পোন্ধৰ বছৰ, পোন্ধৰ বছৰ। ২০০১ ৰ পিছত আমি ২০০৬ চনত আমি ৰাইজৰ মাজলৈ গৈছো - ৰাইজে কৈছে - হয়, আপোনালোকে ভাল কাম কৰিছে - আপোনালোকে আকৌ

চৰকাৰ কৰক। ২০০৬ ৰ পিছত আমি ২০১১ চনত আমি ৰাইজৰ মাজলৈ গৈছো - ৰাইজক কৈছো আমি কাম কৰিব বিচাৰিছো আপোনালোকে আমাক সুবিধা কৰি দিয়ক। ৰাইজে কৈছে - আপোনালোকে ভাল কাম কৰিছে - আপোনালোকে আকৌ চৰকাৰ কৰক। হয় আমি স্বীকাৰ কৰিছো ২০১৬ ত ৰাইজে আমাৰ কথা নামানিলে - আপোনালোকক চৰকাৰ কৰিবলৈ দিলে - কি কাৰণত কৰিব দিলে - যে কংগ্ৰেছে বেয়া কাম কৰিছে, কংগ্ৰেছে চিণ্ডিগেট চলাই আছে, আমি কংগ্ৰেছক ভোট নিদিও। কংগ্ৰেছে চাইকেল দিছে - আমি স্কুতি দিম- প্ৰতিজন মানুহে পেঞ্চৰ লাখ টকা পাব। তিনিশ আশি টকা ৰন্ধন গেছৰ দাম- মহিলাই কেনেকৈ চলাব - আমাক ভোট দিয়ক আমি এশ আশি টকা কৰি দিম। সেই কাৰণে আমাৰ ঘৰৰ মহিলাইও বিজেপিক ভোট দিছে। অসম অসমৰ মহিলাসকলে ভাৰত বৰ্ষৰ মহিলাসকলে এটা বিজ্ঞাপনত দেখিলে যে ঘাম উলিয়াই উলিয়াই মহিলাই পাকঘৰত কাম কৰি আছে। কৈছিল চব্বিশ ঘন্টাই কাৰেণ্ট থাকিব। দুইলাখ চাকৰি দিব। উপাধ্যক্ষ মহোদয় যেতিয়া ভোট বিচাৰি যাব তেতিয়া ৰাইজে নুসুধিব নেকি ? যে ৰন্ধন গেছৰ দাম তিনিশ আশিৰ পৰা নশ টকা হ'ল। ৰাইজে প্ৰশ্ন নকৰিব নেকি ? দুইলাখ চাকৰি দিম বুলি কৈছিল, পোন্ধৰ লাখ টকা দিম বুলি কৈছিল। সেই কথা বিলাক আইন শৃংখলাৰ লগত জড়িত নহয় নেকি ? আজি সৰু সৰু দোকান বোৰ বন্ধ হৈ গৈছে - তেওঁলোকে বুজি পায়। এই কথা বিলাকৰ লগত ক্ৰাইম জড়িত হৈ আছে - কাৰণ মই ভোকত আছো- মই এজন শান্ত মানুহ- কিন্তু মই তিনি চাৰিদিন খাব পোৱা নাই- মোৰ ওচৰত এজনে ভালদৰে খাই আছে - মোৰ ভোক লাগিছে - মই ওচৰৰ মানুহজনৰ পৰা থপিয়াই খাম। অধ্যক্ষ মহোদয় এইটো হৈছে ক্ৰাইম। ভোকত ক্ৰাইম কৰে মানুহে গতিকে ভোক গোচোৱাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেইকাৰণে আমি চৰকাৰখনক এই কথাবোৰ ক'বলৈ বিচাৰিছো। আমি এটা গঠন মূলক আলোচনা কৰিম বুলি কৈছো - আমি কৰিম। আমি আৰক্ষীক সামগ্ৰীক ভাবে সমালোচনা নকৰো।

উপাধ্যক্ষ মহোদয়, আমিও মন্ত্ৰী আছিলো। সেই সময়ত আমি অনিয়মৰ কিবা কাম কৰিব দিলে তেওঁ লোকে নকৰে। কয় যে আমি অনিয়মত কাম নকৰো। এতিয়া চাওঁক, বিভিন্ন ধৰণৰ মিছা কেচ দি আমাৰ কংগ্ৰেছৰ মানুহক অত্যাচাৰ কৰিছে, নথি-পত্ৰসহকাৰে আমি দি দিব পাৰো। গতিকে উপাধ্যক্ষ মহোদয়,আমাৰ ত্ৰজন সদস্যই (এতিয়া হাউচত নাই) আধ্যাপকৰ কথা কয়। অধ্যাপক সকলে অৱসৰ পোৱাৰ পিচত ঘৰ চলাব নোৱাৰা অৱস্থা এটা আছিল। আমাৰ চৰকাৰে অধ্যাপকক পেঞ্চন দিয়াৰ পিচত অধ্যাপক সকলৰ ঘৰবোৰ কেনেকৈ চলিছে খবৰ কৰক। এই কথাবোৰ এতিয়া মানুহে পাহৰি গৈছে যে অসমত কি অৱস্থাৰ পৰা কি অৱস্থা হৈছে। আমি আৰু এটাও কংগ্ৰেছৰ মানুহৰ কথা নকওঁ। কৈছে, কংগ্ৰেছৰ দিনত বহুত মানুহ মৰিলে। আজি আমাৰ জাতি-মাটি-ভেটিৰ কথা কওঁ। ৰহাৰ মিন্টু দেউৰীয়ে এইমচ্খন লাগে বুলিহে কৈছিল। কেন্দ্ৰীয় চৰকাৰে আমাক এইমচ্খন দিম বুলি কৈছিলে। চৰকাৰীভাৱে মাটি দি পেলাই আমি কেন্দ্ৰলৈ পঠিয়াইছো। মিন্টু দেউৰীয়ে এইচম্খন মধ্য অসমত লাগে বুলি কোৱাৰ বাবে তেওঁ বুকুত গুলি খাবলগীয়া হ'ল। উপাধ্যক্ষ মহোদয়, সেই মিন্টু দেউৰী জাতি-মাটি-ভেটিৰ তালিকাত নপৰে নেকি ? মিন্টু দেউৰীৰ পৰিয়ালটোৰ আজি কি অৱস্থা হৈছে খবৰ লওঁক। তেওঁক গুলি কৰি নামাৰিলেওটো চলি গ'লহেঁতেন। যিয়ে হেৰাই, সিহে বুজি পায় উপাধ্যক্ষ মহোদয়। আজি ডিমা-হাছাওত গুলি কৰিলে, বৰবাংচা থানাৰ অ',চি কলিতাক গুলি কৰিলে, ধেমাজী আই, বি, আইৰ কংগ্ৰেছ কৰ্মী ৰফিকুলক মাৰিলে, এই কথাবিলাক এই চৰকাৰৰ দিনত হৈছে। এই কথাবিলাক আলোচনা কৰি স্ফূৰ্টি কৰিব খোজা নাই, এটা প্ৰতিকাৰ বিচাৰিছিলো আমি। আমি সেইকাৰণেই কৰ্তন প্ৰস্তাৱ উপস্থাপন কৰাৰ সময়ত বেছিকৈ

কোৰা নাই। আমি বিচাৰিছিলো যে উত্তৰ এটা দিব আৰু সেইখিনি কাম ভালকৈ কৰিব। কিন্তু কথাই প্ৰতি ১৫ বছৰ, ১৫ বছৰ কৰি থাকিব। আজি আমি কথাবিলাক ঢাকি ৰাখিলে নহ'ব। ল' এণ্ড অৰ্ডাৰ চিটুৰেশ্যন, চিণ্ডিকেট, 'ডি' ভোটাৰৰ ক্ষেত্ৰত কি হৈছে, ম'ৰেল পুলিচ, বোৰ্ডাৰ পুলিচ, ইন্টাৰ ষ্টেট বোৰ্ডাৰ এই কথাবিলাকত আজি অসমৰ মানুহে কাকতৰ যোগেদি কি কৈছে ? আজি ইয়াত কৈছে যে- (কাকতৰ পৰা পঢ়ি দিয়ে)' মুখ্যমন্ত্ৰীৰ চি, বি, আইৰ তদন্তৰ প্ৰতিশ্ৰুতি অসাৰ', অভিযোগ উঠিছিল, 'ৰাজনৈতিক নেতাৰ পৰা শীৰ্ষ আমোলা-বিষয়া জড়িত থকা উদ্ধাৰ হৈছিল চাঞ্চল্যকৰ ডায়েৰি', 'ৰহস্যজনকভাৱে বন্ধ হ'ল কয়লা চিণ্ডিকেটৰ তদন্ত', উপাধ্যক্ষ মহোদয়, ওপৰত ডাঙৰকৈ এইটো বাতৰি দিয়াৰ লগতে তলত আকৌ লিখিছে অধিসূচনা, বিধেয়ক, দীৰ্ঘম্যাদি বিচাৰ কোনোটোকে মানি লোৱা নহ'ব, 'খিলঞ্জীয়া ছাত্ৰ বিঘ্নিত হোৱা কোনো কাৰ্য সহ্য কৰা নহ'ব' (ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্য,আছু), 'নিয়মীয়া বাৰ্তা' ই কয়, 'এন, আৰ, চি উন্নীতকৰণত অসম চুক্তি নাগৰিকত্ব আইন উলংঘা', দৈনিক জনমভূমিৰ বাতৰিত আছে 'গোলাঘাটত চিণ্ডিকেটৰাজ চলিছে আৱৰ্ত ভৱনৰ পৰা', 'চুপাৰি চিণ্ডিকেটত জড়িত হৈ ডিমাপুৰত অপহৃত বি, জে, পি নেতা' । আমি নাজানো এইবিলাক আপোনালোকৰ মিছা বাতৰি কিয় দি আছে। 'চুপাৰি চিণ্ডিকেটৰ অভিকেন্দ্ৰ গোলাঘাট' , 'চুপাৰি চিণ্ডিকেটৰ ধন বিচাৰি অপহৰণৰ নাটক বি, জে, পি নেতাৰ', 'বিজনীত ৫০ ৰো অধিক কয়লাভৰ্তি ট্ৰাক আবদ্ধ, চাৰিদিনৰ পিছত গোচৰ ', । ম'ৰেল পুলিচিঙৰ কথা কৈছে যে- ' বিছনাৰ পৰা চোঁচৰাই মাতৃক জীৱন্তে জ্বলাই দিলে সুৰামত্ত পুত্ৰই'। এইবোৰ আমি কোৱা নাই উপাধ্যক্ষ ডাঙৰীয়া, কাকতত কোৱা হৈছে। যেতিয়া বিশ্বাসটো হেৰাই যায়, তেতিয়া মানুহে নিজেই ক্ৰাইম কৰিবলৈ লয়। গতিকে আমি বিচাৰিছো যে, এই কথাবিলাক আপোনালোকে কেৱল সমালোচনা কৰা বুলি ভাবি নলব। এই কথাবিলাক আপোনালোকে Address কৰক , মানুহে আপোনালোকক ভাল পাব। আমাৰ কংগ্ৰেছ বিৰোধী দলক ৫ বছৰ শাসন নালাগে, আপোনালোকেই চলাওঁক। কিন্তু কথা আৰু কামৰ মাজত মিল থাকিব লাগে। প্ৰথম বাজেট যিটো দিলে তাৰ লগত কামৰ কোনো মিল নাই। দ্বিতীয় যি দীঘলীয়া বাজেট দিলে তাৰ লগটো কামৰ কোনো মিল নাই। তৃতীয় বাজেটত ইমান ডাঙৰ ডাঙৰ কথা কলে কিন্তু কামৰ কোনো মিল নাই। টেক্সৰ ওপৰত টেক্স লোৱা হৈছে, বিভিন্ন ধৰণৰ টেক্স লোৱা হৈছে। কোনোবাই মুৰৰ ঘাম মাটিত পেলাই পইচা জমা ৰাখিছে আৰু তাৰ ওপৰতো টেক্স লোৱা হৈছে। আগতে আলফাই বন্দুক দেখুৱাই পইচা লৈছিলে, এতিয়া মোবাইলত এটা শব্দ হয় আৰু পইচা কটা যায়। এইবিলাক কেনেকুৱা ধৰণৰ অত্যাচাৰ! দক্ষবিদ মন্ত্ৰী, (আজি তেখেত নাই) তেখেতে কৈছিল যে-অসমৰ উন্নতি হ'ব। কংগ্ৰেছ দলে বেয়া পালেও মই স্বাগতম জনাম যে আজি যদি পেট্ৰ'লৰ দাম বেলেগ ৰাজ্যৰ নিচিনা দক্ষমন্ত্ৰীয়ে ৫ টকা কমাই দিবপাৰে। পেট্ৰ'ল-ডিজেলৰ দাম কমাই দিলে মই তেখেতক ৰাজহুৱাভাৱে গামোচা পিন্ধাম। সেইটো নকৰি খালি টেক্স। আজি এটা যুক্তি দিয়ে যে- ১০ লাখৰ ওপৰত যাৰ ব্যৱসায়ী উপাৰ্জন আছে, তেওঁক জি, এছ, টিৰ আওঁতাত আনিব লাগে। কালি আকৌ যুক্তি দিছিল ২০ লাখ টকাৰ, গতিকে উপাধ্যক্ষ মহোদয়, এই কথাবোৰ ঠিক হৈ থকা নাই। মোৰ পিচত আৰু বক্তা আছে, গতিকে দীঘলীয়া নকৰি আপোনালোকক কব বিচাৰিছো যে- আপোনালোকে সেইদিনা এন, আৰ, চি সম্পৰ্কত এখন শপতনামা দিছিলে। আমাৰ দলৰ ফালৰ পৰা আপোনালোকক discussionৰ দুখন কাগজো আমি২০১৭ চনৰ ১৯ মে' আৰু ৯ আগষ্ট তাৰিখে দিছিলো আৰু আপোনালোকে যিখন affidavit দিছিল, সেইখনৰো দিছিলো। কিন্তু উত্তৰটো আজিলৈকে নাপালো। যদি পাৰে আপোনালোকে উত্তৰটো অলপ চাব। আমি কব বিচাৰিছো উপাধ্যক্ষ মহোদয়, যেতিয়া বিভিন্ন ক্ৰাইম হয়, তেতিয়া মাননীয় উচ্চতম ন্যায়ালয়েও

হস্তক্ষেপ কৰে। Mob lynching ৰ ক্ষেত্ৰত মই অনুৰোধ কৰিম আজি নোৱাৰিলেও আপোনালোকে চাব আমাৰ সকলোৰে হৃদয় কপোৱা অভিজিৎ, নিলোৎপলৰ কথা বিলাক ক'ত কি হৈছে সেই বিষয়ে মই নাযাওঁ, তেনেকুৱা ধৰণৰ কিছুমান কথাৰ কাৰণে চুপ্ৰিম কোৰ্টত এটা ৰায় হৈছিল। সেই ৰায়টো হৈছিল ১৭ জুলাই ২০১৮ ত। চুপ্ৰিম কোৰ্টৰ জাৰ্জমেণ্টত যিটো ডিৰেক্শ্যন আছিলে, সেই ডিৰেক্শ্যনটো কমপ্লাই কৰিছে নে নাই মই সেইটো অকণমান আপোনালোকৰ উত্তৰত পালে ভাল পাম। তাত প্ৰায় ৪৫ পেজৰ এটা অৰ্ডাৰ আছিলে আৰু ৩৬ পেজৰ অৰ্ডাৰত লিখিছিলে
(A) Preventive Measures :

The State Governments shall designate, a senior police officer, not below the rank of Superintendent of Poilce, as Nodal Officer in each district. Such Nodal Officer shall be assisted by one of the DSP rank Officers in the district for taking measures to prevent incidents of mob violence and lynching. They shall constitute a special task force so as to procure intelligence reports about the people who are likely to commit such crimes or who are involved in spreading hate speeches, provocative statements and fake news.
আমি অনুৰোধ কৰিম যে অভিজিৎ-নিলোৎপলৰ যিটো ঘটনা হৈ গ'ল সেইটো যাতে পুনৰাবৃত্তি নহয় আৰু মাননীয় উচ্চতম ন্যায়ালয়ে যিটো ডিৰেক্শ্যন দিছে সেইটোৰ মতে আমাৰ ষ্টেট গৰ্ভমেণ্টে ন'ডেল অফিচাৰ দিছে নে নাই আৰু যদি দিছে, দুই এজনৰ নাম ক'ব পাৰে নেকি? আমি সেই কথা খিনি আপোনালোকৰ পৰা জানিব বিচাৰিম। পিছত দিলেও কোনো কথা নাই। তাৰ লগত আৰু দুটা মান কথা লিখিছে

The State Government shall forthwith identify Districts, Sub-Divisions or Villages where instances of lynching and mob violence have been reported in the recent past, say, in the last five years. The process of identification should be done within a period of three weeks from the date of this judgment. এই কথাখিনি আপোনালোকে অলপ চাব বুলি অনুৰোধ কৰিছো আৰু ডি- ভোটাৰৰ ক্ষেত্ৰত যিদৰে আমাৰ কাম বিলাক কৰিছে আমি প্ৰশংসা কৰিছো। Border police যিদৰে বিদেশীক চিনাক্ত কৰিছে আমি প্ৰশংসা কৰিছো আৰু যদি কোনোবা ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত অহা লোকক কোনোবা Border police য়ে অত্যাচাৰ কৰিছে তেওঁৰ বিৰুদ্ধে বিহীত ব্যৱস্থা লব নে নলয় সেই কথাটো চৰকাৰে অলপ চাব লাগে। প্ৰকৃত ভাৰতীয় নাগৰিকক যদি হাৰাশাস্তি কৰে সেইজনকো চাব লাগে আৰু কোনোবাই যদি বিদেশীক ধৰি দিয়ে তেওঁক পুৰস্কৃত কৰিব লাগে। এইখিনি কথা আপোনালোকৰ ওচৰত ৰাখি আমি কৰ্তন প্ৰস্তাৱক সমৰ্থন কৰি দুআষাৰ কৈ সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দেবানন্দ হাজৰিকা।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ১৪ নম্বৰ যি ঘাটি মঞ্জুৰী প্ৰস্তাৱৰ বিপক্ষে কৰ্তন প্ৰস্তাৱ আনিছে আমাৰ সন্মানীয় বিৰোধী দলে, তাৰ বিপক্ষে দু-আষাৰ ক'বলৈ ওলাইছোআৰু ক'বলৈ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। বহু জনৰ বহু বক্তব্য শুনিলো। কোনোবাই চাৰ চাদুল্লা চাহাবৰ কথাও কৈছে, কোনোবাই ক্ৰাইম ৰেকৰ্ড ইয়াত দেখুৱাইছে। তাৰ মাজত আকৌ

দৈনন্দিন দাম বৃদ্ধিৰ কথাটোও ইয়াত আহি গ'ল। এইখিনিত মোৰ কথা এটা সদায় কাণত বাজি থাকে। এই মূল্যবৃদ্ধিৰ কথাটো যে ওলাই এই মূল্যবৃদ্ধিটো আজিৰ নহয়। এটা সময়ত মোৰ মনত আছে, মই তেতিয়াওঁ ৰাজনীতিলৈ অহা নাছিলো। চাকৰি কৰি আছিলো সেই সময়ত। অত্যন্ত্য মূল্যবৃদ্ধি হৈ গৈছিলে এচেনচিয়েল কম'ডিটিত। সেই সময়ৰ প্ৰধানমন্ত্ৰী জনে এষাৰ কথা কৈছিলে " মেৰে হাথ মে কোই জাদুই কাঠি নহী হে কি মে ইছে নিছে লে আ ছকু" আজি কিন্তু সেই অৱস্থা হোৱা নাই আৰু মূল্যবৃদ্ধিৰ ওপৰত যদি ইয়াত তৰ্ক কৰিব লগীয়া হয় বেলেগ এটা সদনত মই ৰেডী আছো কিয়নো এচেনচিয়েল কম'ডিটিৰ দাম আজি অসমত বঢ়া নাই, বহুত কমি আছে। ৰেকৰ্ড মোৰ লগত আছে সময়ত মই দিব পাৰিম। মই বিশেষকৈ পুলিচ বিভাগৰ ওপৰতে কথাখিনি ৰাখিম বুলি ভাৰিছো। ইতিমধ্যে কিছুমান কথা আমাৰ আগৰ বক্তাই কৈ গৈছে। আমি আগতে সদনত কৈছিলো যে আমাক এটা স্মাৰ্ট পুলিচ টীম লাগে। এজন ভাৰতীয় নাগৰিক হিচাবে বুকুফিন্দাই জীয়াই থাকিব পৰা এজন মানুহ যিজনে পুলিচগিৰি কৰে তেওঁ নিজৰ যিটো জব চেটিচফেকশ্যন সেইটো যাতে পায় তাৰকাৰণে মই ইয়াত ওকালতি কৰিছিলো আৰু কিছুদিন পিছত দেখা পালো গুৱাহাটী চিটি পুলিচত ট্ৰেফিক পুলিচৰ ড্ৰেচটো সলনি হ'ল কিন্তু বাকী বিলাক পুলিচ একেই থাকিল। ঘাটি মঞ্জুৰীৰ যি প্ৰস্তাৱ আনিছে তাত দেখা পাইছো বিশেষকৈ দৰমহাৰ ক্ষেত্ৰত, ইকুইপ্মেণ্টৰ ক্ষেত্ৰত পইচা বিচাৰিছে কিন্তু মই আশা কৰিছিলো যে আমাৰ হোম মিনিষ্ট্ৰিয়ে আৰু বেছি পইচা বিচাৰিব কাৰণ ইয়াত বহুখিনি কাম অৰ্ন্তভুক্ত হোৱা নাই। যিখিনি আগৰ সদস্য সকলে কৈ গৈছে আৰু মইও ক'ব বিচাৰিছো। প্ৰথম কথা দক্ষতা বিকাশ। আমি কৈছো ক্ৰাইম বেছি হৈছে, পুলিচ সকলক মডাৰ্ণ ট্ৰেইনিং দিব লাগে। আজিৰ যুগত তেওঁলোকক মোকাবিলা কৰিবলৈ অস্ত্ৰ-শস্ত্ৰ প্ৰদান কৰিব লাগে। এইখিনি আমি তেওঁলোকক দিবলৈ হ'লে যথেষ্ট পইচা লাগিব আৰু যিটো পইচা আজি চৰকাৰে বিচাৰিছে ১৫,৯১৮ লাখ টকাৰ যি ঘাটি মঞ্জুৰী বিচাৰিছে মই ভাৰিছিলো যে বহুত বেছি বিচাৰিব কাৰণ ইয়াত টকাৰ প্ৰয়োজন আছে। আগতে মোৰ পুলিচৰ লগত ইমান কাৰবাৰ নাছিলে। যেতিয়া এম এল এ হ'লো, টিকট পোৱাৰ পিছৰে পৰা মই পুলিচৰ সান্নিধ্যত আহিলো। মোৰ লগত ৩ জন চিকিউৰিটি দিলে। কেতিয়াবা কেতিয়াবা মই তেওঁলোকৰ লগত কথা পাতো। পুলিচ সকলো একো একো জন সমাজৰ সন্মানীয় ব্যক্তি। আজি পুলিচ সকলক মানুহে যিধৰণে হেয় প্ৰতিপন্ন কৰি চায় এই ব্যৱস্থাটোৰ পৰা আঁতৰি আহিব পৰা এটা ব্যৱস্থা আনিব লাগে কাৰণ তেওঁলোকেৰ জীৱন ধাৰণৰ মানদণ্ড যদি উন্নত কৰিব পাৰো তেতিয়াহ'লে পুলিচ সকল আমাৰ সকলোৰে প্ৰিয় হ'ব তেওঁলোকে সকাহ, শক্তি পাব যে কেনেধৰণে ভালদৰে কাম কৰিব পাৰি। বিশেষকৈ লিভিং কনডিশ্যনৰ ক্ষেত্ৰত ক'ব বিচাৰিছো পুলিচৰ বেৰেক বিলাকৰ অৱস্থা অতি শোচনীয়। মই আহ্বান কৰিছো গৃহ বিভাগক আপোনাৰ যোগেদি যাতে তেওঁলোকৰ বেৰেক বিলাকত জীৱন ধাৰণৰ যিটো মানদণ্ড সেইটো ভাল কৰিব লাগে। টয়লেট, পানীৰ ব্যৱস্থা আদি ভালদৰে নাই। আগতে তেওঁলোকৰ মেছ ৰান হৈছিলে। আজি বহুতো ঠাইত বেৰেক বিলাকত মেছ নাই। তেওঁলোকে নিজে খানা বনাই খাব লাগে। কথাটো হৈছে যে পুলিচৰ ডিউটি ২৪ ঘণ্টা। ২৪ ঘণ্টা ডিউটি কৰিবলৈ হ'লে কেতিয়া খানা বনাব? কেতিয়া খাব? গতিকে এই কথা বিলাক অকনমান চাব লাগে। তেওঁলোকক ফুডিং এলাউয়েঞ্চ মাত্ৰ ১২০০ টকা দিয়া যায় ইন্সপেক্টৰ লেভেল পৰ্য্যন্ত। এইটো কিন্তু চাফিচিয়েণ্ট নহয়। গতিকে বেৰেক পাতি চৰকাৰী ভাৱে খানাটো খুৱাই দিলে তেওঁলোকৰ সময়ো বাচি যাব আৰু বেছি যোগ্যতাৰে কাম্খিনিও কৰিব পাৰিব। মই দেখা পাওঁ এয়াৰ পোৰ্টৰ পৰা গুৱাহাটীলৈকে প্ৰতি ১০০ মিটাৰৰ দূৰে দূৰে ৰ'দে বৰষুণে পুলিচ থিয় হৈ আছে। জানোৱা কোনো ভি আই পি আহিব। আজিকালি

অৱশ্যে এই সংস্কৃতিটো লাহে লাহে কমিছে। এদিন ৪০ জন যাত্ৰী ৰাস্তাত বন্ধ হৈ আছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত। কাৰণ মুখ্যমন্ত্ৰী আহি আছে গতিকে যাব নিদিয়ে। গতিকে পুলিচক হুকুম দিয়া হৈছে আৰু তেওঁলোকে বৰষুণত তিতি আমাৰ গাড়ী বিলাক ৰখাই থৈছে। তেতিয়া মই ভাৱিছো যে এওঁলোকক একাপ চাহ খুওৱাৰ ব্যৱস্থা থকা হ'লে! নিজৰ খৰছত তেওঁলোক ডিউটি কৰিব লগীয়া হয়। এক্সট্ৰা ডিউটি এলাউএঞ্চ তেওঁলোকে নাপায়। যেতিয়া ক'ৰবালৈ বদলি হয় বদলিৰ সময়ত পাবলগীয়া পইচা বিলাকো কেতিয়াবা সময়মতে নাপায়। আজি বিধান সভা হৈ থকা কাৰণে বহুতো পুলিচ ইয়াত নিয়োজিত হৈ আছে। তেওঁলোকক আমি কি দিছো? বাহিৰত কোনো এজনো সুখী নহয়। মই আলেঙে আলেঙে তেওঁলোকৰ কথা বিলাক শুনো। তেওঁলোক উপায়হীন। When you have accepted the uniform you have to salute your senior. এই প্ৰচিডিউৰটো লৈ ডিচিপ্লিনত থকা কাৰণে আজি ডিউটি কৰি আছে নহ'লে নহয়। তেওঁলোকৰ লগত থকা ভেহিক'লৰ কথা ইতিমধ্যে সত্যব্ৰত ডাঙৰীয়াই কৈ গৈছে। ভেহিক'লৰ অৱস্থা বেয়া। তেল কিনিব লৈকে হয়তো কেতিয়াবা তেওঁলোকৰ পইচা নাই। অ চি য়ে কেতিয়াবা কোনোবা পেট্ৰলপাম্পৰ পৰা তেল ভৰাই লৈ গৈছে, বিল পেমেণ্ট কৰা নাই। কেইজন মান গাড়ীৰ মালিকে মোলৈ ফোন কৰিছে যে আমাৰ গাড়ী বিলাক ভাৰালৈ ল'লে তাৰ পইচা কিন্তু আমাক দিয়া নাই। কেতিয়া দিব পইচা মোক সোধে। গতিকে এই বিলাকত দিবৰ কাৰণেও proper transportation system টো তেওঁলোকক দিবৰ কাৰণে আমাক যথেষ্ট পইচা লাগে। এই ক্ষেত্ৰত মই আমাৰ গৃহ বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছো। যাতে তেওঁলোকৰ গতি-বিধি সমূহ আমি বিচৰা ধৰণে হয়। এজন চোৰ বা ডকাইত গাড়ী এখন চোৰ কৰি লৈ গ'লে তেওঁলোকক খেদিবলৈ আমাৰ যথেষ্ট সংখ্যক তেনেধৰণৰ গাড়ী নাই। গতিকে আমাৰ পুলিচবোৰক ভালদৰে গাড়ী দিব লাগে। তেতিয়াহে কাৰ্য্যক্ষমতা বাঢ়িব। 7th CPC Record টো পাই মই কৈছো যে একোজন কনিষ্টবলে ২৭,৫০০ টকা, জেল ৱাৰ্ডেন ২৬,৫০০ টকা আৰু উপ-আৰক্ষী পৰিদৰ্শক এজনে ৩২,০০০ টকা মাহিলি Inclusive of all Allowances পায়। মোৰ লগত কাম কৰা চিপাহী জনে কেতিয়াবা ইউনিফৰ্ম নিপিন্ধাকৈ বন্দুকটো লৈ ডিউটি কৰিবলৈ আহে কাৰণ তিনি-চাৰিদিন বৰষুণ দিয়া বাবে ইউনিফৰ্ম পিন্ধিব পৰা নাই। কাৰণ তেওঁলোকৰ মাত্ৰ দুযোৰেই ইউনিফৰ্ম আছে। সেয়েহে মই ভাৱিছো যে তেওঁলোকক চাৰি যোৰমান ইউনিফৰ্ম চৰকাৰীভাৱে প্ৰদান কৰিব লাগে। গোটেই দিনটো একেখিনি ইউনিফৰ্ম পিন্ধি থাকিবলগীয়া হয় কাৰণে বিভিন্ন ধৰণৰ চৰ্মৰোগ আদি হয়। মই বিচাৰো যে পুলিচৰ নিয়মিতভাৱে ট্ৰেইনিং হ'ব লাগে। আজি কিছু বছৰ আগতে শ্বেখৰ সুমনে এখন ধাৰাবাহিক উলিয়াইছিল, পেটুৱা পুলিচ বুলি। পুলিচসকল ৰাতিপুৱা উঠাৰ লগে লগে সক্ৰিয় হৈ যায়। কিন্তু বহু ঠাইত তেওঁলোকৰ ৰাতিপুৱা শাৰীৰিক ব্যায়াম আদি কৰাৰ ব্যৱস্থা নাই। যাৰ কাৰণে তেওঁলোকৰ লাহে লাহে শৰীৰ ওজন বাঢ়ি আহিছে। সেইকাৰণে মই অনুৰোধ কৰিম যে থানা বা বেটেলিয়নৰ ক্ষেত্ৰতেই হওঁক, তেওঁলোকক নিয়মিতভাৱে শাৰীৰিক ব্যায়াম কৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে তেওঁলোকৰ ওজন বৃদ্ধি নহয়। গতিকে এই পেটুৱা পুলিচৰ ব্যৱস্থাটো শেষ কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা ট্ৰেইনিঙৰ ব্যৱস্থা কৰিব লাগে। ট্ৰেইনিঙৰ দৰকাৰ কাৰণ আমি বৰ্তমান আধুনিক জীৱনৰ লগত জড়িত। দিনে দিনে নতুন অপৰাধৰ সৃষ্টি হৈ আছে। বহু বেলেগ ধৰণে অপৰাধবোৰ সংঘটিত কৰি আহিছে। কাৰণ তেওঁলোকৰ যিটো Communication System, সেইটো আমাৰ আৰু পুলিচতকৈ বেছি সক্ৰিয়। যাৰ কাৰণে আমাৰ Communication System টোত তেওঁলোকে বাধা প্ৰদান কৰে। পুলিচৰ গতি-বিধি সমূহৰ বিষয়ে তেওঁলোকে

আগতীয়াকৈ গম পাই আৰু তেওঁলোকে অপৰাধ কৰিবলৈ সুবিধা পায়। সেইকাৰণে আমাৰ Communication System টো সবল কৰিব লাগে। এইটোৰে তেওঁলোকৰ দক্ষতা বিকাশ হ'ব আৰু আমাক ভাল ফল দেখুৱাব পাৰিব। আৰক্ষী চকীত আমি দেখা পাওঁ যে তেওঁলোকৰ ষ্টেশ্যনাৰী বস্তুৰ বহু অভাৱ থাকে। যাৰ ফলত তেওঁলোকে বহু অসুবিধা পাই। বহু ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে তেওঁলোকৰ লগত Political Interference হোৱা দেখা যায়। এই বিষয়ে আগতেও ইয়াত কিছুমান সদস্যই উল্লেখ কৰিছে। এদিন মোক বেলেগ এটা সমষ্টিৰ পৰা এজন লোকে ফোন কৰি জনাইছিল যে স্যাৰ আমাৰ ছেলেটাৰ বাইকটা পুলিশে নিয়ে গেছে।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিধায়ক (বিহপুৰীয়া) ঃ** কেন নিয়ে গেছে?

আমাৰ ছেলেটা ঝাণ্ডি-মুণ্ডা খেলেছিল। বাইক টা মাথাউৰিৰ উপৰে ছিল। সেটা নিয়ে গেছে।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিধায়ক (বিহপুৰীয়া) ঃ** আৰ ছেলেটা?

ছেলেটা বাদ দেন না, আমাৰ মোটৰ বাইক টা দিয়ে দেন।

তেওঁ মোক ফোন কৰাৰ পিছত মই গম পালো যে Political Interference আছে। কোনোবাই কোনো অপৰাধ কৰিলে Political Interference ৰ দ্বাৰা তেওঁলোকে শাস্তি পোৱাৰ পৰা সাৰি যোৱাৰ চেষ্টা কৰে। এই যে মই কাহিনীটো কৈছো এইটো আচলতে Political Interference ৰ। মোৰ সমষ্টিত কিছুমান লোকে কেতিয়াবা কয় যে আমাৰ বাইকখন পুলিচে লৈ গৈছে। মই যেতিয়া সুধো, কিয় লৈ গৈছে? তেওঁলোকে জনায় যে তেওঁলোকে হেলমেট পিন্ধা নাছিল। তেতিয়া মই কওঁ যে ইয়াত মই সহায় কৰিব নোৱাৰো। কাৰণ তুমি অপৰাধ কৰিছা। সেয়ে আগৰ Interference লাহে লাহে কমি আহিছে। আমাৰ মাননীয় সদস্যসকলেও এনেধৰণৰ Interference নকৰে। গতিকে পুলিচ সকলে নিজাববীয়কৈ নিয়মৰ মাজেদি আগবাঢ়ি গৈ কামখিনি কৰিবৰ সুবিধা পাইছে। আমিও এই ক্ষেত্ৰত সুবিধা দিব লাগে। মই আৰু এটা কথা ক'ব বিচৰিছো Border Outpost ৰ বিষয়ে। মই দেখা পাইছিলো যে আমাৰ অসম, অৰুণাচলৰ সীমান্তত প্ৰায় উন্মুক্ত হৈ আছে। তাত কিছুদিন আগতে এগৰাকী যুৱতীক অসমৰ ফালে হত্যা কৰি Wall পাৰ কৰি পেলাই দিলে। তাত আমি খবৰ ল'বলৈ গৈ গম পালো যে সেইবোৰ অৰুণাচলৰ মদৰ ঘাটি, জোৱাৰ আড্ডা, ড্ৰাগচৰ সৰবৰাহ আদি বিভিন্ন ধৰণৰ অপৰাধ সেই সীমান্তৰে চলি থাকে। অৰুণাচলী যিবোৰ লোকেল মদ সেইবোৰ কোনো বাধা নোহোৱাকৈ অসমলৈ সৰবৰাহ হৈ থাকে। এই বিষয়ে আমাৰ মাননীয় সদস্য পদ্ম হাজৰিকা দেৱে আগতে কৈ গৈছে। মই এই বিষয়ে আমাৰ SP আৰু Deputy Commissioner ক জনাইছো। তেওঁলোকে কৈছে যে পেট্ৰ'লিংটো বঢ়াই দিব। কিন্তু পুলিচে তাত ২৪ ঘণ্টা পেট্ৰ'লিং কৰি থাকিব নোৱাৰে। মই ভাৱিছো যে সেইবোৰ ঠাইত Border Outpost বঢ়াই দিব লাগে। আমাৰ বিহপুৰীয়া সমষ্টিত যিটো অৰুণাচলৰ সীমা, বিষ্ণুপুৰ এলেকাত আজিৰ পৰা তিনি- চাৰি বছৰ আগতে পুলিচ Outpost বনাইছিল। কিন্তু আজিলৈকে ব্যৱহাৰ নকৰিলে। মই আগতেও এই ঘৰটোৰ বিষয়ে সদনত কৈছো। পুলিচসকল ক আমাৰ চৰকাৰে কিমান অৱহেলা কৰে সেই বিষয়ে মই ক'ব বিচাৰিছো। সেই ঘৰটো চৰকাৰে বনাই দিলে। কিন্তু তাত কোনো পানী, বিজুলী, প্ৰস্ৰাৱাগাৰ-শৌচাগাৰ আদিৰ ব্যৱস্থা নাই। তাত পুলিচ থাকিবৰ বাবে কোনো বেৰেক আদিৰ বাৱস্থা নাই। কেৱল সাধাৰণভাৱে ঘৰটো বনাই থৈছে। এনেকুৱা এটা ঘৰত থাকি পুলিচ সমূহক কাম কৰিবলৈ দিলে তেওঁলোকে কি দক্ষতা বা কেনেধৰণে কাম কৰিব সেইটো ধাৰণা কৰিব পৰা যায়। গতিকে মই বিচাৰো যে তাত যিটো পুলিচ Outpost বনাই থৈছে সেইটো যাতে কাৰ্য্যক্ষম কৰে আৰু লগতে অন্য Amenities সমূহ তাত দিয়ে তাৰ বাবে মই গৃহবিভাগক অনুৰোধ জনাইছো।

ইয়াৰ বাহিৰেও সেই সীমান্তত এখন Full Flaged থানা লাগে। বৃহৎ অঞ্চল এটা কেৱল পুলিচ ব্ৰিগেড্ৰেৰে নচলে। তাত যিসমূহ Outpost আছে, সেইসমূহ সক্ৰিয় নহয়। গতিকে ভাৰিছো যে সীমাসমূহত পেট্ৰ'লিং বঢ়াব লাগে,তাৰ বাবে গাড়ী লাগে। সেইবোৰৰ কাৰণে টকাৰ প্ৰয়োজন হ'ব। গতিকে এই গোটেই সুবিধাখিনি যাতে আমাৰ Home Department য়ে দিয়ে বা আমাৰ চিনিয়ৰ পুলিচ বিষয়াসকলে যাতে মনোযোগ দিয়ে, তাৰ কাৰণে মই হোম বিভাগক অনুৰোধ জনাইছো। তেওঁলোকৰ প্ৰমোচনৰ ক্ষেত্ৰত কিছুমান অসুবিধা আছে। মই বহুত পুলিচ বিষয়াৰ লগত কথা পাতিছো আৰু গম পাইছো যে টাইম স্কেলৰ ব্যৱস্থা নাই। বিশ বছৰ ধৰি একেটা পদতে কাম কৰি আছে কিন্তু পদোন্নতি দিয়া হোৱা নাই। সেই বিষেয়ে যাতে চৰকাৰে গুৰুত্ব আৰোপ কৰে। তাৰ বাবে আমাক টকাৰ প্ৰয়োজন হ'ব। কিন্তু তেখেতসকলক Job satisfaction দিবৰ বাবে আমি এইটো কৰিব লাগিব। পুলিচ বিষয়া সকলক প্ৰত্যেক মাহতে ৬৫০ টকা Medical Allowance দিয়া হয়। কিন্তু মোৰ হিচাপে ৬৫০ টকা Medical Allowance দিয়াতকৈ Medical Recruitment ৰ ব্যৱস্থা কৰিলে বেছি ভাল হয়। কাৰণ মই দেখিছো যে মোৰ লগত থকা পুলিচ কনিষ্টবল এজনৰ চেৰিব্ৰেল মেলেৰিয়া হৈছিল। কিন্তু চৰকাৰৰ পৰা কোনো সাহাৰ্য্য নাপালো। মই সেই সম্পৰ্কে SP কো কৈছিলো, তথাপিতো বেছি সহায় নাপালে। অৱশেষত তেওঁ চিকিৎসাৰ বাবে মাটি-বাৰী বিক্ৰী কৰি চিকিৎসা কৰিবলগীয়া হৈছে। গতিকে পুলিচ কনিষ্টবল বা কনিষ্টবৰ্গৰ কৰ্মচাৰীসকলৰ মেডিকেলি জীৱন সুৰক্ষা হয়। এই কথাবিলাক বিবেচনা কৰিব লাগে।

আনহাতে তেওঁলোকে চৰকাৰী চাকৰি কৰি থকাৰ বাবে অটল অমৃত অভিযানৰ সুবিধাও ল'ব নোৱাৰে। গতিকে মই পুলিচ সকলৰ জীৱন সুৰক্ষাৰ বাবে Medical Recruitment ৰ ব্যৱস্থা কৰিবৰ বাবে চৰকাৰক অনুৰোধ কৰিছো। নহ'লে তেওঁলোকৰ বহুত অসুবিধা হয় বুলি মই তেওঁলোকৰ পৰা গম পাইছো। Recruitment ৰ ক্ষেত্ৰত যিখিনি পুলিচ নতুনকৈ recruit কৰা হৈছে, সেই পুলিচ সকলক ভালদৰে training দি প্ৰয়োজন অনুসৰি নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ বহু ঠাইত পুলিচৰ পদ, পুলিচ অফিচাৰৰ পদ খালী হৈ আছে। কিছুদিন পূৰ্বে, কিছুমান পুলিচৰ পদত আপোনালোকে মকৰল কৰিছিল যদিও এতিয়াও বহু পদ খালী হৈ আছে। লখিমপুৰ জিলাৰ SP মহোদয়ে ভালেখিনি Inspector level ৰ পদ খালী হৈ থকাৰ কথা মোক জনাইছিল। গতিকে, এই পদবোৰ যাতে শীঘ্ৰেই পূৰণ কৰি দিয়ে তাৰ বাবে মই আহ্বান জনাইছো। মই বিচাৰিছো যে আমাৰ Smart Police Force এটা গঠন হ'ব লাগে, তেওঁলোকক modern equipment দিব লাগে, তাত digital system টো ব্যৱহাৰ হ'ব লাগে, communication ৰ ক্ষেত্ৰত তেওঁলোকক upgrade কৰিব লাগে। Cyber Crime ইত্যাদিৰ নিচিনা crime বোৰ প্ৰতিৰোধ কৰিবৰ বাবে আমাৰ মাজত কেনেধৰণৰ সুবিধা আছে বা কিমানজন police personnel ক আমি training দিব পাৰিছো ইত্যাদি কথাবোৰ চোৱাৰ দৰকাৰ। সেয়েহে আমি training ৰ প্ৰয়োজনীয়তাটো বিচাৰি ল'ব লাগে। বৰ্তমান সময়ছোৱাত অসমৰ পুলিচক কি বিষয়ত training দিব লাগে বা কোনখিনি পুলিচক ক'ত, কেতিয়া training দিব লাগে, এই বিষয়ে direct design বনাব লাগে আৰু সেই design মতে training বোৰ regular কৰিব লাগে। আজি কিছুদিন আগৰ কথা, মোৰ লগতে থকা এজন পুলিচ কনিষ্টবল, তেওঁ বোধকৰো হাবিলদাৰ পৰ্যায়ৰ, তেখেত যেতিয়া training লৈ গৈছিল, মই তেওঁক কিহৰ training বুলি সোধাত তে ওঁ ক'লে যে বন্দুক মৰাৰ training. তাৰ পিছত মই যেতিয়া সুধিলো যে, বন্দুক মৰাৰ training ত কিমান বুলেটৰ প্ৰয়োজন হ'ল, তেতিয়া তেখেতে ক'লে যে, য'ত ত'ত যেনে

তেনে লাগিল চাৰ। তাৰমানে কথাটো হ'ল যে, তে ওঁৰ এতিয়া aim টো বেয়া হৈ গৈছে। কাৰণ তেওঁক যিটো বন্দুক দিয়া হৈছে, মই নিজেই কেতিয়াবা ভয় কৰো যে কোনোবাই যদি মোক আক্ৰমণ কৰিবলৈ আহে তেন্তে তেওঁৰ সেই বন্দুকটোৰ পৰা গুলী ওলাব নে নোলায়? তিনিজন পুলিচক মামৰে ধৰা তিনিটা বন্দুক দিছে আৰু তেনে মামৰে ধৰা বন্দুক মই Golconda Fort ত দেখিবলৈ পাইছিলো। গতিকে মই ভাৱো যে, পুলিচ সকলক আধুনিক অস্ত্ৰ-শস্ত্ৰ দিব লাগে।

**মাননীয় অধ্যক্ষঃ** হাজৰিকা ডাঙৰীয়া, যদি বৰ খেলি-মেলি তেন্তে আপুনি নিজেও এটা ৰাখি থ'ব।

**মাননীয় শ্ৰী দেৱানন্দ হাজৰিকা, ( বিহপুৰীয়া)ঃ** অধ্যক্ষ মহোদয়, মই ৰাখিবৰ বাবে licence ৰ দৰকাৰ হ'ব। আনহাতে যদি firearm থাকে তেন্তে মই তাক ব্যৱহাৰ কৰিব লাগিব। সেই কাৰণে নথকাই ভাল নহ'লে খং উঠিলে লগে লগে বন্দুকটোহে উলিওৱা যাব। মণিপুৰত থাকোতে মই লোৱাৰ সুবিধাও পাইছিলো কিন্তু মই নল'লো। কাৰণ মই ভাৱো যে, ৰাখে হৰি মাৰে কোনে।

অধ্যক্ষ মহোদয়, মই পুলিচক বৰ বেছি দিগদাৰী নকৰো আৰু আপোনালোকে যদি মোৰ সমষ্টিৰ থানা কেইখনক শুধে তেন্তে আপোনালোকে গম পাব যে মই কেতিয়াও তেওঁলোকক visit নকৰো। মাত্ৰ টেলিফোনৰ জৰিয়তে অসুবিধা সমূহৰ বিষয়ে খবৰ লওঁ। তাৰ বাহিৰে তেওঁলোকৰ কোনো কামতে মই হস্তক্ষেপ নকৰো। মোৰ সমষ্টিত পুলিচ সকলে freely কাম কৰি আছে। মই বিচাৰো যে গোটেই অসমত সমগ্ৰ পুলিচ বিভাগটো ৰাজনৈতিক হস্তক্ষেপ অবিহনে কাম কৰক আৰু তেতিয়াহে আমাৰ দক্ষতা বৃদ্ধি হ'ব আৰু ই অপৰাধ হ্ৰাস কৰাতো অৰিহণা যোগাব। গতিকে, Smart police, ভাল Dress, living condition, ভাল equipment এই গোটেইখিনি দিব লাগে লগতে আমাৰ পুলিচ সকলক ৩-৬ মাহৰ মূৰে মূৰে training দি এটা সবল পুলিচৰ দল এটা গঢ় দিব লাগে যাতে আমি বিচৰা মতে ৰাইজে সুখ-শান্তিৰে জীৱন -নিৰ্বাহ কৰিব পাৰে। আজি এই দু-আষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো আৰু বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মই সন্মানীয় সদস্য সকলক এটা কথা সোঁৱৰাই দিব বিচাৰো যে, আমাৰ Supplementary Demand ৰ ওপৰত যেতিয়া discussion হয়, তেতিয়া supplementary য'ত বিচৰা হৈছে, সেই বিষয় কেইটাৰ ওপৰত ক'লে ভাল। এইবাৰ আমি পুলিচৰ ওপৰত লৈছিলো আৰু পুলিচত recruitment হ'ব। গতিকে ৪৯০ টা Sub-Inspector ৰ পদ আৰু ৫৪৯৪ টা কনিষ্টবলৰ পদত recruitment কৰাৰ বাবে প্ৰায় ১১ কোটি টকা বিচাৰিছে। যিহেতু recruitment হ'ব, এই recruitment হোৱা মানুহবোৰ কেনেকুৱা হোৱা উচিত তাৰ ওপৰতো আলোচনা হোৱা ভাল। গতিকে salary, recruitment আদিকে ধৰি overall discussion কৰিব পৰা বিষয় বাবে আমি এইবাৰ পুলিচ বিভাগটো লৈছো। মই সদস্য সকলক এটাই অনুৰোধ কৰিম যে, যিখন Supplementary Demand ৰ কিতাপ তাত প্ৰত্যেকটো Head ৰ under ত কিহৰ বাবে কিমান টকা লোৱা হৈছে ইত্যাদি কথাবোৰ আছে। গতিকে, সেইখিনি study কৰি যাতে আমি কথাবোৰ কওঁ । তেতিয়া আমি যি কাৰণে অতিৰিক্ত পইচা দিম, সেই পইচাখিনি যাতে শুদ্ধ ভাৱে খৰচ হয় আৰু বিভাগীয় মন্ত্ৰীৰ জৰিয়তে এই message টো বিভাগলৈ দিব পাৰো। আমাৰ হাতত বেছি সময় আৰু নাই। যি কেইজন সদস্যই ক'বলৈ আছে, তেখেত সকলে সেই line ত কথাবোৰ ক'লে মই সুখী হ'ম।

এতিয়া নন্দিতা দাস।

**মাননীয় শ্ৰীমতী নন্দিতা দাস, (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে

যিটো পুঁজি বিচৰা হৈছে আৰু পুঁজিৰ বিৰুদ্ধে যিটো কৰ্তন প্ৰস্তাৱ আমাৰ দলৰ ফালৰ পৰা অনা হৈছে, তাৰ সপক্ষে মই দু-আষাৰ ক'ব বিচাৰিছো।

অধ্যক্ষ মহোদয়, পুলিচ বা আৰক্ষী বুলি যদি আমি ভাৱো, তেতিয়া মহিলা হিচাপে প্ৰথমতে আমি সুৰক্ষা বিচাৰো। পোন প্ৰথমে, মহিলা সকল সুৰক্ষিত আছো নে নাই, সেইটো আমাৰ বাবে খুউব ডাঙৰ কথা। কাৰণ মহিলা এগৰাকীয়ে দৈনন্দিন জীৱনৰ বিভিন্ন কাম-কাজৰ বাবে ঘৰৰ পৰা ওলাই যাব লাগে। গতিকে এই ক্ষেত্ৰত আমি আচলতে সুৰক্ষিত আছো নে নাই সেইটোহে আমাৰ প্ৰথম বিষয়। আমি বিধান সভাৰ মজিয়াত crime against women ৰ ক্ষেত্ৰত দুবছৰত যিখিনি তথ্য পাইছো, সেই তথ্যবোৰ সঁচাকৈয়ে উদ্বেগজনক। ২০১৬-১৮ চনৰ তথ্যবোৰত দেখিবলৈ পোৱা গৈছে যে, যৌতুকজনিত নিৰ্যাতনত প্ৰায় ২০ হাজাৰ মহিলাৰ ক্ষতি হৈছে, প্ৰায় ৩৫০০ মহিলা ধৰ্ষিতা হৈছে, তাৰোপৰি molestation, ডাইনী হত্যা, অপহৰণ আদি বিভিন্ন ঘটনাৰ বিষয়ে ইয়াত দেখা পোৱা গৈছে। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া বিজেপি অগপ মিত্ৰজোঁটৰ চৰকাৰ আহিছিল, তেতিয়া যিবোৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল তাৰ ভিতৰত অন্যতম আছিল 'মহিলা সুৰক্ষিত হ'ব'। কেন্দ্ৰত চৰকাৰৰ শ্লোগান আছিল যে, 'Bahut hui Nari pe war, Ab ki bar Modi Sarkar' ইয়াৰ পৰা আমি নিশ্চিত হৈছিলো যে, এইবাৰ মহিলা সুৰক্ষিত হ'ব, মহিলাৰ ওপৰত নিৰ্যাতন, অত্যাচাৰ বন্ধ হ'ব। আনহাতে, অসম চৰকাৰৰ পৰিৱৰ্তন ওপৰত যিটো শ্লোগান আছিল, সেই পৰিৱৰ্তন আমি সকলো দিশতে আশা কৰিছিলো আৰু মহিলাও সুৰক্ষিত হ'ব বুলি আশা কৰিছিলো। কিন্তু তথ্য সমূহৰ পৰা আমি দেখিবলৈ পাইছো যে আমি আচলতে সুৰক্ষিত নহয়। আমি বিভিন্ন সময়ত সদনৰ মজিয়াত মহিলা নিৰ্যাতন বিষয়ৰ ওপৰত বিভিন্ন কথা কৈছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক প্ৰতিশ্ৰুতি দিছিল যে অসমত প্ৰায় ৬৪ খন Women Cell গঠন কৰা হৈছে আৰু এতিয়া Fast Track আদালত গঠন কৰা হৈছে। গতিকে এই সকলোবোৰ হোৱাৰ পৰা আমি আশা কৰিছিলো যে মহিলা নিৰ্যাতন বন্ধ হ'ব কিন্তু অতি দুখৰ বিষয় যে গুৱাহাটী মহানগৰীতে মহিলা সুৰক্ষিত নহয়। য'ত শিক্ষিত মানুহৰ হাৰ বেছি তাত আমি আশা কৰো যে পুলিচ প্ৰশাসনৰ যথেষ্ট ব্যৱস্থা আছে। কিন্তু যোৱা কালি খাৰঘুলি অঞ্চলত ছোৱালী এগৰাকী নিৰ্যাতন হোৱাৰ ঘটনা সংঘটিত হৈ গ'ল। গতিকে এনে ধৰণৰ ঘটনাবোৰৰ পৰা আমি দেখিবলৈ পাইছো যে, আমি আচলতে সুৰক্ষিত নহয় বা চৰকাৰে আমাক সুৰক্ষিত কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, মই আন কেইটামান কথা ক'ব বিচাৰিছো যে, পুলিচ প্ৰশাসনৰ তৰফৰ পৰা কিছুমান ব্যৱস্থা লোৱা হোৱা বুলি আমি বিভিন্ন মিটিঙৰ পৰা গম পাইছিলো। তেওঁলোকে 'সখী' বুলি দুটা Helpline No.- ১৮১ আৰু ১১২ উলিয়াইছিল। এই Helpline No. কেইটাৰ বিষয়ে ৰাইজ অৱগত হয় নে নহয় তাৰ ওপৰত মই এটা survey কৰিছিলো। মই মোৰ সমষ্টিৰ এখন কলেজত গৈ দুই-তিনিগৰাকী ছাত্ৰীক সুধিছিলো যে, মহিলাৰ ওপৰত যদি নিৰ্যাতন হয়, তেন্তে কোনটো নম্বৰত ফোন কৰিব লাগে তাৰ বিষয়ে তোমালোকে জানানে ? তেতিয়া তেওঁলোকে নাজানো বুলি ক'লে। গতিকে ইয়াৰ পৰা মই ইয়াকে বুজিলো যে পুলিচ প্ৰশাসনে 'সখী' নামত দিয়া দুয়োটা Helpline No. ৰ সম্পৰ্কে ৰাইজ অৱগত নহয়, ই জনপ্ৰিয়তা লাভ কৰা নাই কাৰণ স্কুল-কলেজত ইয়াৰ কোনো ধৰণৰ প্ৰচাৰ হোৱা নাই। গতিকে মই ভাৱো যে, পুলিচ বিভাগ বহু পিছ পৰি আছে আৰু এই ক্ষেত্ৰত কিছু পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। মাননীয় অধ্যক্ষ মহোদয়, কিছু মাহ পূৰ্বে পাণবজাৰ আৰক্ষী থানাত Women and Children Welfare Committee ৰ team এটা গৈছিলো আৰু তাত গৈ আমি দেখিছিলো যে তাত Women Cell গঠন কৰা হৈছে

কিন্তু তাৰ A.C.P. গৰাকীয়ে ৩১ জানুৱাৰীতে অৱসৰ গ্ৰহণ কৰিছে আৰু আমি যোৱা দিনাখনলৈ তেখেতে অৱসৰ গ্ৰহণ কৰা প্ৰায় ৫ মাহ মান হৈছিল। তেতিয়ালৈকে তেওঁৰ পদটো খালী হৈয়ে আছিল আৰু এটা দেখিবলৈ পাইছিলো যে আমাৰ মহিলা আৰক্ষীৰ সংখ্যা যথেষ্ট কম। মাত্ৰ ২-৩ গৰাকী মহিলা আৰক্ষীয়ে এই women cell বিলাক চলাই আছে আৰু এইটো অকল গুৱাহাটী পানবজাৰ women cell ৰ অৱস্থাই নহয়, অসমৰ আন আন জিলা সমূহতো women cell নামতহে আছে। কিন্তু functional নহয়। এই ক্ষেত্ৰত মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে নাৰী সুৰক্ষাৰ ক্ষেত্ৰত যথেষ্টখিনি প্ৰয়োজনীয় কাম কৰিবলগা আছে। যোৱা নিৰ্বাচনতো মই মহিলা নিৰ্যাতিনৰ ওপৰত যথেষ্ট তথ্য দাঙি ধৰিছিলো। সেই তথ্যত মই কৈছিলো যে বহুতো মহিলা নিৰ্যাতিত হয়, বহুত case registered হয়, কিন্তু তেওঁলোকৰ conviction টো নহয়। যিসকল অপৰাধী, তেওঁলোকে সময়ত শাস্তি নাপায়। নাৰীৰ ওপৰত অত্যাচাৰৰ এই যি প্ৰৱণতা, এইটো বন্ধ হোৱা নাই। case বিলাক registered হৈ যোৱাৰ পিছত যিবিলাক medical report লাগে বা foreinsic report লাগে সেইবিলাক সময়মতে নোপোৱাৰ কাৰণে বহু লাখ লাখ case pending হৈ আছে।

মই কেইটামান তথ্য আপোনালোকক জনাব বিচাৰিছো যে Forensic বিভাগত Joint Director, Deputy Director,Senior Scientific Officer, Junior Officer, Scientific Assistant এনেকুৱা কেইবাটাও পদ খালী হৈ আছে। গুৱাহাটীৰ Forensic Laboratory ত ১৫৬ পদৰ ভিতৰত মাত্ৰ ৯৪ টা পদতহে মানুহে কাম কৰি আছে। ৪২ টা পদ খালী হৈ আছে। ইমান পদ খালী হৈ থাকিলে তেওঁলোকে সময়মতে কেনেকে আমাক তথ্যসমূহ দিব? Report সমূহ তেওঁলোকে সময়মতে দিব পৰা নাই বাবে বহু অপৰাধী শাস্তি পোৱা নাই। গতিকে আজি আপুনি যি Recruitment কথা কৈছে মই শুনি ভাল পাইছো। এই Forensic Laboratory সমূহত যিবোৰ পদ খালী হৈ আছে এইবোৰ অতি শীঘ্ৰে fill-up কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সুৰক্ষাৰ কাৰণে সকলো সময়তে আমাক Police বিভাগটো লাগিব। এই বিভাগটো আচলতে এটা বিৰাট ডাঙৰ Organizaton. ইয়াত যথেষ্ট পদ খালী হৈ আছে। এই Police বিভাগত Grade 1 পৰা Grade 5 লৈ প্ৰায় ৯০০০ পদ খালী হৈ আছে। Men in position আছে মাত্ৰ ৩৮০০০ পদত। Police বিভাগক men force লাগিব। আমি কাকো দোষাৰোপ কৰিব খোজা নাই। চৰকাৰ আহিব আৰু যাব। কিন্তু বিভাগ সদায় থাকিব সেইকাৰণে বিভাগৰ efficiency ৰ ওপৰত আমি doubt নকৰো। তেওঁলোকক সকলোবোৰ প্ৰয়োজনীয় infrastructure বা প্ৰয়োজনীয় টকা এইখিনি আমাৰ যিকোনো চৰকাৰে আহক, তেওঁলোকক দিয়াটো প্ৰয়োজন।

মাননীয় অধ্যক্ষ মহোদয়, কেইবাজন বক্তায়ো আগতে বহুখিনি কথা কৈ গৈছে কিন্তু মই তেওঁলোকৰ মুখত CCTV Camera বিষয়ে নুশুনিলো। এই CCTV Camera সমূহ সম্পূৰ্ণৰূপে implement হৈছে নে নাই? কেইদিনমান আগতে শিমলুগুৰি station ত কলেজৰ ছাত্ৰী গৰাকীৰ লগত যিটো ঘটনা হৈ গ'ল, সেই ঘটনাৰ জৰিয়তে আমি সংবাদ মাধ্যমৰ পৰা গম পালো যে তাত থকা CCTV Camera টো functional নহয়। ঠিক তেনেদৰে মৰিয়নী জংচনতো যিটো ঘটনা হৈ গ'ল তাতো CCTV Camera টো functional নাছিল। সেয়েহে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে, আমাৰ মুঠ

CCTV Camera কিমান আছে আৰু এই সমূহ functional হৈ আছে নে নাই, এইটো ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব লাগে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আৰু এটা কথা ক'ব বিচাৰিছো যে, চোৰ পুলিচৰ যিটো খেল , সেইটো সদায় চলি থাকে। চোৰে আজি কালি road ways ৰ ব্যৱহাৰ কমাই water ways বেছিকৈ ব্যৱহাৰ কৰে। যিহেতু আমাৰ অসমত ব্ৰহ্মপুত্ৰৰ দৰে বৃহৎ নদীৰ উপৰিও আন আন বহুতো নদী আছে, এই নদী সমূহেদি বহু অবৈধ কাম চলি থাকে। এই ক্ষেত্ৰত মই ভাৱো চৰকাৰে River Police যিটো ব্যৱস্থা সেইটো উন্নত কৰিব লাগে। River Police ক শক্তিশালী কৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰদীপ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Police বিভাগৰ কাম যিহেতু এতিয়া আগতকৈ বহুত বেছি হ'ল, সেইকাৰণে পইচাটো আগতকৈ বেছি দিব লাগে। মই Grant টো সমৰ্থন জনোৱাৰ লগতে পইচাটো বেছিকৈহে দিবলৈ কৈছো। এতিয়া অসমলৈ সকলো ফালৰ পৰাই ক্ৰিমিনেল বিলাক আহিছে। main land ৰ পৰাও আহিছে আৰু neighbouring state বিলাকৰ পৰাও আহিছে। পানীয়েদি আহিছে, মাটিয়েদি আহিছে আৰু আকাশ মাৰ্গেদিও আহিছে। গতিকে Police বিভাগত যিটো recruitment কৰাৰ কথা কৈছে আজি ২০ বছৰৰ আগতে যিদৰে কৰিছিল, সেইদৰে কৰিলে কিন্তু আমি আচল ফলটো কেতিয়াও পাব নোৱাৰো। Crime rateত আজি অসম ভাৰতবৰ্ষৰ ভিতৰত দ্বিতীয় হৈছে আৰু এই crime বিলাক violate crime. গতিকে এতিয়া যিসকল যুবকক recruit কৰা হ'ব, তেওঁলোকক এই পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ সক্ষম কৰিব লাগিব। তেওঁলোকক recruit কৰাৰ পাছত যদি তেওঁলোকে নিজে জোতা, কাপোৰ আদি কিনিব লগা হয় তেতিয়া এইটোয়ে তেওঁলোকৰ ওপৰত যথেষ্ট মানসিক চাপ পেলাব। অধ্যক্ষ মহোদয়, যিহেতু সময় যথেষ্ট কম, মই মাত্ৰ দুটামান কথা ক'ব বিচাৰিছো। এটা সময়ত গাৱঁত দৰ্জা খুলি শুই আছিলো, তেতিয়া বাহঁৰ ঘৰ, বাহঁৰ বেৰা। কিন্তু এতিয়া দিনদুপৰতে গুৱাহাটীত মানুহ থাকিব নোৱাৰ অৱস্থা হৈছে। তাৰ মানে কোনটো সময়ৰ ৰ পৰা কোনটো সময়লৈ গুছি গ'ল আপুনি ভাৱক। মাননীয় অধ্যক্ষ মহোদয়, আপুনিও এজন বিজ্ঞানৰ ছাত্ৰ আছিলে আমিও আছিলো। আপুনি জানে যে inertia of gravitation, inertia of motion এতিয়া criminal ৰ এনেকুৱা ভাৰমান হৈছে এই অঞ্চললৈ, অসমলৈ এনেকুৱা ধৰনৰ criminal আহিবলৈ লৈছে। আজি সেই criminal খিনিক একেদিনাই শেষ কৰা সম্ভৱ নহয়। এতিয়া যদি গুৱাহাটীতে crime rate চাই, bribery case 82% হৈছে, robbery case 36% হৈছে, theft case 48% হৈছে, drugs case 41% হৈছে, insulted case 36% হৈছে, attack case 26% হৈছে, stollen case 42% হৈছে, higher stollen case 42.65% হৈছে। গতিকে এইটো হৈছে গুৱাহাটীত। এতিয়া গাৱঁত মানুহে আজি থাকিবলৈ চিন্তা কৰিব লগীয়া হৈছে, ইয়াৰ সম্পৰ্কত মই যোৰহাটৰ কাকোজানৰ কেচ - তাত ONGC ত কাম কৰা অকল মাকক লৈ তেওঁ আছিলে। তেওঁলোকৰ ঘৰত কাম কৰা মানুহকেইজনে মানুহজনক ওপৰ মহললৈ যোৱাত তাতে মাৰি পেলাই বালিত পুতি থৈ গুছি গ'ল। আৰু সেই মানুহক বিচাৰি নাপালে। এতিয়া সেইকাৰণে crime drugs ৰ লগত যদি যুজিব লাগে, robbery ৰ লগত যদি যুজিব লাগে আদি অন্য ধৰণৰ criminal ৰ যুজিব লাগে। inter state criminal ৰ লগত যদি যুজিব

লাগে। তেতিয়া হ'লে আমাৰ police force টো কিমান ধৰণে আমি equipped কৰিব লাগিব। এই কাৰণে গোটেই বিষয়টো চিন্তা কৰিব লগীয়া হৈছে। শেহতীয়াকৈ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে আজি কিছুদিনৰ আগতে অসমত জেহাদী প্ৰৱেশ কৰিছে। এইটো International Terrorist হয় । এইটো সাধাৰণ ওচৰৰ ৰাজ্যৰ পৰা অহা নহয়। International Terrorist has snikked from other country । এতিয়া আজি অসমৰ পুলিচৰ যি নিযুক্তি হৈছে, দৰমহা হৈছে বা নিযুক্তি কৰিবৰ কাৰণে আমি পইচা দিব লগীয়া হৈছে, সেইটোৰ কাৰণে মই ভাৱিছো যে আমাৰ বিধান সভাই পুলিচক আৰু বহুত সহায় কৰিব লাগে। এটা কথা মই কব লাগিব মাননীয় অধ্যক্ষ মহোদয়, যে আমাৰ যিবিলাক আইন আছে, আইন বিলাক বহুত পুৰণা হৈ গ'ল। আজি land revenue আইন **১৮৮৬** চনৰ সেই বৃটিশৰ regulations মতে চলি আছে। ফৰেষ্ট আইন পুৰনা আইন মতে চলি আছে। Forest protection force ৰ কোনোধৰণৰ আইন এতিয়ালৈকে হোৱা নাই, পুলিচ manual মতে চলি আছে। সেই কাৰণে পুলিচৰ আইন বা বিভিন্ন বিভাগৰ আইন যদি ঠিক কৰি নলয়, তেতিয়া হ'লেও criminal activities টো slow down কৰাটো অসুবিধা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে আমাৰ ইয়াত **২০১৬** চনলৈকে যিটো তথ্য আছে, murder case হৈছে **১১৪৯** টা, abduction case হৈছে **৬১২৬** টা, rape case হৈছে **৩০০০** টা। এতিয়া **২০১৮** চন পাইছো, আৰু ইয়ালৈ আহি আছে। এতিয়া সেইকাৰণে মই জনাব বিচাৰিছো যে আমাৰ অসম পুলিচ বিভাগটো খুব deciplinized কৰাৰ কাৰণে, modernized weapon নেৰে equipped কৰাৰ কাৰণে আৰু তেওঁলোকে গোটেই criminal বিলাকৰ লগত deal কৰিব পৰাৰ কাৰণে IT sector পৰা আদি কৰি গোটেই কথাখিনি ঠিক কৰিবৰ কাৰণে আজি inter state বা national level ৰ criminal, international level ৰ criminal লগত তেওঁলোকে deal কৰিব পৰাকৈ সাজু হবৰ কাৰণে চৰকাৰে তেখেত সকলক সহযোগ আগবঢ়াব লাগে আৰু সেই কাৰণে grant ত তেখেতসকলক অলপ পইচা বেছিকৈ দি তেখেতসকলক সাহায্য কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** Thank you for your suggestion. এতিয়া মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাঁওঃ** মাননীয় অধ্যক্ষ মহোদয়, পুলিচৰ ওপৰত ইতিমধ্যে ভালকেইজন বক্তাই বক্তব্য ৰাখি গ'ল। আজি এটা খুব গঠনমুলক আৰু খুব প্ৰয়োজনীয় আলোচনা কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি এই আলোচনা বিৰোধী পক্ষ, treasury bench ৰ মাজত হবই লাগিব। কৰ্তন প্ৰস্তাৱক সমৰ্থন কৰি কৈছো পুলিচক শক্তিশালী কৰিব লাগে। গুৱাহাটী পুলিচ কমিচনাৰ হৈছে। ইয়াত permanent structure লাগে, যিসকলক division দিয়া হৈছে, তেখেতসকলক full facilite কৰিব লাগে। যিহেতু আমাৰ smart city লৈ পৰিৱৰ্তন হৈছে গুৱাহাটী চিটি। সেই হিচাপে গুৱাহাটী Commissioner ক সিমানে আমি শাক্তিশালী কৰিব লাগে। বিভিন্ন জনে বক্তব্যত কৈছে যে ammunition সমূহ যিবিলাক আমি ব্যৱহাৰ কৰো **৫০,৬০** বছৰ পুৰনা। মোকাবিলা কৰাকৈ ফেৰ মাৰিব পৰা হব। বোৰ্ডাৰ অঞ্চলবিলাকক আমি ঠিক কৰিব লাগিব। মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী আৰু শ্ৰী কমলাক্ষ দে পুৰকায়স্থ বোৰ্ডাৰ অঞ্চলৰ কথা প্ৰায় আনি থাকে। বোৰ্ডাৰ অঞ্চল নাগালেণ্ডেই হওঁক, অৰুণাচল হওঁক বা মেঘালয় হওঁক, বিভিন্ন সময়ত এনেকুৱা এটা পৰিৱেশৰ সৃষ্টি হয়, অনাহকত কিছুমান সৃষ্টি হয়, তাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই

মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিম। বোৰ্ডাৰ অঞ্চল সমুহৰ উন্নয়ন সমানে কৰিব লাগিব। নাজিৰাৰ বিহুবৰত অসমৰ মাটিত নাগালেণ্ডে এতিয়া শিলৰ ব্যৱসায় ইতিমধ্যে আৰম্ভ কৰিছে। আৰু যাৰ কাৰণে দিখৌ নৈ এতিয়া ধংস হবলৈ ধৰিছে। এই বিলাকক গুৰুত্ব পাঠ কৰিব লাগিব। অলপ আগতে আমাৰ মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াই বিভিন্ন আলোকপাতৰে বিভিন্ন কথাবিলাক কৈ গৈছে। এই ক্ষেত্ৰত মোৰ আৰু এটা কথা উনুকিয়াব লগীয়া আছে, মাননীয় অধ্যক্ষ মহোদয়, পুলিচ বিভাগ এটা শক্তিশালী বিভাগ। আজি যিজন ডি জি পি আছে সেইজনৰ লগত তেওঁ শিল্পী হয়, সাহিত্যিক হয়, মোৰো এটা সম্পৰ্ক আছে। এতিয়া মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই কলে যে এই চৰকাৰখন অহাৰ পিছত সকলো পৰিৰৰ্তন হৈ গ'ল। একেবাৰে পুৰা revolutionize হৈ গ'ল। কথা এটা হ'ল, চৰকাৰখন আহিছে সমগ্ৰ অসমৰ জনসাধাৰণৰ কাৰণে, তেখেতে কলে গোটেই বন্ধ হৈ গল। extrotion বন্ধ হৈ গল। crime বন্ধ হৈ গল। মাননীয় অধ্যক্ষ মহোদয়, আজি দুই বছৰ আগতে যিকেইজন বিষয়া অসমত আহিলে IPS য়ে হওঁক, APS য়ে হওঁক বা ground level ৰে হওঁক আমাৰ talent আছিলে। কাৰোবাৰ কেতিয়াবা অকণমান বেয়া কামৰ কাৰণে সকলোৰে বদনাম হৈ যায় সেইটো বেলেগ কথা। অফিচাৰৰ কিন্তু credibility আমাৰ মাজত আছে। কিন্তু চৰকাৰখন বদলি হ'ল কাৰণে হাজৰিকা ডাঙৰীয়াই যদি কয় যে দুই বছৰ আগত আমাৰ গোটেই অফিচাৰে continental breakfast খাই শুই আছিলে, অসমত একো কাম কৰা নাছিলে, Law & Order চোৱা নাছিলে। মাননীয় অধ্যক্ষ মহোদয়, Law & Order situation কেতিয়াবা বেয়া হৈ যায়, হৈ গলে কিন্তু সকলোৰে কৰ্তব্য আছে যে Law & Order situation ত জুই নজ্বলাই সেইটো control কৰা। আৰু পুলিচ বিভাগটো সকলোৱে বিচাৰে শক্তিশালী হোৱা। full trainup হোৱাটো বিচাৰে। বাকী ৰাজ্যৰ লগত full competition হোৱাটো বিচাৰে। crime যাতে কমে, সেইটো বিচাৰে। skill বঢ়োৱাতো বিচাৰে সকলো ক্ষেত্ৰত।

থানাসমুহ ক্ষেত্ৰতো মাননীয় অধ্যক্ষ মহোদয়, মই ছয়গাওঁ সমষ্টিৰ পৰা অহা। লাংপিত গণ্ডগোল হয়, তাত আপুনিও জানে, তাত permanent এটা পুলিচ থানা লাগে। বকোয়ে গৈ গৈ তাত cover কৰিব নোৱাৰে। আজি উকীয়াম এটা ডাঙৰ পৰ্য্যটকৰ ঠাই, তাত এবাৰত এটা এটা দিনত প্ৰায় চাৰি হাজাৰ, পাচঁ হাজাৰ মানুহে পিকনিক খাবলৈ যায়। এই সময়ত পুলিচে বকোৰ পৰা আহি বা ছয়গাওঁৰে ইয়াত cover কৰিব নোৱাৰে। বকোৰ পৰা আহোতে আহোতে **৩০, ৩৫** কিলোমিটাৰ হৈ যায়।

মাননীয় অধ্যক্ষ মহোদয়, river police ৰ ওপৰত সকলোৱে কথা কৈ আছে। সকলোৱে আলোচনা কৰি আছে। আজি ব্ৰহ্মপুত্ৰয়েদি সন্ত্ৰাসবাদী আহে যদি কেতিয়াবা, আমি আজি river police ৰ ক্ষেত্ৰত নাভাৱোতে কোনোবা আহি পালে, তাৰ ওপৰত action লবলৈ বিচৰা হৈছো, action লৈ থকা হৈছে। কিন্তু lawful measure ৰ জৰিয়তে action লওঁতে লওঁতে সন্ত্ৰাবাদীৰ সংখ্যা বাঢ়ি গৈ আছে। এই action ৰ ক্ষেত্ৰত আমাৰ সংবিধানৰ সংগঠনৰ ওপৰত কেতিয়াবা কথাবিলাক আহে। মাননীয় অধ্যক্ষ মহোদয়, সেইদিনাখন এজন ব্যক্তিয়ে শ্ৰীমন্ত শংকৰ গুৰুৰ ওপৰত এটা বক্তব্য আগবঢ়ালৈ। সেই বক্তব্যটো গোটেই অসমৰ সমাজকো চুই গৈছে। এই ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিম। এইটোৰ ওপৰত ব্যৱস্থা লব লাগিব। আজি পুলিচ বিভাগৰ ওপৰত মই ভাৱো এটা গঠনমুলক আলোচনা হৈছে, আলোচনা হবও লাগিব। যিবোৰ খামিয়াজা আছে, যিবোৰ আমি কৰিব পাৰো, সেই বিলাক কৰিব লাগিব। পইচাটো আৰু বেছি দিব

লাগিব। কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰো। পুলিচ বিভাগ এখন দাপোনৰ দৰে, ইয়াক সকলোতকৈ শক্তিশালী কৰিব লাগিব। মই অনুৰোধ জনাম মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপত আমাৰ বকো, ছয়গাওঁ, পলাশবাৰী তাতে ছয়গাওঁত এজন sub-inspector, বকোত এজন inspector, পলাশবাৰীত এজন inspector। এই তিনিটা সমষ্টিত কিমান জাতি-জনগোষ্ঠি আছে, ইফালে ব্ৰহ্মপুত্ৰ আছে। এইবিলাক ক্ষেত্ৰত আলোকপাত কৰিব লাগিব। -অধ্যক্ষ মহোদয়, মই শেষেই কৰি দিম এতিয়া।

শঙ্কৰ গুৰু আমাৰে, জগতগুৰু আমাৰে,

লুকাই আছা, দেখা নেদা মণিকূটৰ ভিতৰে।।

শঙ্কৰ গুৰু আমাৰে--- ছাৰ, এইটো এই কাৰণেই কলো শঙ্কৰগুৰুৰ বিষয়টো যাতে seriously লয়,ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. Minister please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, আজি এই যিটো দাবী মঞ্জুৰী আহিছিল, গৃহবিভাগৰ ওপৰত, তাৰ ওপৰত আমাৰ মাননীয় বিৰোধীপক্ষৰ সদস্য সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে, সেই কৰ্তন প্ৰস্তাৱৰ সপক্ষে মাননীয় বিৰোধী দলৰ দলপতি, দেৱব্ৰত শইকীয়া, আমাৰ AIUDF ৰ মাননীয় সদস্য মামুন ইমদাদুল হক চৌধুৰী, আমাৰ বি জে পি দলৰ শ্ৰী পদ্ম হাজৰিকা, আমাৰ AGP দলৰ শ্ৰী সত্যব্ৰত কলিতা, BPF দলৰ শ্ৰী মহেশ্বৰ বড়ো, কংগ্ৰেছ দলৰ শ্ৰী ৰকিবুল হুছেইন, আৰু BJP দলৰ শ্ৰী দেবানন্দ হাজৰিকা, কংগ্ৰেছ দলৰ মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস, AGP দলৰ শ্ৰী প্ৰদীপ হাজৰিকা, কংগ্ৰেছ দলৰ শ্ৰী ৰেকিবুদ্দিল আহমেদ, তেখেত সকলে এই কৰ্তন প্ৰস্তাৱৰ সপক্ষে বক্তব্য ৰাখিছে। কিন্তু এটা কথা যে সকলোৱেই এটা কথাত একমত যে সকলোৱেই কৈছে যে পুলিচ বিভাগটো ভাল হ'ব লাগে আৰু পুলিচ বিভাগটোক আৰু বেছি পইচা দিব লাগে। সেইটোত মই ভাল পাইছো। আৰু এটা কথা ঠিক যে ৰাজ্যখনত অসম পুলিচ বাহিনীটোৱে ৰাজ্যখনৰ বিভিন্ন সময়ৰ বিভিন্ন দুৰ্য্যোগৰ দিনত যিটো সাহসিকতাৰে অসম পুলিচে, উগ্ৰপন্থীৰ লগতেই হওঁক বা ক্ৰিমিনেলৰ লগতেই হওঁক যিটো মোকাবিলা কৰিছে, মইতো ভাৱো, ভাৰতবৰ্ষত এনেকুৱা Police Force বোধহয় নাই। মই এদিন মহাৰাষ্ট্ৰত যাওঁতে মোক ১৯৯২ নে ১৯৯৩ ত তেতিয়া মই Opposition MLA কোনোবা এটা চনত তেতিয়া মোক তাৰে বিধায়ক সকলে কৈছিল যে “আপলোগ কা এ বেটেলিয়ান য' হে না , বাপৰে বাপ কিতনা টেৰ'ৰ” কোনেও কণ্ট্ৰ'ল কৰিব পৰা নাই, Assam Police Battalion গৈ কণ্ট্ৰল কৰিছিল মুম্বাইৰ পৰিস্থিতি। গতিকে অসম পুলিচৰ সিমান এটা নাম আছে। গতিকে আজি আমি বিধান সভাত গঠনমূলক সমালোচনা কৰো। অসম পুলিচক, সত্যব্ৰত কলিতা, ডাঙৰীয়াই কৈছে নতুন গাড়ী দিয়ক, কোনোবাই কৈছে, যে ইয়াতকৈ পইচা দিয়ক। এনেকৈ কৈ অসম পুলিচৰ moral টোক আমি ওপৰলৈকে আনিব লাগিব। গতিকে আমাৰ কেইবাজনো সদস্যই এই কথাখিনি কৈছে, যে পুলিচ বিষয়া উগ্ৰপন্থীৰ লগত মৰিছে। আমাৰ AIUDF ৰ পৰা কৈছে, পুলিচৰ চোৰাংচোৱা বিভাগটো Fail কৰিছে, কিয় মৰিল পুলিচ বিষয়াটো, সেইটো শুদ্ধ নহয়। শুদ্ধ নহয় পুলিচৰ খবৰ আছে। আৰু পুলিচৰ খবৰ থকাৰ কাৰণেইতো পুলিচে সেই অঞ্চলটো পৰিদৰ্শন কৰিছে। আৰু তেওঁলোকক ধন্যবাদ দিব লাগিব, যে এজন S Iয়ে তেওঁৰ নিজৰ জীৱন আহুতি দিছে তাত, সেয়ে ধন্যবাদ দিব লাগিব পুলিচক। যে কিমান বাহাদুৰ অসম পুলিচ। আপোনালোকে কব লাগিছিল সেইটো দিশত। সেইটো দিশত নকৈ কলে পুলিচ failur, SI মৰিল। কিন্তু পুলিচে কিমান সাহসিকতাৰে, পৰিদৰ্শন কৰিলে য'ত এজন SI য়ে মৃত্যুবৰণ কৰিলে, গতিকে অসম পুলিচ যে বাহাদুৰ তেওঁলোকৰ যে শক্তি আছে, এই শক্তিটোহে

আমি appriciate কৰিব লাগে। গতিকে সেইটো আমাৰ সকলোৰে এটা, কাৰণ পুলিচটো ঠিক আছে, আমি সমালোচনা কৰি থাকিব পাৰিম। কিন্তু গাড়ীখনত উঠাৰ লগে লগে PSOটো উঠিছেনে নাই আমি প্ৰথমতে চাই লওঁ। কাৰণ সিয়েই Security দি থাকে। আকৌ কিবা এটা সাধাৰণ ঘটনা হলেই পুলিচকেই আমি কব লগা হয়। AIUDF ৰ সদস্য গৰাকীয়েই কৈছে যে পুলিচৰ কিছুমান দুৰ্নীতি হৈছে কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে চাৰিটা বিন্দু কৈছে। দুৰনীতি মুক্ত অসম, সন্ত্ৰাসমুক্ত অসম, বিদেশী মুক্ত অসম, প্ৰদুষনমুক্ত অসম। গতিকে কোনোবা পুলিচ বিষয়াই, যদি দুৰ্নীতিত জড়িত আছে, তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁকো ৰেহাই দিয়া নাই। কাৰণ আপোনালোকে বাতৰি কাকতত পাইছে গোটেই কথাখিনি। আনকি পুলিচ বিষয়াৰ Suspend হৈছে এই ক্ষেত্ৰত। পুলিচ বিষয়াৰ বিৰুদ্ধেও ইয়াত ব্যৱস্থা লৈছে। গতিকে এনেকুৱা নজিৰ বোধয় আগৰ চৰকাৰৰ দিনত ১৯৮৫ চনৰ পৰা বিধান সভাত আছো। গতিকে আগতে মই এনেকে পুলিচ বিষয়াৰ ওপৰত লোৱাটো তেনেকে দেখা নাই। আমাৰ ৰকিবুল হুছেইন ডাঙৰীয়া, তেখেত এজন জ্যেষ্ঠ সদস্য, তেখেত Home Minister ও আছিল এটা সময়ত ৰাজ্যখনত। গতিকে তেখেতৰ পৰা মই বহুত আশা কৰিছিলো। তেখেতে বোধহয় তেওঁৰ বিগত অভিজ্ঞতাৰ পৰা পুলিচ বিভাগটো আৰু কিমান শক্তিশালি কৰিব লাগে, এইখিনি তেখেতে কব বুলি মই বহুত আশাৰে minutely শুনিছিলো। আৰু সেই কাৰণে মই বি জে পি দলৰ সদস্য সকলে কিবা কৈ থাকোতে মই অনুৰোধ কৰিছো, কোনেও একো কব নালাগে। তেখেতক ভালকে কব দিয়ক কাৰণ Home Minister আছিল, তেখেতৰ অভিজ্ঞতাখিনি আমি লওঁ। যিখিনি Lacking আছে সেইখিনি আমি ঠিক কৰি দিম। কিন্তু মই অলপ হতাশ হলো আচলতে কথাটোত। এই কাৰণেই তেখেতে কলে যে ২০০১ চনত উত্তৰাধিকাৰী সূত্ৰে---

**শ্ৰী ৰকিবুল হুছেইন, সদস্য ঃ-** correction ৰ কাৰণে কৈছো, মই Home Minister নাছিলো, ৰাজ্যিক Home Minister আছিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ-** correction কৰি দিলো যে আপুনি ৰাজ্যিক Home Minister আছিল। গতিকে মই তেখেতৰ পৰা বহুত আশা কৰিছিলো যে তেখেতৰ বহুত অভিজ্ঞতা আছে আৰু সেই অভিজ্ঞতা অনুসৰি আজি কিছু কথা কব। আৰু আমাৰ ক'ত ক'ত Lacking আছে অসম পুলিচৰ সেইখিনি আমি rectify কৰি লব পাৰিম। কিন্তু তেখেতে কলে কি ক'ত গেছ চ'লা, ক'ত চিলিণ্ডাৰ, সেই বিলাক যাওঁক বাৰু-- । তেওঁৰ নিজৰ বক্তব্য ৰাখিছে আৰু নিজৰ পৰিচয়টো তেওঁ নিজে দাঙি ধৰিছে। Cut-motion ৰ ওপৰত এজন জ্যেষ্ঠ সদস্য হিচাপে, তেখেত মন্ত্ৰীও আছিল, গৃহমন্ত্ৰীও আছিল, গতিকে তেখেতে home ৰ Cut-motion ৰ পৰা যিখিনি গেছৰ চিলিণ্ডাৰ, চ'লা---

**শ্ৰী ৰকিবুল হুছেইন, সদস্য ঃ-** personal attack কৰিলে উত্তৰ দিব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-**personal attack কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** গতিকে অধ্যক্ষ মহোদয়, মই তেখেতক personal attack কৰা নাই মোৰ তেখেতৰ প্ৰতি সদিচ্ছা থকাৰ বাবেহে কথাটো কৈছো। being state Home Minister তেওঁৰ যিখিনি অভিজ্ঞতা তাৰ পৰা মই ভাৰিছিলো কিবা পাম। পালে অসম পুলিচত যদি কিবা Lacking আছে সেইখিনি আমি চেষ্টা কৰিম। আমি যদি ধাৰাবাহিক ভাৱে চাওঁ আজিৰ ঘটনাটোক লৈ সামৰিক situation আমি access কৰিব নোৱাৰিম। গতিকে সামগ্ৰিক situa-

tion টো access কৰিবৰ হ'লে যেনে ২০০১ চনত উত্তৰাধিকাৰী সূত্ৰে আগৰ চৰকাৰে বিধ্বস্ত অৰ্থনীতি পালে, এইটো হয়, এইটো মই স্বীকাৰ কৰিছো কিন্তু অধ্যক্ষ ডাঙৰীয়া ১৯৯১ যেতিয়া মাননীয় প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়া মুখ্যমন্ত্ৰী আছিল, মই তেতিয়া Opposition ৰ MLA আছিলো। হিতেশ্বৰ শইকীয়াই যিদিনা oath taking কৰিছিল, তেতিয়া ১৮ জন Officer ক oil India ৰ পৰা ধৰি লৈ গ'ল। মুখ্যমন্ত্ৰীয়ে পিচদিনা all party meeting পাতিলে। তাত সিদ্ধান্ত হ'ল আলফাই ৬ টা ল'ৰাক এৰি দিলে চৰকাৰৰ ১৮ জন বিষয়াক এৰি দিব। আলফাৰ ৬ জন ডাঙৰ নেতাক এৰি দিয়া হ'ল জেলৰ পৰা আৰু ১৮ জনক আলফাই এৰি দিলে। সেইটো এটা ঘটনা। এনেকুৰা দিন অসমত চলিছিল। তাৰ কাৰণে হিতেশ্বৰ শইকীয়া দোষী নহয় বৰং মই হিতেশ্বৰ শইকীয়াক ধন্যবাদ দিছো। আজি সদনৰ জৰিয়তে যে অসমৰ বাহিৰৰ পৰা অহা অফিচাৰ ১৮ জনক যে আলফাই অপহৰন কৰি নিছিল, শইকীয়া ডাঙৰীয়া দুৰদৃষ্টি সম্পন্ন ব্যক্তি হোৱা কাৰণে তেঁও সেই ১৮ জনক উদ্ধাৰ কৰি আনিলে। situation negative নহয় positiveতাৰ পাচত অধ্যক্ষ ডাঙৰীয়া, ১৯৯১ চনৰ ৯৫ লৈকে চৰকাৰ চলিল তেতিয়া আমাৰ ৰকিবুল হুছেইন ডাঙৰীয়া ,২০০১ চনৰ পৰা যেতিয়া বিধস্ত অৰ্থনীতি তেওঁলোকে পালে, কিন্তু আমিও১৯৯৬ যেতিয়া ক্ষমতাত আহিছিল, মহন্ত ডাঙৰীয়া তেতিয়া মুখ্যমন্ত্ৰী আছিল, তেতিয়া দেখিলো যে চৰকাৰখন এনেকুৰা অৱস্থাত চলিছে, যে পিয়ালেছৰ পৰা চৰকাৰে টকা ধাৰ লব লগা হৈছিল। চৰকাৰী কৰ্মচাৰীক দৰমহা দিয়াৰ কাৰণে।

( সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ ঃ** Quite quite.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** গতিকে এখন চৰকাৰ পিয়াৰলেছৰ পৰা টকা লৈ চৰকাৰ চলিছিল। কাৰণ সেইটো এটা পৰিস্থিতি আছিল তেতিয়া। তাৰ কাৰণে মই হিতেশ্বৰ শইকীয়াক দোষাৰোপ নকৰো বা সেই সময়ৰ চৰকাৰক দোষাৰোপ নকৰো। কাৰণ তেতিয়া বিত্তীয় পৰিস্থিতিটো তেনেকুৰা আছিল। এতিয়া ইয়াতে কোৱা হৈছে যে, সেই সময়ত চৰকাৰে চাকৰি নিদিও বুলি MOU Sign কৰিলে। MOU অকল অসম চৰকাৰে Sign কৰা নাই। ভাৰতবৰ্ষত যিমান চৰকাৰ আছিলে, সকলোৱে Sign কৰিছে, নহ'লে Sign যদি নকৰে, যদি revenue expenditure টো যদি বেছিকে বাঢ়ি যায় FRBM আহিল। গতিকে revenue expenditure টো যদি বেছিকে বাঢ়ি যায় Capital expenditure যদি কমি যায়, তেতিয়াহ'লে ৰাজ্যখনৰ আন্তঃগাথনি নহয় আৰু সেই কাৰণে এই নিযুক্তিৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ সকলো ৰাজ্যই চহী কৰিছে। শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী আছিল, তেখেতে জানিব এই কথাখিনি। এই যে পটভূমিবিলাক থাকে, এই পটভূমিবিলাক সময়ত আমি সকলোৱে মনত ৰখাটো দৰকাৰ। আজিৰ দিনটোত আমি এটা কথা কব লাগিব, ১৯৯৬ চনত যেতিয়া কংগ্ৰেছক ক্ষমতাচ্যুত কৰিলে । ৰাইজে অসম গণপৰিষদ দলৰ চৰকাৰক ক্ষমতাত আনিলে, মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী হ'ল। সিদিনা মহন্ত ডাঙৰীয়াই মুখ্যমন্ত্ৰী হিচাপে যেতিয়া শপত লব পিছদিনা দিনৰ ১১ বজাত ৰাজভৱনত। আগদিনাখন Chief Secretary, DGP, Finance Commissioner পলাল। গতিকে সেইটো অৰ্থনৈতিক অৱস্থাটো পালো। মই নিজেই মন্ত্ৰী আছিলো তেতিয়া। গতিকে প্ৰশ্নটো হৈছে যে, সেই পোৱাৰ পিছত আমি তেতিয়া উগ্ৰপন্থীৰ বিৰুদ্ধে যিটো যুজ দিলো, যাৰ ফলত নগেন শৰ্মা কেবিনেট মন্ত্ৰী তেখেতৰ মৃত্যু হ'ল, আনকি মোৰ নিজৰ ভাইটি মৃত্যু হ'ল। কিমান মানুহৰ মৃত্যু হ'ল গোটেই অসমত। গতিকে

সেই সময়ত আমি এনেকৈ যুজ দিছিলো। আৰু যুজ দি এনেকুৱা হ'ল যে, তাৰ কাৰণে আমি যুজ দিলো, কিন্তু অসমখনৰ ভাল হ'ল। কাৰণ সেই সময়ত বি এল টিৰ লগত আলোচনা আৰম্ভ হ'ল মই নিজে আছো দিল্লীত এই আলোচনাৰ অসম চৰকাৰৰ হৈ। ইলেকশ্যন ঘোষণা হোৱাৰ কাৰণে যে চুক্তিত স্বাক্ষৰ নহ'ল। গতিকে বি এল টি সমস্যাটো সমাধান হ'ল। আলফাৰ এই সমস্যাটো, যিটো অৱস্থা আছিল, সেইটো হ'ল। তাৰ উপৰিও মই নিজেই দেখিছো আজি শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই কথাখিনি খণ্ডত কৈছে। কি কাৰণে কৈছে, কাৰণ শ্ৰী পদ্ম হাজৰিকা নিজেই গুলীবিদ্ধ। আজিও তেওঁৰ গাত গুলী আছে, উলিয়াব পৰা নাই। সেই কাৰণে আজি সেই পৰিস্থিতি গৈছে এটা সময়ত। শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াৰ এলেকাত যেতিয়া Leader of the oposition হিচাপে গৈছো, এটা চুবুৰীত কিমান মানুহ একেলগে মাৰি দিছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ জীৱনৰ এনেকুৱা অভিজ্ঞতা আছে যে, আপোনালোকৰ লগত এইকথাখিনি চেয়াৰ কৰিব বিচাৰিছো যে, এটা এনেকুৱা সময় আছিল যেতিয়া একোটা একোটা চুবুৰীত ২১-২২ জন মানুহ একেলগে মাৰি দিছে সেইখিনি মানুহক হস্পিটালত লৈ গৈ পষ্টমৰ্টেম কৰা এইবিলাক বহুত কঠিন কাম হৈ যায়। গতিকে উপায়ুক্ত ডাঙৰীয়া, এছ পি আৰু মই সেই এঘৰ মানুহৰ বাহিৰত বেঞ্চ খনত বহি আছো। উপায়ুক্ত ডাঙৰীয়াক, মই কৈছো যে, District Magistrate হিচাপে। ইয়াৰ পিছফালে আমি এনেকৈ এটা কল পাতৰ এটা ঘৰ কৰি দিও আৰু তাতে আপুনি পষ্টমৰ্টেম ঘৰ বনাই ইয়াতে মানুহখিনি পষ্টমৰ্টেম কৰা যাওক। এনেকুৱা দিনো গৈছে। এদিন অসম বিধান সভাৰ মজিয়াত, এনেকুৱা দিন গৈছে যে, বিৰোধী পক্ষই যেতিয়া কলে যে এনেকে তামুলপুৰত আমি চাব যাম। মই গৈ আহিছো। ১৪ কিলোমিটাৰ খোজ কাঢ়িছো। তেতিয়া মোৰ নেতৃত্বতে All Party গ'ল। । চাৰি কিলোমিটাৰ মান গৈ আমাৰ কোনো এজন বিৰোধী সদস্যই সেই জাগা নাপালে। অকল মই, অপূৰ্ব জীৱন বৰুৱা এছ.পি আৰু ভূটানৰ উপায়ুক্ত। আমি এই তিনিজনই জাগাত উপস্থিত হলো আৰু বাকী কেইজনে সেই জাগাত গৈ নাপালে। এনকুৱা দিন এই অসমত ঘটিছে। গতিকে তাৰ পৰা আজি এই দিনটো হোৱাৰ পাছত আজি অসমত আমি এটা কথা ক'ব লাগিব যে, 1990 যেতিয়া Presidential Rule হ'ল, অ'ত গণ কবৰ ওলাল, ত'ত গণ কবৰ ওলাল তেনেকুৱা দিন ইয়াতে পাৰ হৈছে। এইখন অসমত। তাৰ পৰা উত্তৰণ ঘটিল। আৰু উত্তৰণ ঘটি ঘটি ১৯৯৬ পৰা ২০০০ ত চৰকাৰ আহিল। যিটো কৈছে যে আমি বিশ্বস্তৰত অৰ্থনীতি পালো আমি যেতিয়া এইখিনি পালো, Chief Secretary, DGP, Finance Commissioner পলাল, পিয়েৰলেছৰ পৰা লোৱা ঋণ, বিভিন্ন ঋণ বিলাক কৰি আমি এই 90 ৰ10 ratio পোৱাৰ কাৰণে অসম চৰকাৰ খন বাছিছে। ইমান Financial crisis অসম চৰকাৰৰ হৈছিল আৰু এনেকুৱা অৱস্থা এটা 1991ৰ পৰা 1996 লৈ এনেকুৱা এটা বিশ্বস্তৰত অৰ্থনীতিৰে অসম চৰকাৰ চলিবলগীয়া হৈছিল। তাৰ পাছত FRBM আহিল Financial approve টো ভাল হ'ল। জাইকা project আহিল, World Bank ৰ Project আহিল। তাৰ পাছত NABARD ৰ Project আহিল। তাৰ পাছত Assian Development Bank ৰ Project আহিল। গতিকে ৰাজ্য খনৰ বিত্তীয় অৱস্থা আজিৰ দিনটোত ভাল। আমিতো ১৯৮৫ চনৰ পৰা বিধান সভাত আছো। এনকুেৱা বিত্তীয় অৱস্থাত কেতিয়াও অসমত হোৱা নাই। কাৰণ Financial যিটো flow, এই flow টো আজি অসমতে নহয় গোটেই সমগ্ৰ ৰাজ্যবিলাকতে হৈছে। মোৰ আজিও মনত আছে। এবাৰ জ্যোতি বসু যেতিয়া পশ্চিমবংগৰ মুখ্যমন্ত্ৰী আছিল। তেখেতে ইয়ালৈ আহোতে মই এয়াৰ পৰ্টৰ পৰা receive কৰিব গৈছো। Receive কৰিব যাওতে মুখ্যমন্ত্ৰী গৰাকীয়ে মোক সুধিছে যে, আপোনালোকৰ ৰাস্তা কেনেকুৱা। মই কলো যে, ৰাস্তা

বেয়া। তেওঁও কলে যে আমাৰ বেংগলতো আৰু বেয়া তেতিয়া ৰাস্তাৰ অৱস্থা নাছিল। আজি অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ দুৰদৰ্শিতাৰ কাৰণে গওঁৰে ভুঞে ৰাস্তা পকা হৈছে। 4th lane NH আজি হব পাৰিছে। সেই সময়ত ৰাস্তাৰ অৱস্থা ভাল নাছিল।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** গ্ৰাণ্টত স্পেচিফিক আলোচনা হব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকক অলপ সময় ৰবলৈ কৈছো। শুনক, মইয়ো কথাবিলাক শুনি আছো। এইবিলাক কথাত এতিয়ালৈকে কোনেও বেয়াকৈ কোৱা নাই। সেইটো অলপ ধৈৰ্য্য ধৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথাটো হ'ল যে, যিটো গ্ৰাণ্টত মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই কৈছে, এতিয়া সেইখিনি কোৱাৰ আগত মই এটা কথা কম যে, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত গৃহবিভাগ আৰু চৰকাৰখন চলিছে। মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যে, অসমত তেখেত আজিৰ দিনটোত সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী। তেওঁ এই যে চাৰিটা বিন্দু লৈ পেলাই যে গৈছে তেওঁ কোনোদিন compromise কৰা নাই। Law and Order situation য়ে হওঁক বা বিভিন্নয়েই হওঁক গতিকে আজি মই এটা কথা কওঁক মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই কিছুমান কথা কৈছে অপৰাধবোৰ বাঢ়িছে। তেখেতে যিটো কৈছে আচলতে অপৰাধ বঢ়া নাই। ২০১৭ চনত মাৰ্ডাৰ হৈছিল ১১৪৫টা, ২০১৬ ত হৈছিল ১১৪৯, ২০১৫ চনত ১৩৩৩ টা। তেতিয়া কিন্তু মাননীয় শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰ নাছিল। গতিকে ২০১৮ চনৰ জুলাই মাহলৈকে মাৰ্ডাৰ হৈছে ৭৪৬ টা। ক'ত ১৩ শ ২০১৫ চনত আৰু ৭৪৬ টা। ( সদনত হুলস্থুল) ইয়াত গৃহ বিভাগৰ বিষয়াসকল বহি আছে। Human Trafficking কথা কৈছো। ২০১৫ চনত হৈছিল ১৪৯৪ টা আৰু ২০১৭ হৈছিল ১৫৬ টা। এতিয়া ২০১৬ ত হৈছে ৯১ টা। যদি ডকাইতিৰ ঘটনা চোৱা যায় যে, ২০১৫ চনত হৈছিল ১৯১ টা, ২০১৭ চনত, ২০১৮ ডাটাটো সম্পূৰ্ণ হোৱা নাই। ২০১৭ চনত ১৫৯। মাননীয়া শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে ধৰ্ষণৰ কিছুমান কথা কৈছে যে, মহিলা সকল সন্তুষ্ট নহয়। ধৰ্ষণৰ বিষয়টো আমি যদি চাও, ২০১৫ চনত হৈছিল ১৮৫২ আৰু ২০১৭ চনত ১৭০৮ টা । ২০১৮ চনত আজিৰ দিনটোলৈকে ১০৯১ টা। গতিকে এইটো চৰকাৰী পৰিসংখ্যা। এই চৰকাৰী পৰিসংখ্যাই কৈছে যে, crime rate ৰাজ্যখনত বহু পৰিমাণে কমিছে। তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক গোটেই সদনে ধন্যবাদ দিয়াটো উচিত। কাৰণ তেওঁ মুখ্যমন্ত্ৰী, আৰু ৰাজ্যখনৰ গৃহমন্ত্ৰী। গতিকে তেওঁৰ নেতৃত্বত পুলিচ বাহিনীটোৱে এটা মনোবল পাইছে। দ্বিতীয়তে case register ৰ কথাত চৌধুৰী ডাঙৰীয়াই কৈছে case register কমিছে, যিহেতু তেওঁ অধিবক্তা আছিল। তেওঁ court বা registration ৰ কথা জানে। গতিকে তেওঁ কৈছে যে registration কমিছে। ২০১৭ চনত হৈছিল, ১ লাখ ১১ হাজাৰ ১ শ ওঠৰটা বাঢ়িল। আমাৰ চৰকাৰ অহাৰ পাছত registration টো। আজি দিনটোত এতিয়ালৈকে ৭০ হাজাৰ ৭ শ ৬৯ টা register হৈছে। গতিকে এইটোৱেই বুজায়, FIR register কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ তাৰতম্য মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলা চৰকাৰে কৰা নাই আৰু নকৰেও। আমি বিচাৰিও যে, কোনো দোষী সাৰি যাব নালাগে।

২০১৫ চনত যদি আমি চাওঁ । তেতিয়া হ'লে আমি দেখো যে, ১০৭০২৫ টা Case register হৈছিল ।২০১৬ হৈছিল ১০৭২২২ টা , ২০১৭ হৈছিল ১০১১১৮ টা আমাৰ চৰকাৰ অহাৰ পিচত। আজি ২০১৮ চনত আমাৰ সময়টো শেষ হোৱা নাই । মাৰ্চলৈ সময় আছে। গতিকে আজিৰ দিনটোত এতিয়ালৈকে আমাৰ ৭০৬৬৯ টা কেচ ৰেজিষ্টাৰ হৈছে। গতিকে ইয়ে বুজায় যে,

আমি F I R Register কৰাৰ ক্ষেত্ৰত কোনো কাৰ্পন্য সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলা চৰকাৰে কৰা নাই আৰু নকৰেও। কাৰন আমি বিচাৰো যে, কোনো দোষী শাৰী যাব নালাগে। আৰু কোনো innocent মানুহ harassment হ'ব নালাগে। এইটো আমাৰ মূল্য লক্ষ্য গতিকে অধ্যক্ষ মহোদয়, আমাৰ পুলিছ বাহিনীৰ কথা যেতিয়া কৈছে, এই পুলিছ বাহিনীৰ কথাটো কওঁতে আমাৰ পুলিছৰ মানদণ্ড বঢ়াব লাগিব। Civil Police , Municipal Police ৰ সংখ্যাটো বহু কম সেইকাৰনে আমাৰ চৰকাৰে এটা সিদ্ধান্ত লৈছে এতিয়া যে চিভিল পুলিছৰ সংখ্যাটো এতিয়া বঢ়াব লাগিব। কাৰন আমাৰ ইয়াত Battelion বহুত হ'ল। বেটিলিয়ন বহুত হোৱাৰ কাৰণ যে ৰাজ্যখন extremistprone State আছিল। ইয়াতে বিভিন্ন extremistprone Group মুৰ দাঙি উঠিছিল। তাৰ কাৰনে Arm Force ৰ সংখ্যাটো ইয়াত বাঢ়িলে। বাঢ়ি যোৱাৰ ফলত আমাৰ Civil Force ৰ সংখ্যাটো ইয়াত কমিছে। গতিকে এইবাৰ আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে- বিচাৰ -বিবেচনা কৰিছে যে, চিভিল পুলিছৰ সংখ্যাটো বঢ়াব বিচাৰিছে। তাৰ ওপৰিও চাদুল্লা চাহাবৰ উক্তিটো দাঙি ধৰি আমাৰ চৌধুৰী ডাঙৰীয়াই কথাটো কৈছে যে, দেয়াৰ ইজ এ গেপ বিটুইন চিভিলিয়েন এণ্ড পুলিছ। অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি সুখ পাব যে আমাৰ চৰকাৰ হোৱাৰ পিছতেই মুখ্যমন্ত্ৰী ডাঙৰীয়াই ডি জি পিক কৈছে যে আপুনি উলুবাৰী ডি জি পি অফিছত বহি থাকিব নালাগে- আপুনি গাওঁলৈকে যাওঁক। মুকেশ আগৰৱালা ডাঙৰীয়া যেতিয়া ডি জি পি আছিল-তেখেতে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশমৰ্মে গাওঁ অঞ্চলত গৈছে লগতে চৰ অঞ্চলতো ৰাতি থকাকৈ গৈছে, তাতকৈ ডাঙৰ কথা হ'ল ইণ্ডো-বাংলাদেশ বৰ্ডাৰত আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া নিজে দুদিন থাকি আহিছে। সেই সমষ্টিটো একেবাৰে পিছ পৰা সমষ্টি। টাউনৰ পৰা তাৰ সিফালে বাংলাদেশ। গতিকে পুলিছৰ ক্ষেত্ৰত সম্পৰ্কৰ কথাটো চৌধুৰী চাহাবে যিটো কৈছে- এই কথাটো হ'ল যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই পুলিছক friendly কৰাৰ বাবে চেষ্টা কৰিছে। মই চাদুল্লাৰ ৰিপোৰ্টটো পঢ়া নাই। কিন্তু চাদুল্লা ৰিপোৰ্টত ৭০-৮০ বছৰ আগত যিটো ৰিপোৰ্ট চাদুল্লা চাহাবে কনষ্টিটিউশ্যন কমিটিৰ পুলিছৰ ৰিপোৰ্টত ক'লে - গতিকে সেই ৰিপোৰ্ট তেওঁ ক'লে যে, Police ৰ DGP গৈ জনসাধাৰণৰ লগত থাকিব লাগিব। Police ৰ OCয়ে গৈ মানুহৰ লগত কথা পাতিব লাগিব। শেহতীয়াকৈ অধ্যক্ষ ডাঙৰীয়া, আজি আপুনি শুনি সুখ পাব যে, আমাৰ নতুন ডি জি পি কুলধৰ শইকীয়া অহাৰ পিচত জনসাধাৰণে থানাবিলাকত এফ আই আৰ দিবলৈ যাতে কোনো অসুবিধা নাপায় তাৰ কাৰনে পুলিছ থানাবিলাকত আমি ৰিচিপশ্যন কাউন্টাৰ খোলাৰ ব্যৱস্থা কৰিছো। pilot project হিচাপে গুৱাহাটীৰ ৫ খন থানাত প্ৰথমে receiption Counter ৰ ব্যৱস্থা কৰা হ'ব। গতিকে ৰিচিপশ্যন কাউন্টাৰত মানুহজনে কি সমস্যা লৈ আহিছে, অ চিক লগ পাব বিচাৰে নে এচ পিক লগ পাব বিচাৰে যাতে এটা briefing ব্ৰিফিং দি লগ ধৰি সন্তুষ্ট হ'ব পাৰে সেই ব্যৱস্থা কৰা হৈছে। গতিকে ইয়াতকৈ পুলিছ আৰু জনসাধাৰনৰ মাজত সু-সম্পৰ্ক কৰিব পৰা ভাল ব্যৱস্থা আছে নেকি অধ্যক্ষ মহোদয় ? কোনোবা দিনা কোনোবা চৰকাৰে কিবা ব্যৱস্থা লৈছেনেকি অধ্যক্ষ মহোদয় ? মই আপোনাকে শুধিছো অধ্যক্ষ ডাঙৰীয়া ? আপুনিও ২০ বছৰ এই সদনতে সন্মানীয় বিধায়ক , মন্ত্ৰী হৈ আছিল। আপুনিও কওকছোন এনেকুৱা সিদ্ধান্ত কোনোবা চৰকাৰে লৈছিল নেকি অধ্যক্ষ ডাঙৰীয়া। গতিকে অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিছো। গতিকে এনেকুৱা এটা police friendly ব্যৱস্থা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাদুল্লা ৰিপোৰ্টি নপঢ়াকৈয়ে কৰিছে। গতিকে আজি সৰ্ব্বানন্দ সণোৱাল চৰকাৰক কাট মোশ্যনৰ জৰিয়তে সকলোকে ধন্যবাদ দিব লাগে নে নালাগে অধ্যক্ষ মহোদয়। আপুনি নিউট্ৰেল

মানুহ অধ্যক্ষ ডাঙৰীয়া, সেই হিচাপে আপুনি কওকছোন আমাৰ চৰকাৰখনক কাটমোশ্যনৰ জৰিয়তে সকলোৱে ধন্যবাদ দিব লাগিছিল নে নাই। তাৰ ওপৰিও আমাৰ ৰকিবুল হুছেইন ডাঙৰীয়াই এটা কথা কৈছে- যে এটা Supreme Court Judgement ৰ কথা তেখেতে কৈছে। ১৭ জুলাই, ২০১৮ চুপ্ৰিম কোৰ্টৰ। এই Mob lyncing ৰ ওপৰত। সেই সময়ত চুপ্ৰিম কোৰ্টৰ যিটো direction সেই মতে আমাৰ অসম পুলিছে ব্যৱস্থা লৈছে অধ্যক্ষ মহোদয়। মই ক'লো নহয় এই চৰকাৰখনক ধন্যবাদ দিব লাগে। ইয়াত আৰু নতুনকৈ আমাক , এই Judgement টো আমি কৰিছো নে কৰা নাই। এইটো ক'বই নালাগে । The Judgement deliverd by The Supreme Court , এতিয়া ফটা ফটা অসম পুলিছে কাম আৰম্ভ কৰি দিছে। সেই জাজমেন্ট মতে আমি district ৰ সকলো Superintendent of Police ক Nodel officer হিচাপে ঘোষণা কৰি দিয়া হৈছে। নং- ১ আৰু নং -২ প্ৰত্যেক district তে এটা এটা কৈ Tusk Force কৰা হৈছে। তাৰ ওপৰিও মাননীয়া সদস্যা দাস ডাঙৰীয়ানীয়ে কৈছে- publicity নাই, এই ক্ষেত্ৰত ইয়াতে পাব্লিচিটিৰ ব্যৱস্থা কৰা হৈছে। ২১ পাৰ্চেন্ট যিবিলাক আছে , তাৰ ওপৰত ব্যৱস্থা immediately লোৱাৰ কাৰনে পুলিছে ব্যৱস্থা লৈছে। awarness programme লৈছে আৰু আমাৰ সকলোতকৈ ডাঙৰ কথা হ'ল কি অধ্যক্ষ ডাঙৰীয়া আমাৰ প্ৰথমবাৰৰ বাবে অসমত হৈছে এইটো যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশক্ৰমে অসম পুলিছৰ D G P আৰু Chief Secretary এতিয়া জিলাসমূহত গৈ ফালে তেওলোকে Marathon Discussion কৰিছে। অলপতে বৰাক ভেলীত গৈছে। গতিকে এইবিলাকৰ কাৰনে কিয় আমাক ধন্যবাদ নিদেয়ে। চীফ চেক্ৰেটেৰী- ডি জি পি অলপতে লামডিঙ আৰু হোজাইত যাব। তাৰ পিচত অন্য জিলাবিলাকত যাব। কোনোবা দিনা চীফ চেক্ৰেটেৰী আৰু ডি জি পি সাধাৰণ মানুহৰ লগত বহি মনৰ বতৰা ল'বলৈ গাও- সৰু চহৰবিলাকত গৈ ৬-৭ ঘন্টা আলোচনা কৰা কেতিয়াবা দেখা পাইছেনেকি ক'বাত record আছেনেকি? এটা সময়ত আমাৰ গাওঁবিলাকত অচি- এচ পি যোৱাটোৱে বহু ডাঙৰ কথা বুলি আমি ভাবছিলো। যেতিয়া আমি সৰু আছিলো। মইওতো originally গাওঁৰে অধ্যক্ষ মহোদয়। এতিয়া চীফ চেক্ৰেটেৰী- ডি জি পি গাওত গৈ ৰাইজৰ অন্তৰৰ কথা বুজাৰ বাবে যায় , ইয়াতকৈ peoples friendly government ৰ উদাহৰন আছেনেকি অধ্যক্ষ মহোদয় আপুনিয়ে কওঁকছোন? অধ্যক্ষ ডাঙৰীয়া এতিয়া Police Force টোক modern কৰিব লাগে। সেইটো আমাৰ সকলোৰে এটা যৌথ প্ৰচেষ্টা হ'ব লাগে । আগতে AK-47 Rifle ৰ নাম শুনাই নাছিলো। এতিয়া AK-47 কমন হৈ গৈছে। AK-56 হৈছে। তাৰ পিছত আৰু বহু অস্ত্ৰ-শস্ত্ৰ ওলাইছে। সেইবিলাকৰ বিপক্ষে যুঁজিব লাগিব। এতিয়া Jungle Warfare Training Centre ৰ ব্যৱস্থা মিজোৰামত কৰা হৈছে। Mizoram ৰ সেই Training Centre ত আমেৰিকা, ইংলেণ্ড ইত্যাদিকে দৰি বহু দেশৰ সৈনিক আহে, জংগল ৱাৰফেয়াৰ ট্ৰেইনিঙ ল'বলৈ। কাৰণ জংগল ৱাৰ ফেয়াৰৰ ট্ৰেইনিঙ দিব পৰা এটা ডাঙৰ Institute হিচাপে সেইটোৰ সুনাম গোটেই পৃথিবীজুৰি আছে। গতিকে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে আমাৰ পুলিছ বাহিনীটোক modern Police Forceকৰাৰ বাবে , Modernised কৰাৰ কাৰনে, তেনেধৰনৰ institution ৰ আৰ্হিত গোলাঘাট জিলাৰ ডেৰ গাওঁত এখন most modernised academy কৰাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত লৈছে। আজি এই কথাটো মই অধ্যক্ষ ডাঙৰীয়া , সদনত ঘোষণা কৰিলো । গতিকে এই সিদ্ধান্তটো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে এইটো আচলতে কেতিয়াবাই ল'ব লাগিছিল। কিন্তু কেতিয়াবাই ল'ব নোৱাৰিলে। গতিকে কেতিয়াবাই ল'ব

নোৱাৰাৰ কাৰণবোৰ মই বৰ্ণনা নকৰো। এতিয়া আমাৰ কথাটো হৈছে অধ্যক্ষ ডাঙৰীয়া, খাৰঘুলীত মালীবাগানত যি ঘটনা সংঘটিত হোৱা বুলি বাইদেউৱে কৈছে সেইটো সম্পৰ্কত থানাত এটা গোচৰ ৰুজু কৰা হৈছে আৰু ঘটনাৰ সন্দৰ্ভত জড়িত ইতিমধ্যে ৩ জনক গেপ্তাৰ কৰা হৈছে।

**শ্ৰীমতী নন্দিতা দাস ঃ** পুলিচ পেট্ৰ'লিঙটো কম হৈছে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** পুলিচ পেট্ৰ'লিঙটো কম হোৱা নাই। মই নিজেই খাৰঘুলীত থাকো, মই দেখি আছো নহয় সদায় তাত কেনেকৈ পেট্ৰ'লিং কম হ'ব। মই নিজেই থাকো খাৰঘুলীত আকৌ তাকো পাহাৰৰ ওপৰত। গতিকে পুলিচ পেট্ৰ'লিং কম হোৱা নাই। যি নহওঁক মই তাত নিজেই থাকো, নিজে দেখো পুলিচৰ গাড়ী, মই নিজেই জানো এইটো কথা। গতিকে এই সংক্ৰান্তত আমাৰ ৩ জন মানুহক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। এই কথাখিনি মই clear কৰি দিলো। তাৰ পিছত সকলোতকৈ ডাঙৰ কথাটো কি হ'ল যে অসমত প্ৰথম বাৰৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই এটা ৰেকৰ্ড কৰিলে। কি ৰেকৰ্ড কৰিলে যে যিকোনো ৰেপ কেচ য়ে হওক বটদ্ৰৱাত বা নাজিৰাৰ হওঁক, ৪৮ ঘন্টাৰ ভিতৰত মানুহক ধৰি ৩ মাহৰ ভিতৰত পুলিচে charge sheet দিবলৈ সক্ষম হৈছে। এইটো ৰেকৰ্ড আপুনি অসম বিধান সভাৰ গোটেই প্ৰচিডিং পঢ়িলেও নাপাব। এই যিবোৰ ঘটনা হৈছে বটদ্ৰৱাত হওঁক, ৰেপ কেচ হওঁক বা বিভিন্ন কেচ হওঁক Fast Track Court ৰ জৰিয়তেদি কৰাৰ বাবে ইতিমধ্যে কোৰ্টে সিদ্ধান্ত লৈছে। গতিকে অসমত এইটো এটা ৰেকৰ্ড। আৰু যেতিয়া এটা ৰেপ কেচ হয় তাৰ charge sheet দিওতে লাগে ডেৰ বছৰ, আকৌ কেচটো চলোতে লাগে ৫ বছৰ, গতিকে মানুহে ৰেপ কেচও পাহৰিলে, সকলো পাহৰিলে আৰু এটা সময়ত কৈ দিলে ভাই যি হ'ল হৈ গ'ল আমি একে গাঁৱৰে মানুহ, ওচৰৰে মানুহ বাদ দিয়া এইটো কথা, মোৰো কিবা জেল-চেল হৈ যাব, জেল হ'ব নালাগে বাদ দিয়া। ১০ বছৰ পিছত এইটো পাহৰি যায়। কিন্তু যেতিয়া ৩ মাহৰ ভিতৰত দৃষ্টান্তমূলক শাস্তি পাইছে তেতিয়া সকলো দোষীলৈকে মানে এনেকুৱা ধৰণৰ মানসিকতাৰ মানুহলৈ এটা বাতৰি গুচি গৈছে যে এই চৰকাৰৰ দিনত বেয়া কাম কৰিব নোৱাৰি। এই চৰকাৰৰ দিনত বেয়া কাম কৰাটো বৰ কঠিন হ'ব, নোৱাৰি। গতিকে সেই মানসিকতাটো build up হৈ গৈছে। গতিকে আজি মই ভাবিছিলো যে বিৰোধী পক্ষৰ সদস্য সকলৰ কোনোবাই নিশ্চয় আমাক কব যে সোনোৱাল ডাঙৰীয়াই Fast Track কৰিলে, তিনি মাহৰ ভিতৰত ৰিপোৰ্ট দিলে, তিনি মাহৰ ভিতৰত charge sheet দিলে আৰু এই বিলাক কথা খুৱ ভাল কাম হৈছে, এইটো কব বুলি মই ভাৱিছিলো। অধ্যক্ষ ডাঙৰীয়া, পুলিচে যিমানে এজন মানুহক গ্ৰেপ্তাৰ নকৰক কিয়charge sheet, আপুনি নিজেই এজন অধিবক্তা আছিল গুৱাহাটী হাইকোৰ্টৰ আৰু আপুনি learned অধিবক্তা, আপুনি জনা মানুহ। গতিকে মই আপোনাক জানো law সম্পৰ্কে আপুনি ভালকৈ জানে। গতিকে অধ্যক্ষ ডাঙৰীয়া, আপুনি নিজে জানে যে পুলিচ খুব স্মাৰ্ট হলেও অপৰাধীক ধৰিলেও যদি Charge sheet ডেৰ বছৰ নিদিয়ে, ডেৰ বছৰত যেতিয়া charge sheet দিব তেতিয়া ট্ৰাইল হ'ব। ট্ৰাইলৰ সময়ত কোনে ক'ত কি কৰিছে পাহৰি যায়। তেতিয়া মাৰ্ডাৰাৰো সাৰি গ'ল, ৰেপিষ্টও সাৰি গ'ল। তাৰ কাৰণে কি হয় এই ঘটনাবিলাক মাৰ্ডাৰ, ৰেপ এইবিলাক বাঢ়ি যায়। গতিকে আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই একেবাৰে পইন্টত ধৰিছে, য'ত ধৰিব লাগে। মই আজি ভাৱিছিলো যে আজি সদনে atleast মুখ্যমন্ত্ৰী ডাঙৰীয়াক কব, যে এখেতে Fast Track Court কৰিলে, এখেতে ৩ মাহৰ ভিতৰত charge sheet দিলে, ৩ মাহৰ ভিতৰত কেচ বিচাৰ হৈ গ'লে মৃত্যু দণ্ড পৰ্য্যন্ত হ'ল, ক'ত আছে এইটো ৰেকৰ্ড ভাৰতবৰ্ষৰ এখন ৰাজ্যত দেখুৱাওক, মই এইটো কথা কলো। গতিকে মই ভাৱিছিলো যে আপোনালোকে ধন্যবাদ

দিব।

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, সেই কাৰণে ধন্যবাদ দিছো, আগতেও দিছো, আজিও দিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মই ভাল পাইছো, আপোনালোকে দেৰীকৈ ধন্যবাদ দিয়াৰ কাৰণে ভাল পাইছো আৰু কোৱাৰ পিছত ধন্যবাদ দিছে। যি নহওঁক অধ্যক্ষ ডাঙৰীয়া, গতিকে আমি নোকোৱাকে ধন্যবাদ দিলে ভাল পালোহেতেন। কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহুত কষ্ট পাইছে, মই নিজে দেখি আহিছো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা কথা ভাল, মই দেখিছো যে তেখেতে কোনো এ জি পি, বি জে পি, কংগ্ৰেছ, এ আই ইউ ডি এফ, এইবিলাক কথা নাই। তেখেতে এইখন চকীত বহি প্ৰথম দিনা যেতিয়া বক্তৃতা দিছিল তেতিয়া কৈছিল যে 'সব কা সাথ, সব কা বিকাশ', আপোনালোকে নাভাৰিব যে মই বিজেপিৰ বিধায়ক সকলক বেছি সহায় কৰিম, আপোনালোকক কম সহায় কৰিম সেইটো নাভাৰিব, মোৰ দৃষ্টিত ১২৬ জনে যৌথ ভাৱে অসম খনক ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰিব লাগিব।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** বিজেপিৰ কৰ্মী বিলাকৰ এতিয়াও থানাত আদ্দা আছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব এইটো ৰাজনীতিৰ লাইনত নাযাব। Please, Please, come to the main point, please time মাত্ৰ ১৫ মিনিট আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, ১৫ মিনিট আছে ঠিক আছে, কিন্তু আপুনি কংগ্ৰেছক ১৫ মিনিট সময় অতিৰিক্ত দি দিলে, ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক। মই ৫ মিনিট দিবলৈ কৈছো, আপুনি ১৫ দি দিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আৰু ১০ মিনিট কওঁক। Please, Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, ঠিক আছে ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক দিয়াৰ কাৰণে মই ভাল পাইছো, তেখেতে এটা গান ও গায়।

**মাননীয় অধ্যক্ষ ঃ** Village Rockstars তেখেতৰ তাৰ পৰা ওলাইছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ঠিক আছে মোৰ সময়ৰ পৰা ৫ মিনিট দিছো, সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া, যিহেতু সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰ আৰু আগৰ চৰকাৰত যিজনে নাথাকক difference এইটোৱে। যে আমাৰ মন্ত্ৰীক বিৰোধীয়ে সময় দি কয় যে কোৱা ভাই যি সুচি আছে। মই এইটোৱে ৰিজাইচো, সেইটোৱে difference. অধ্যক্ষ ডাঙৰীয়া, সেইটো টো মোৰ নিজৰ কথা নহয়, মই মুখ্যমন্ত্ৰী directionৰ মতেহে কৰি আছো। মই যে ইয়াত কথা কৈ আছো মোৰটো নিজৰ কথাত কৈ থকা নাই, on behalf ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি directionত কৈছে, যে এনেকৈ চলিবা, এনেকৈ কথা কবা, এনেকৈ খাবা কোনোবা বিৰোধীয়ে যদি বিচাৰে দিবা, এই যে কৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই। গতিকে এইটোৱে।

**মাননীয় অধ্যক্ষ ঃ** Come to the point.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Sir, I will come to the point now, এতিয়া কথাটো হৈছে যে আমাৰ যদি crime rate, আমাৰ কেইবাজন সদস্যই উদ্বেগ প্ৰকাশ কৰিছেcrime rate ত, to crime rate আমাৰ যদি দেখা যায়, তেতিয়াহলে দেখিব যে total number of the cases 2016 was 102250/- as against 103616/- in 2015. কমি গৈছে crime rate টো আৰু দেখা যায় the number of the IPC crime has come down in 2016 as compare to 2015 in 2018 till July. The IPC crime has come down to 70769/-, অধ্যক্ষ ডাঙৰীয়া, বেয়া হ'ল নেকি এইটো, ভালহে হৈছে

এইটো। ক'ত crime বাঢ়িল ক'ত তেতিয়াহলে? আগতে যদি ডেৰ লাখ হৈছিল এতিয়া ৭০ হাজাৰ হৈছে, এইটো বেয়া হ'ল নেকি কথাটো?

**শ্রীকমলেক্ষ দে পুৰকায়স্থ ঃ** আৰু আছেটো।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** আছেটো ভাই, থাকিলেও ইমান নহয়টো। মই বুজি পালো ২০১৫ ত ১০৩৬১৬ আছিল আৰু ২০১৬ ত যে আমাৰ ১০২২৫০টা সেইটো কব নোৱাৰে নেকি? অধ্যক্ষ ডাঙৰীয়া কমিছেনে নাই?

**মাননীয় অধ্যক্ষ ঃ** Figure will speak.

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** ভদ্রতাৰ চুক্তি সকলোৱে মানি লব লাগিব। আমি ভদ্রতাৰ চুক্তি মানি লৈছো, আমাৰ বিধায়ক বিজেপিৰ সদস্য সকলক কৈছো যে আপোনালোকে নামাতিব, মতা নাই। আপুনি কিয় বাৰে বাৰে উঠি আছে?

**শ্রীকমলেক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** Please, please don't waste the time. Minister please.

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** সেই কাৰণে এই বিজেপি দলটো যে বিৰাট discipline দল আৰু পৃথিৱীৰ ভিতৰত শক্তিশালী দল এই কাৰণে। অধ্যক্ষ ডাঙৰীয়া, দ্বিতীয় কথাটো হ'ল যে crime against women তাত দেখা যায় যে The total number of cases of crime against women in the state has come down for the fast trial in 2016 after 2001. ২০০১ত আমাৰ চৰকাৰ নাছিল অধ্যক্ষ ডাঙৰীয়া, সেইটোৰ এটা record হৈ থাকক। গতিকে অধ্যক্ষ ডাঙৰীয়া, for the first time after 2001. গতিকে অধ্যক্ষ ডাঙৰীয়া, এটা ডাঙৰ কথা, গতিকে মুখ্যমন্ত্রী সোনোৱাল ডাঙৰীয়া ধন্যবাদৰ পাত্র হয়নে নহয় আপুনি নিজেই বিচাৰ কৰি চাওঁক চোন, কব নালাগে বাৰু, আপুনি নকয়। গতিকে এই যে অৱস্থালৈকে আহিছে, সেইটো চাব লাগিব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো ক্ষেত্রত দেখো, তেতিয়া হলে Total number of cases declined by 10.27% আমাৰ চৰকাৰৰ দিনত মহিলাৰ ওপৰত। It has come down টো upto 2017 আমাৰ Total number of cases come down or decline by 10.27% এইটো সহজ কথা নহয়। যদি Police ৰ Vigilance নাৰাখিলে হয় এনেকুৱা ঘটনা এটা হ'লহেতেন নে? Fast Track Court য়ে যদি এনেকুৱা দৃষ্টান্তমূলক ব্যৱস্থা নললে হয় তেতিয়াটো এই বিলাক ঘটনা বাঢ়ি গল হয়। এই বিলাক কমি আহিছে ১০শতাংশ, ধেমালী কথা নহয় ১০শতাংশ কমি যোৱাটো ১ বছৰত। ইয়াৰ পিছত Crime against Children, আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈছে, চৌধুৰী ডাঙৰীয়াই। হয় মই এটা প্রশ্ন ৰ উত্তৰৰ এই বিষয়ে মই উত্তৰ দিছো হয় আৰু উত্তৰ দিওতে মই কৈছো যে 4 thousand 4 hundred something হৈছে। মই নিজে Concern এইটো বিষয়ত আপুনি নিশ্চয় সেইদিনাখন মোৰ উত্তৰটো শুনিছে। গতিকে এই যিটো Concern এইটো হৈছে যে ইয়াত কিছুমান Figure এনেকুৱা আছে যে ১৭বছৰীয়া ছোৱালী বা ল'ৰাই যদি ঘৰৰ মানুহৰ সন্মতি নহোৱাকৈ দিয়া হৈ যায়, সেই বস্তুটো এই ক্ষেত্রত পৰে, আৰু তাৰ ফলত এই সংখ্যাটো বাঢ়ি যায়। যি বিলাক আমাৰ শিশু অপহৃত হৈ গল সেই অপহৃত হোৱা শিশু সকলক আমি ঘুৰাই আনি দিম। কিন্তু বিয়া বাৰু হৈ যোৱাবোৰৰ ক্ষেত্রত ঘৰৰ মানুহে এইটো এৰি পেলায় মানে যি হ'ল হৈ গল। এনেকৈ সংখ্যাটো ডাঙৰ হৈ যায়, মাননীয় অধ্যক্ষ মহোদয়, আপুনি উকীল মানুহ আপুনি এই ক্ষেত্রত বেছি ভালকৈ জানিব। I think you have also settled many cases like this in the Court when

you are in practice. এইবোৰ ক্ষেত্ৰত এইটো বুজাবুজি কৰি লয় যে নাপায় এই বিলাক কৰিবলৈ, গতিকে উপায় নাই আৰু সেই সংখ্যাটো ও ইয়াত সন্নিবিষ্ট হৈ আছে। It does not mean যে অকল সৰু, সৰু ল'ৰা-ছোৱালি বোৰকে অপহৰণ কৰিছে, এইটো নহয়। আজিকালি এই সংখ্যাটো যথেষ্ট পৰিমাণে কমিছে। এতিয়া Human trafficing ৰ কথাত আমি Concern আৰু এইটো Concern হবলগীয়া বিষয় হয়ো। গতিকে ছাৰ, এই ক্ষেত্ৰত আমি জনাওঁ যে The numbers of Human trafficing cases reported in 2017 is 156. In 2016 1494 and in 2015 it was about the same i.e., 1494. আৰু অধ্যক্ষ ডাঙৰীয়া, ২০১৭ ত এইটো হৈছে মাত্ৰ ১৫৬। এতিয়া চাৰ আপুনিয়ে ভাৱক ক'ত 1494 আৰু 156। গতিকে Graph ডাল যদি আপুনি চাই সেইফালে আকাশৰ ফালে চাইছে আৰু এই ফালে মাটিত আমাৰ Graph ডাল আছে। এতিয়া Graph দাল চাব লাগিলে আমি যে এইবাৰ গান্ধী জয়ন্তীত , গান্ধী মন্দপত যিখন দেশৰ ভিতৰত উচ্চ পতকা দিছো সেইখন চোৱাৰ দৰে চাব লাগিব আৰু আজিৰ দিনটোত এইটো চাব লাগিলে Zero point ত চাব লাগিব। তাৰ পিছতো যদি চৰকাৰখনে ধন্যবাদ নাপায় এইটো কেনেকৈ হব। ইয়াৰ পিছত আহিল Cyber Crime, আজিৰ দিনটোত আটাইতকৈ ডাঙৰ কথাটো হ'ল কি Cyber Crime. আৰু এই ক্ষেত্ৰত আটাইতকৈ ঋণাত্মক ভূমিকা লৈছে Social Media, Electronic Media excluding TV আৰু এইবোৰতে সৰু সৰু বস্তুবোৰ Viral কৰি দিয়ে যাৰ ফলত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হয় যে দেশত যেন কিবা এটা সাংঘাতিক ঘটনা ঘটিছে। সেই আমাৰ আপুনি ছাৰ, শুনি সুখ পাব কাৰণ মই এতিয়ালৈকে এটা ভাল খবৰ দিয়াই নাই। এতিয়া মই এই খবৰটো দি আছো, আৰু খবৰটো হ'ল যে Cyber Crime ৰ ক্ষেত্ৰত আমাৰ অসম পুলিচে এটা Cyberdome নামৰ প্ৰযুক্তি এটা আৰম্ভ কৰিছে।

কিন্তু Number of Cases যদি চোৱা যায়, Then we can see that it has gone up in 19-10-2017 to 1,767 against 6,900 in 2016 and 483 in 2015. মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই Cyber case আজি আপুনি চাওঁক কিমান বেছিকৈ register হৈছে বা কিমান ওপৰলৈ গৈছে। ১,৭৬৭ Cyber case আমাৰ পুলিচে লৈছে, ২০১৫ ত কিমানটা লৈছিল মাত্ৰ ৪৮৩ গতিকে এইটো এফালে আকাশ চুইছে আৰু এফালে Zero point ত আছে, এই চৰকাৰৰ দিনত। গতিকে এইটো ক্ষেত্ৰত In 2018, June the Cyber Crime is 868. এটা ২০১৫ ৰ চৰকাৰৰ সময়ত মাত্ৰ ৪৪৩ এই Cyber case লৈছিল গোটেই বছৰটোত। কিন্তু এইবাৰ আমাৰ ২০১৭ চনত ল'লৈ ১,৭৬৭ আৰু এতিয়ালৈকে বছৰটো শেষে হোৱা নাই। অপৰাধ বঢ়া নাই, কিন্তু আগতে Crime বিলাক register কৰা নাছিল। এতিয়া এই ক্ষেত্ৰত আমাৰ পুলিচ বহুত তৎপৰ হৈছে। নাই অপৰাধ বঢ়া নাই কিন্তু আপোনালোকে বুজাত ভুল কৰি আছে।

**মাননীয় অধ্যক্ষ** ঃ Please আপোনালোকে কথাখিনি শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া এজন জেষ্ঠ সদস্য গতিকে তেখেতে এইখিনি বুজিপোৱাটো উচিত। আপোনালোকৰ দিনত এই Cyber Crime ৰ ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা হোৱা নাছিল এইটো খুউব দুখৰ কথা।

**মাননীয় অধ্যক্ষ** ঃ It's a new Phenomenon. থিক আছে, তেখেতক কবলৈ দিয়ক আগতে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি পৰিবৰ্তন কৰিছো আৰু পৰিবৰ্তনৰে কথা এই বিলাক।

**মাননীয় অধ্যক্ষ** ঃ Please try to conclude.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগত যি বিলাক হোৱা নাছিল সেই বিলাক এতিয়া সম্ভৱ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আপুনি শেষ কৰক কাৰণ সময় কম আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে দেখা যায় যে In whole Country, it has also been seen that in respect of, registration and reported of cyber crime we stand in 5th position.আজিৰ তাৰিখত আমি ভাৰতবৰ্ষৰ ভিতৰত ৫ নম্বৰ স্থানত আছো, এই Cyber Crime registration and reported ৰ ক্ষেত্ৰত। গতিকে ওৱাজেদ আলী ডাঙৰীয়া চিন্তা নকৰিব আৰু মই ভাৱো এই ক্ষেত্ৰত আপুনি নিশ্চয় ভাল পাইছে। এতিয়া আমাৰ Rape ৰ কথাটো আহিল আৰু এই ধৰ্ষণৰ ক্ষেত্ৰত দেখা যায় আমাৰ ২০১৭ চনত It has come down to 1,075 আৰু ২০১৬ চনত হ'ল ১,৭৭৯ আৰু ২০১৫ ত এইটো আছিল 1,773 আৰু এতিয়া এই ধৰ্ষণৰ সংখ্যাটো লাহে লাহে কমি আহিছে। ঠিক আছে মই আজিৰ তাৰিখলৈ কয় দিওঁ যে Till July, 2018 ত এতিয়া ১০৯১টা হৈছে। murder ৰ ক্ষেত্ৰত্ৰে দেখা যায় ২০১৭ত It was marginally come down to 1,145 against 1,149 in 2016. And 2015 it was 1,343 গতিকে murder ৰ সংখ্যাটো কমি আহিছে। ইয়াৰ লগতে ডকাইতিৰ সংখ্যাটো কমি আহিছে, গতিকে এতিয়া ডকাইতিৰ ক্ষেত্ৰত দেখা যায় যে Till July, 2018 মাত্ৰ ৮৫টা ডকাইতিৰ ঘটনা ঘটিছে। আৰু ২০১৭ ত আমাৰ ডকাইতিৰ ঘটনা ঘটিছে ১৫৯ aganist 156 গতিকে এই সংখ্যাটো কমি আহিছে। Robbery সংখ্যাও কমি আহিছে। ইয়াতে গোটেই তথ্যখিনি আছে, আৰু মই আজি এই Statement টো Lay কৰি দিম। এই Data খিনি আপোনালোকে ইয়াৰে Photo state copy লৈ লব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সময় আবেলি দুই বাজিছে মই বাকী থকা সকলো কৰ্ত্তন প্ৰস্তাৱ গিল'টিনত দিলো। এই মই বাকী থকা সকলোবোৰ পুৰিপূৰক দাবী মঞ্জুৰী নং ১৪, ১,২,৩,৪,৫,৬,৮,৯,১০, ১১, ১২,১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২২, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫,৪৬, ৪৮, ৪৯, ৫১, ৫২, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৭, ৬৯, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮ সদনত অনুমোদৰ বাবে আগবঢ়ালো। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। মঞ্জুৰী নং ১৪, ১,২,৩,৪,৫,৬,৮,৯,১০, ১১, ১২,১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২২, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫,৪৬, ৪৮, ৪৯, ৫১, ৫২, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৭, ৬৯, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮ সদনত গৃহীত হৈছে বুলি ঘোষণা কৰিলো।

**শ্ৰীৰকিবুল হুছেইন** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিয়মত কৰিছে আমি জানিছো। তথাপি যিহেতু অৰক্ষী সম্পৰ্কীয় আলোচনা হৈ আছে আৰু পুলিচৰ সামগ্ৰীক উন্নয়নৰ কথা জড়িত হৈ আছে। গতিকে আমি কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো হয়। এই বিষয়টো পুলিচৰ সামগ্ৰীক উন্নয়ন আৰু দৰমহাৰ লগত জড়িত বিষয় যিহেতু আমি চৰকাৰৰ উত্তৰত সন্তুষ্ট নহয় যদিও আমি কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। যিহেতু দুই বাজি গ'ল নিয়ম মতে মই বাকী থকা সকলো কৰ্ত্তন প্ৰস্তাৱ গিল'টিনত দিবলগা হ'ল। সেইবাবেহে আপোনালোকৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কথাটো নাহিল। এতিয়া "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮", সদনত বিতৰণ কৰিবলৈ অনুৰোধ জনালো।

(বিধেয়খন সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ মাজত বিতৰণ)

এতিয়া মই বিত্তমন্ত্ৰী হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন উত্থাপন কৰিব বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮",খন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ? অনুমতি দিয়া হৈছে। বিধেয়ক খন উত্থাপন কৰিবলৈ ৰাজ ভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো - "Under the provision of Article 207(1) of the Constitution of India, I, Professor Jagadish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Appropriation (No.III) Bill, 2018' in the Asam Legislative Assembly." মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিলখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮",খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়কখৰ শিৰোনামা পঢ়ি দিব।

প্ৰাধান সচিব ঃ বিধেয়কৰ শিৰোনামা "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮"।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়ক খন বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ ৰাজ ভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ২ অক্টোবৰ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো - "Under the provision of Article 207 sub-clause 3 of the Constitution of India, I, Professor Jagadish Mukhi, Governor of Assam, recommend that 'The Assam Appropriation (No.III) Bill, 2018' be taken into consideration by the Assam Legislative Assembly." মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিলখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮",খন বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিব বিছাৰিছো- "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮",খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখন সদনত দাঙি ধৰিছো। প্ৰশ্নটো হৈছে বিধেয়কখনৰ ২ আৰু ৩ নং দফা লগত অনুসূচীখন বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়কখনৰ ২ আৰু ৩ নং দফা লগত অনুসূচীখন বিধেয়কখনৰ অংশ হৈছে।

এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনত প্ৰস্তাৱ উত্থাপন কৰিছো। বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়ক খনৰ অংশ হ'ল।

মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮",খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত উত্থাপন কৰিছে। প্ৰস্তাৱটো হ'ল "অসম বিনিয়োজন (নং-৩) বিধেয়ক ২০১৮",খন পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়ক খনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিছো।

মই এতিয়া মাননীয় সদস্য-সদস্যা সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে অহাকালি ৰাতিপুৱা আমাৰ সদনৰ কাৰ্য্যসূচীত প্ৰথমে প্ৰশ্নকাল হ'ব তাৰ পিছত অধ্যক্ষৰ বিশেষ উদ্যোগ শিতানত কাৰ্বিআংলং আৰু ডিমা হাচাওৰ আৰ্থ-সামাজিক দিশৰ ওপৰত আলোচনা হ'ব। যিসকল মাননীয় সদস্যই এই আলোচনাত অংশ গ্ৰহণ কৰিব বিচাৰে তেওঁলোকক যদি কিবা তথ্য লাগে তেতিয়া হ'লে মোৰ কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব। লগতে কালি যিহেতু শুক্ৰবাৰ গতিকে আমি ৰাতিপুৱা বেচি সময় নাপাম কাৰণ যোৱাবাৰ শিক্ষা বিভাগৰ ওপৰত হোৱা আলোচনাৰ ওপৰত এখন প্ৰতিবেদন শিক্ষা বিভাগে সদনত দাখিল কৰিব। গতিকে পিছবেলা অহাকালি আমি তিনি বজাৰ পৰিবৰ্তে দুই বজাত সদনৰ কাম আৰম্ভ কৰিব বিচাৰিছো, আপোনালোকৰ সন্মতি আছেনে?

(সদনে সন্মতি প্ৰদান কৰে)

ধন্যবাদ।

**এতিয়া সদন অহাকালি ৰাতিপুৱা ৯-৩০ বজালৈ স্থগীত ৰখা হ'ল।**